# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baanhai | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1918 (1840 Sak) | Edition: |
| Size: 20 cms - 528 pages | Genre: magazine |
| Volumes: 9 (1, 2+3, 3+4) 5+6, 7+8, 9+10, 11+12 issues) ~~10 (2, 1, 3, 4, 7, 8~~ | Condition of the original: Brittle. |
| Remarks: 8th yr | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৩৩৬২/আ:
১৫.৬.৯৯

নৱম বছৰ, কাতি, আঘোন | বাঁহী | ১৮৪০ শক, ৭ম, ৮ম, সংখ্যা

# শ্ৰীকৃষ্ণ কথা।

মাথোন কিছুমান ওথ কাৰ্য্যত ওথ নীতি নিয়মত যে ঈশ্বৰেৰে সম্পৰ্ক ৰাখি তেওঁৰ সান্নিধ্য সামীপ্য অস্তিত্ব অনুভৱ কৰি বাকী জীৱনৰ এপ-এটা কাৰ্য্যত দূৰত থকাটো, কাগজে কলমে, আৰু গিৰ্জ্জা আৰু শাস্ত্ৰত অতি ভাল হব পাৰে, কিন্তু জীৱনৰ পূৰ্ণতা, সৰ্ব্বাঙ্গীনতা তাতে সাধিত নহয়। হিন্দুধৰ্ম্মৰে সৈতে খৃষ্টধৰ্ম্মৰ প্ৰভেদ এই খিনিতে—কথাত নহলেও দৈনিক জীৱনৰ কাৰ্য্যত নিশ্চয়। হিন্দুৱে, খাওঁতে, শোওঁতে, উঠোঁতে, বহোঁতে, ঘৰত, প্ৰবাসত, শ্ৰমত, আৰামত, আন কি চুৰি ডাকাইতি আদি কুকাৰ্য্য কৰিবলৈ যাওঁতেও জগৎ-পিতা জগৎ-মাতাক স্মৰণ কৰাটো বিধি, আৰু কৰে। খৃষ্টধৰ্ম্মাৱলম্বীৰ সৰহ ভাগৰ সেইখিনি কামত মনত পৰে যাইটৈক luck অৰ্থাৎ নিজৰ ভাগ্য আৰু নিজৰ শক্তি ক্ষমতা আৰু কৌশলৰ ওপৰত নিৰ্ভৰশীলতা; কাৰণ তেওঁলোকৰ ধৰ্ম্মৰ অনুশাসন আৰু প্ৰভাৱৰ দীঘবানি হিন্দুৰ ধৰ্ম্মৰ অনুশাসন আৰু প্ৰভাৱৰ নিচিনা গোটেইটো জীৱনৰ সকলো কাৰ্য্যৰে সৈতে বোৱা নহয়। সেই দেখি খৃষ্টীয় সাধাৰণৰ জীৱনৰ ওপৰত খৃষ্টীয় ধৰ্ম্মৰ প্ৰভাৱ সিমানটৈক নৰৈ মাথোন ওপৰথাপৰ এভাগ মানুহৰ ওপৰত ৰৈছে। মানুহৰ প্ৰকৃতি আৰু স্বভাৱ বুজি, তাক একেবাৰেই অগ্ৰাহ্য নকৰি আৰু কিছুদূৰ অনুসৰণ কৰি লাহে লাহে তাৰ ওপৰত প্ৰাধান্য স্থাপন কৰি তাক বশীভূত কৰি প্ৰকৃত ওথ বাটলৈ লৈ যোৱাত যেনেকৈ হিন্দুধৰ্ম্ম সহায়ক হয়, খৃষ্টধৰ্ম্মই তেনে নকৰাটো আৰু তেনে বাটেদি প্ৰথমতে লৈ সহায়ক নোহোৱাৰ ফল হৈছে—কাৰ্য্যত খৃষ্টধৰ্ম্মৰ আৰু খৃষ্টীয় সৰ্ব্বসাধাৰণৰ মাজত ডাঙৰ বিচ্ছেদ। ঈশ্বৰৰ বস্তু ৰদ বৰষুণ বতাহ ইত্যাদিৰ দৰে ঈশ্বৰৰ বস্তু ধৰ্ম্ম সৰ্ব্বতোমুখী, সৰ্ব্বানুগ্ৰহকাৰী আৰু সৰ্ব্বানুভূতি আৰু সৰ্ব্ব-সম্ভোগ্য নহলে সেই ধৰ্ম্ম আংশিক ফলপ্ৰদহে হয়। খৃষ্টধৰ্ম্মৰ "narrows itself to a counsel of perfection in conduct, and hence the

true observers of Chirst's injunctions are in an obvious microscopic minority." ইয়াৰ উদাহৰণ বিচাৰি দূৰলৈ যাব নেলাগে। খৃষ্টৰ দহোটা আদেশৰ ( commandment ) কাকত এখন হাতত লৈ আজিকালি য়ুৰোপৰ ফালে চাই পঠিয়ালেই হব। আৰু আজিকালি-কিয়, খৃষ্টধৰ্মাৱলম্বী-সকলৰ গুৰিৰ পৰা আজিলৈকে দৈনিক, সামাজিক আৰু আন্তৰ্জাতিক জীৱনৰ বুৰঞ্জীৰ পাত কেইটাৰ ফালে ভালকৈ নিৰীক্ষণ কৰিলেই হব। " Recompense no man evil for evil " " সোঁ গালত চৰ মাৰিলে বাওঁ গাল পাতি দিবা " ইত্যাদি অতি শ্ৰেষ্ঠ উপদেশেৰে সৈতে খৃষ্টধৰ্মাৱলম্বীসকলে কি সম্পৰ্ক ৰাখিছে, তাক কাকো কৈ দিব নেলাগে। বাস্তবিকতে অতি ওখ যোগী, ঋষি, শ্ৰেষ্ঠসাধু আৰু বিষয়-বিৰাগীৰ হে সাধ্য এনেবোৰ উপদেশ সাধাৰণ মানুহে পালিবই বা কেনেকৈ? সেইদেখি খৃষ্টধৰ্মাৱলম্বীৰ খৃষ্টধৰ্ম স্বভাৱতে নৈৰ এপাৰে থাকে, আৰু সেই ধৰ্মাৱলম্বীৰ সৰহভাগে আন পাৰে থাকিবলৈ বাধ্য হয়। ৫৩৬২/অ:

কিন্তু হিন্দুধৰ্মই কয়, এনে হবলৈ দিয়াটো ঠিক নহয়। সাধু, অসাধু, দাতা, চোৰ সকলোকে ধৰ্ম্মৰ শাসনলৈ আনিবলৈ হলে, কাকো এৰি নিদি, লাহে লাহে নানা উপায় নানা কৌশলেৰে তেওঁলোকৰ মুখত বাঘজৰী লগাব লাগিব। মুখত লেকাম থাকিলে, দুষ্ট মানুহ যিমান উচ্ছৃঙ্খলভাৱে যেনিয়েই দৌৰক প্ৰথমতে তেওঁক সেইফালেই লৰিবলৈ এৰি দি লাহে লাহে লেকাম টিলাই দি আৰু টানি এপদ দুপদকৈ ঘূৰাই আচল বাটলৈ আনিব লাগিব। এই বাবেই অধিকাৰী অনধিকাৰী ভেদে ধৰ্ম্মানুষ্ঠানৰ নানা ঢাপৰ সৃষ্টি। বাস্তৱিকতে বিশ্বমানৱৰ প্ৰকৃতি সৰ্বতোভাৱে বুজি, সেই অনুসাৰে ব্যৱস্থা কৰি বিভিন্ন প্ৰকৃতিৰ মনুষ্য সমাজক ঈশ্বৰমুখী কৰি লাহে লাহে ওপৰলৈ টানি লৈ যোৱাৰ নিচনা এটা অতি অতি দুৰূহ কাৰ্য্য ভাৰতৰ দূৰদৰ্শী হিন্দু ঋষিসকলে যেনেকৈ সংসাধিত কৰিছিল, বাহু ডাঙ্গি কব পাৰি এনে অসাধ্য সাধন পৃথিবীৰ আন কোনো জাতিয়ে কৰিব পৰা নাই।

হিন্দু ঋষিয়ে সুন্দৰকৈ জানে যে সুৰাপান, প্ৰাণীবধ কৰি মাংসাহাৰ ইত্যাদি অতি অকৰ্ত্তব্য কাৰ্য্য। বজ্ৰনিৰ্ঘোষ স্বৰেৰে তেওঁলোকে মানুহক কব লাগিছে, "মদ্যমপেয়মদেয়মগ্ৰাহ্যং" " অহিংসা পৰমোধৰ্ম্ম।" কিন্তু তেওঁলোকে



সাধাৰণ মনুষ্যৰ প্ৰকৃতি জানে আৰু জানে যে সেই প্ৰকৃতিক একেবাৰেই অগ্ৰাহ্য কৰি, মাথোন চূড়ান্ত নীতি শিক্ষাকেহে প্ৰবৰ্ত্তন কৰিবলৈ গলে সেই শিক্ষাৰে সৈতে জনসাধাৰণৰ আজি নহয় কাইলৈ বিচ্ছেদ ঘটিব; অথচ মাথোন এমুঠি ওখ চাপৰ মঙ্গল কাৰ্য্যই সৰ্বাঙ্গসুন্দৰ মঙ্গল কাৰ্য্য নহয়, সেইদেখি বিশ্বমানৱ-হিতাকাঙ্ক্ষী হিন্দু ঋষিয়ে কলে—

"প্ৰবৃত্তিৰেষা ভূতানাং নিবৃত্তিস্তু মহাফলা" যাৰ যি প্ৰবৃত্তি আছে, তাকে লাহে লাহে সুপথলৈ ঠেলি ঠেলি নি তাত পেলাবহে লাগিব; ফলত এদিন নহয় এদিন প্ৰবৃত্তি মাৰ্গানুগামীৰ চকু মুকলি হৈ নিবৃত্তিমাৰ্গ তেওঁৰ চকুৰ আগত পোহৰ হৈ ওলাব। এনে নকৰি যদি, তেওঁলোকে একেবাৰেই কঠোৰ হলহেঁতেন, তেন্তে তেওঁলোকৰ উদ্দেশ্য কাৰ্য্যত ব্যৰ্থ হলহেঁতেন।

ৰত্নাকৰ বাল্মীকিৰ মুখত ৰাম স্ফুটি মৰা ফুটিল। কিন্তু সেইবুলি ৰত্নাকৰক নাৰদে পৰিত্যাগ নকৰি মৰা মৰা বুলি থাকিবলৈকে কলে; কাৰণ তেওঁ জানিছিল, বাল্মীকিয়ে আচল উদ্দেশ্য মনত ৰাখি মৰা মৰা বুলি থাকোঁতেই এদিন তেওঁৰ মুখত ৰাম ফুটিব। চৈতন্যদেৱে উপদেশ দিছিল, "ইলিচেৰ ঝোল, কামিনীৰ কোল তথাপি হৰি হৰি বোল।" কাৰণ তেওঁ জানিছিল যে পাৰ্থিব সুখাভিলাষী, পাৰ্থিব সুখত নিমগ্ন নদীয়াবাসীক যদি তেওঁলোকৰ পাৰ্থিব সুখ বন্ধ কৰি হৰিভক্তিপৰায়ণ হবলৈ কোৱা যায়, তেন্তে তেওঁলোকে সেইকথা দলিয়াই পেলাব আৰু তেওঁৰ মুখ্য উদ্দেশ্য বিফল হব; কিন্তু পাৰ্থিব সুখভোগৰ মাজতো প্ৰথমতে হৰি হৰি কৰি হৰিৰ সমুখ হলে লাহে লাহে এনে এদিন আহিব যে স্বভাৱতে সেই পাৰ্থিব সুখভোগৰ ইচ্ছা তেওঁলোকৰ গাৰপৰা অন্তৰ্হিত হৈ, এদিন তেওঁলোক হৰিভক্তিপৰায়ণ হৈ পৰিব আৰু হৰিভক্তিপৰায়ণ হলে অসাৰ্থক সেইবোৰ আৰু তেওঁলোকৰ গাত নাথাকে। এইবাবেই শাস্ত্ৰত লেখিছে।—

"স্মৰণ মাত্ৰকে যিহেতু দুৰ্ব্বোৰ
সংসাৰ দুঃখ হৰন্ত।
এহি হেতুতেসে ঈশ্বৰক হৰি
বোলয় যত মহন্ত॥"

"ৰাম কৃষ্ণ ভাবিতে তাজয় কালসাপে।

হৰি ভকতক দুখ দিব কাৰ বাপে ॥"

এইবাবেই মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে চিঞৰিয়াই কৈছে——

"হৰিবোল হৰিবোল আহে লোকাই।

হৰি বিনে নাহি গতি ॥"

* * *

এইখিনিতে এটা ঘটনা আমাৰ মনত পৰিল,—গোটাচেৰেক নগাই ধৰ্ম্মক ধৰিবলৈ আহি কমলাবাৰীসত্ৰ পালেহি। কমলাবাৰীৰ বাজমেধিয়ে তাৰে গোটাদিয়েকক ধৰ্ম্মক ধৰাই শৰণ লগালে আৰু বেঙেনাআটীৰ বাজমেধিয়ে গোটাদিয়েকক শৰণ লগালে। কমলাবাৰীৰ বাজমেধিয়ে শৰণ দি নগাকেইটাক কুকুৰা, গাহৰি, মদ খাবলৈ মানা কৰিলে; কিন্তু বেঙেনাআটীৰ বাজমেধিয়ে তেনে কৰা নাছিল। কিছুদিনৰ মূৰত আৰু এজাক নগাই ধৰ্ম্মক ধৰিবলৈ মাজুলীলৈ আহিছিল। কমলাবাৰীৰ বাজমেধিয়ে সিহঁতক লগ পাই শৰণ লগাব খোজাত সিহঁত অমান্তি হৈ কলে—"কমলাটেঙাৰ ধৰম আমি নলওঁ, বৰ চোকা; আমি বেঙেনাখোৱাৰ ধৰম হে লম; আকৌবেলি আমাৰ যি কেইটা নগাই কমলাটেঙাৰ ধৰম লৈছিল, এটাই কেইটা মৰিল; কিন্তু বেঙেনাখোৱাৰ ধৰম লোৱা কেইটা ভালে আছে।" মানুহৰ প্ৰকৃতি বুজি সেই অনুসাৰে ধৰমৰ অনুশীলনৰ ব্যৱস্থা কৰাৰ সপক্ষে এই কথাই জলন্তভাৱে সাক্ষী দিয়ে আৰু হিন্দুধৰ্ম্ম প্ৰবৰ্ত্তক ঋষিসকলে এই সত্য ভালকৈ বুজিছিল।

* * *

বিশুদ্ধ নিৰাকাৰবাদীসকলে যিহকে কওক, এইটো অস্বীকাৰ কৰিবৰ উপায় নাই যে Personal God অৰ্থাৎ ঈশ্বৰত ব্যক্তিত্ব আৰোপ কৰি লৈ তেওঁৰ ভজনা নকৰিলে মানুহৰ হৃদয় তৃপ্ত নহয়। ঈশ্বৰ নিৰাকাৰ নিৰ্গুণ নিশ্চয় হয়; কিন্তু তেওঁৰ সৃষ্টপদাৰ্থ মানুহ সাকাৰ, আৰু মানুহৰ মন বুদ্ধি চিত্ত ত্ৰিগুণাত্মক। এতেকে গুণযুক্ত মন, বুদ্ধি, চিত্তই ঈশ্বৰকো গুণাত্মক কৰিহে তেওঁৰ ধাৰণা, সেৱা, উপাসনা কৰিব পাৰে। পৃথিৱীৰ সকলো ধৰ্ম্মতে এই অৱস্থা, নতুবা সকলো শূন্যত পৰিণত হলহেঁতেন। খৃষ্টধৰ্ম্মত ঈশ্বৰৰ ব্যক্তিত্ব জাজ্বল্যমান। ঈশ্বৰক পিতৃভাৱে খৃষ্টক ঈশ্বৰৰ পুত্ৰভাৱে ভজনা কৰিহে নৰনাৰীয়ে শান্তি সুখ পায়, উদ্ধাৰ লভে কিন্তু God Personal হলে, অৰ্থাৎ ঈশ্বৰত



ব্যক্তিত্ব আৰোপ যদি কৰিবই লগীয়া হল, তেন্তে সৃষ্টিৰ বিষয়ে মানুহৰ Idea ধাৰণা কি? দুই Sex অৰ্থাৎ পুৰুষ আৰু স্ত্ৰীগুণৰ বিকাশ নহলে সৃষ্টিৰ ধাৰণা আমাৰ মনলৈ আহিবই নোৱাৰে। এই বাবেই হিন্দুৰ Conception প্ৰকৃতি পুৰুষ, পিতা-মাতা, ৰাধা-কৃষ্ণ, বিষ্ণু-লক্ষ্মী নাৰায়ণ, সীতা ৰাম, হৰ-গৌৰী। আমি মানুহে আমাৰ সৃষ্টিকৰ্ত্তাক সেৱা ভক্তি আৰু প্ৰাণ ভৰি ভাল পাবলৈ হলে, তেওঁৰ দুই Sex প্ৰকৃতি পুৰুষ, আই-বোপাই কল্পনা কৰি লবই লাগিব, আৰু সেইটোৱেইহে প্ৰকৃত। কিন্তু খৃষ্টধৰ্ম্মত ঈশ্বৰক নাথোন Single sexed কৰি সৃষ্টিপ্ৰকৰণ চাকুৰ কাগৰ পৰা আঁতৰোৱা হৈছে, মানুহৰ সৰ্ব্বতোভাৱে পিতৃ মাতৃ ভাৱৰ উপভোগৰ পৰা দূৰত ৰখা হৈছে। ঈশ্বৰক এনে abstraction অৱস্থালৈ আনি উপভোগ আৰু realize কৰাটো কঠিন কাৰ্য্য আৰু সৰ্ব্বসাধাৰণৰ অসাধ্য। নিৰ্গুণ ঈশ্বৰৰ ধাৰণা এক প্ৰকাৰ অসম্ভৱ। সেইদেখি হিন্দু আৰ্য্য ঋষিসকলৰ ঈশ্বৰৰ সম্বন্ধে দুই প্ৰকাৰ Conception ধাৰণা,—সগুণ আৰু নিৰ্গুণ নিৰাকাৰ আৰু সাকাৰ। সগুণ আৰু সাকাৰ আমাৰ উপভোগ, চিন্তা, অৰ্চ্চনা, ভক্তি, সেৱা আৰু কৃতজ্ঞতা প্ৰকাশৰ নিমিত্তে। হিন্দুৱে ধাৰণা কৰা ঈশ্বৰৰ এই দুটা aspect বিকাশ নিশ্চয় প্ৰকৃত ধাৰণা। ঈশ্বৰ প্ৰকৃতি-পুৰুষ, পিতা-মাতা, এই aspect সগুণ আৰু অৰূপ, অব্যয়, নিৰাকাৰ, নিৰাময়, ইত্যাদি নিৰ্গুণ aspect প্ৰকৃতি পুৰুষ, aspect-ৰ সিফালে অনন্ত অচ্যুত একমেৱাদ্বিতীয়ম। এই বাবে যোগাত মহাপুৰুষে কৈছে—

"প্ৰকৃতি-পুৰুষ দুইৰো নিয়ন্তা মাধৱ।

সমস্তৰে আত্মা হৰি পৰম বান্ধৱ ॥"

এই নিয়ন্তাই একমেৱাদ্বিতীয়ং শ্ৰীকৃষ্ণ পুৰুষোত্তম

"কৃষ্ণ এক দেৱ দুখ হাৰী, কাল মায়াদিৰো অধিকাৰী"

এওঁৱেই নাৰায়ণ—

"প্ৰকৃতি-পুৰুষ, দুইতো কৰি পৰ,

দুইৰো নিজ কাৰণ।

পৰমেশ্বৰ নামক ধৰিয়া,

আছা তাতে নাৰায়ণ ॥

এওঁৱেই হিন্দুৰ পৰম ব্ৰহ্ম, পৰমাত্মা—

"ঈশ্বৰৰ সেৱা, কৰয়ে জীৱৰ,
শুচয় মায়াৰ ভ্ৰম।
ব্ৰহ্মপদে ভক্ত, জীৱক বোলয়,
ঈশ্বৰ পৰম ব্ৰহ্ম ॥
"অন্তৰ্য্যামীৰূপে, জীৱ আদি কৰি,
নিয়াময় সমস্তক।
এহি হেতুতেসে, পৰমাত্মাপদে,
বুলি জানা ঈশ্বৰক ॥"

এয়েঁই হিন্দুৰ ভগৱন্তৰ Conception—

"ব্ৰহ্ম পৰমাত্মা, কৰিয়া যিহেতু,
ঐশ্বৰ্য্যৰ নাহি অন্ত।
এহি হেতু মহা মহন্তসকলে,
বোলে তাঙ্ক ভগৱন্ত ॥"

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

# মানিকি মধুৰি। *

( ২ )

"বেয়া লগৰীয়াৰ লগত উঠা বহা কৰাতকৈ অকলশৰীয়াকৈ থকাই ভাল; মনে মনে বহি থকাতকৈ ভাল শিক্ষা দিয়া উত্তম; বেয়া শিক্ষা দিয়াতকৈ মনে মনে বহি থকাই ভাল।

সকলো মানুহৰ শৰীৰেই যেন এটা মানুহৰ শৰীৰ হোৱাদি হয়। কাৰোবাৰ এটা চকু বিষালেই যেন সকলোৰেই সেই বিষ অনুভৱ কৰিব পাৰে; আৰু একজনৰ অসুখকো যেন সকলোৰেই সমানে ভোগ কৰে।

সদাচৰণ শিক্ষা দিয়াতকৈ আৰু কোনো ভাল দানেই কোনো

* হজৰত মহম্মদ (দঃ) পৱিত্ৰ মুখৰ সাৰুৱা উপদেশ।



মাক বাপেকে নিজ লৰা ছোৱালীক দান কৰিব নোৱাৰে।

সেইজন মানুহ মুছলমান নহয়—যি নিজৰ পেট পুৰাই খায়, অথচ চুবুৰীয়াই লঘোনে ভোকে কাল কটায়।

ভাল লগৰীয়াৰ দৃষ্টান্ত, যেনে—তেওঁ মৃগনাভি লৈ ফুৰিছে, তুমি কিনিব নোৱাৰা; কিনিব নোৱাৰা যদিও, সুগন্ধৰ পৰা বঞ্চিত নাথাকা। বেয়া লগৰীয়াৰ দৃষ্টান্ত—যেনে সি কমাৰ, সি যেতিয়া তাৰ ভাটিটোৰে জুই ফুকিয়াবলৈ ধৰে তেতিয়া জুইৰ ফিৰিঙতিবোৰ আহি তোমাৰ কাপোৰত পৰেহি; নহলেও দুৰ্গন্ধৰ ধোঁৱাবোৰ আহি তোমাৰ নাকত সোমায়হি।

যি সকলক দেখিলেই আল্লাহতাআলালৈ মনত পৰে, মানুহৰ ভিতৰত সেই সকলেই আটাইতকৈ উত্তম।

দুজন মানুহৰ মাজত সদ্ভাৱ স্থাপন কৰিবলৈ তেওঁলোকৰ যদি অযথা গুণানুবাদো কৰা হয় তেনেহলে সিও দূষনীয় নহয়।

হে মানুহবিলাক, হিংসা কৰা সম্বন্ধে সাৱধান হোৱা; এইটো একেবাৰেই সঁচা যে জুইয়ে কাঠ পোৰাদি হিংসায়ো পুনাকাম ধ্বংস কৰে।

যি মানুহে বহু বাধা অতিক্ৰম কৰে, তেওঁ ধৈৰ্য্যশীল হয়; যি বহু বিষয়ত অভিজ্ঞতা লাভ কৰে, তেওঁ জ্ঞানৱান হয়।

কোনো কাম সম্পন্ন কৰিবলৈ হলে আৱশ্যকীয় উপায় অৱলম্বন কৰিবা।

সৰু বাটে চলা, ধীৰতা, মজলীয়া আচৰণ, সৰু বাট দেখুউৱা, এই বোৰ মহৎ মানুহৰ লক্ষণ।

কোনোবাই পৰামৰ্শ খুজিলে সৎ পৰামৰ্শ দিবা, কিয়নো সি তোমাক বিশ্বাস কৰিহে খুজিছে।

চেষ্টা কৰাতকৈ ডাঙৰ বুদ্ধিৰ কাম আৰু একো নাই, পাপ বৰ্জ্জন কৰাৰ অধিক ধৰ্ম্মভীকতা নাই, সচ্চৰিত্ৰতাতকৈ ডাঙৰ বংশমৰ্য্যাদা একো নাই।

মজলীয়া ৰকমে ব্যয় কৰাটো আধা উপাৰ্জ্জন কৰাৰ সমান, মানুহক ভাল পোৱাটো বুদ্ধিৰ সকলো কামৰ আধা কাম। উপযুক্ত বিষয়ে প্ৰশ্ন কৰাটো আধা বিদ্যা লাভৰ সমান।

তুমি যতেই কি নাথাকা আল্লাহতাআলাক ভয় কৰি থাকিবা; বেয়া কাম এটাৰ পাছতে ভাল কাম এটা কৰিবা, যেন বেয়া কামটো ধ্বংস হৈ যায়;

মানুহৰ লগত সাধু ব্যৱহাৰ কৰিবলৈ কেতিয়াও নাপাহৰিবা।

যি মানুহ শাৰীৰিক বলত বলীয়ান তেওঁ বীৰ নহয়, খং দমাব পৰা জনাই হে প্ৰকৃত বীৰ।

তিতা বস্তুৱে যেনেকৈ মাধুৰ্য্য নষ্ট কৰে, খঙেও তেনেকৈ ধৰ্ম্ম নষ্ট কৰে।

তোমালোকে এনেকৈ নকবা যে—যদি কোনোৱে আমাৰ লগত ভাল ব্যৱহাৰ কৰে আমিও তেওঁৰ লগত ভাল ব্যৱহাৰ কৰিম আৰু কোনোবাই আমাৰ লগত বেয়া ব্যৱহাৰ কৰিলে আমিও তেওঁৰ লগত বেয়া ব্যৱহাৰ কৰিম। কোনোৱে তোমালোকৰ লগত ভাল ব্যৱহাৰ কৰিলেও তেওঁলোকৰ লগত ভাল ব্যৱহাৰ কৰিবা আৰু বেয়া ব্যৱহাৰ কৰিলেও বেয়া ব্যৱহাৰ নকৰি ভাল ব্যৱহাৰহে কৰিবা।

বেয়া কামত হকাবাধা দিবলৈ ক্ষমতা নাথাকিলেও অন্তৰেৰে হৈতে সেই কামক ঘিন কৰিবা।

যেনেকুৱা ঠাইৰ পৰাই নহওক, জ্ঞান উপাৰ্জ্জন কৰিবা। জ্ঞানোপাৰ্জ্জন কৰিবলৈ সকলো মুছলমান নৰ নাৰীকেই কৰ্ত্তব্য বান্ধি দিয়া হৈছে।

জ্ঞানৰ আধিক্য উপাসনা কৰাৰ আধিক্যতকৈ উৎকৃষ্ট। পাপ বৰ্জ্জন কৰাই ধৰ্ম্মৰ মূল।

ৰাতিৰ অলপ সময় জ্ঞানোপাৰ্জ্জন কৰা আৰু জ্ঞান শিক্ষা দিয়াটো গোটেই ৰাতি উপাসনা কৰাতকৈ উৎকৃষ্ট।

পাহৰি যোৱাটোৱেই বিদ্যাৰ শত্ৰু, আৰু অপাত্ৰত দান কৰা নষ্ট কৰাৰ সমান।

তোমালোকে বিদ্যা-উপাৰ্জ্জন কৰি মানুহবিলাকক শিক্ষা দি থাকিবা।

তুমি ঘোঁৰাত উঠি যাওঁতে হাতৰ পৰা চেকনিডাল পৰি গলে ঘোঁৰাৰ পৰা নামি সেইডাল বুটলি লৈ যাবা, তথাপিও আনে আহি তুমি দিবলৈ কাট চাই নেথাকিবা।"

"মোটা আৰু টান কাপোৰ পিন্ধা আৰু শুকান কটি খোৱাটোৱেই ধৰ্ম্ম ভীৰুতা নহয়; অভিলাষ দমন কৰাই হে ধৰ্ম্ম ভীৰুতা।

এনেকুৱা এটা সময় আহিব যি সময়ত কোনো কোনো মুছলমানে মদৰ আন এটা নাম দি সুৰা পান কৰিব।



যি মানুহে আন জাতিৰ অনুকৰণ কৰে সিহঁতৰ অনুৰূপ হয়, সি সেই জাতিৰেই দলভুক্ত।

যাৰ চুলি আছে তাৰ উচিত যে সি সেই চুলিৰ ভাল সমাদৰ কৰে।

ইছলাম অৱলম্বনকাৰীৰ পক্ষে এই পৃথিৱী কাৰাগাৰ, আনলৈ এয়েই স্বৰ্গ।

মানুহবিলাকে দুটা মহাদানৰ অপব্যৱহাৰ কৰে—এটা স্বাস্থ্য, আনটো সচ্ছলতা।

মৰা শৱটোৰ পাছে পাছে তিনটা বস্তু যায়, দুটা উভতি আহে, এটা লগতে থাকে—তাৰ পৰিবাৰ বৰ্গ, তাৰ ধন, তাৰ কৰ্ম্ম তাৰ পাছে পাছে যায়। পৰিবাৰবৰ্গ আৰু ধন উভতি আহে, কৰ্ম্ম তাৰ লগতেই থাকে।

পাঁচোটা বিষয়ক আন পাঁচোটাৰ তুলনাত মহানুগ্ৰহ বুলি ভাবিবা, ডেকা কাল বুঢ়া কালৰ তুলনাত, স্বাস্থ্য অস্বাস্থ্যৰ তুলনাত, সচ্ছলতা অনাটনৰ তুলনাত আৰু অৱসৰ তোমাৰ অনৱসৰৰ তুলনাত মহানুগ্ৰহ।

তোমালোকত কৈ ধনে সৌন্দৰ্য্যে শ্ৰেষ্ঠ মানুহ দেখিলে এবাৰ তোমালোকতকৈ নিকৃষ্ট মানুহৰ ওপৰলৈও চকু দিবা।

কৰ্কশতাই সকলো সৌন্দৰ্য্য হৰণ কৰে, কোমলতাই সকলো বিষয়কে সৌন্দৰ্য্য প্ৰদান কৰে।

ধনাঢ্য সকলে বংশ গৌৰৱ কৰিব পাৰে, কিন্তু সচ্চৰিত্ৰ মানুহসকলেই হে মৰ্য্যাদাবান।

নিয়তি কেতিয়াও পৰিৱৰ্ত্তিত নহয়, কিন্তু আল্লাহতাআলাৰ ওচৰত প্ৰাৰ্থনা কৰিলে নিয়তিৰো পৰিৱৰ্ত্তন হয়; কাৰো জীৱনকাল নিৰ্ণীত সীমা অতিক্ৰম নকৰে, কিন্তু সুকৰ্ম্ম কৰিলে জীৱনকালো বাঢ়ে। মানুহে পাপ কাম কৰিলে সচ্ছলতা ধ্বংস হয়।

সুদ লৈ ধন অপহৰণ কৰা যেনেকুৱা পাপ, কোনো মানুহৰ সন্মান অপহৰণ কৰাও তেনেকুৱা পাপ।

কাৰো সম্বন্ধে মনত ভাল ধাৰণা ৰখাটো উপাসনাৰ ভিতৰত গণ্য।

কোনোৱে তোমাৰ লগত বেয়া ব্যৱহাৰ কৰিলে তুমি তাৰ লগত ভাল ব্যৱহাৰ কৰিবা। কোনোৱে খঙ কৰিলে সহি থাকিবা, কোনোৱে তোমাৰ

ওপৰত অত্যাচাৰ কৰিলে তুমি ক্ষমা কৰিবা। এনেকুৱা বোৰ কাম কৰিব পাৰিলে তোমাৰ শত্ৰুও মিত্ৰ হৈ যাব।

যি ক্ষমতা সম্পন্ন হৈও ক্ষমা কৰে আল্লাহতাআলাই তাকেই হে ভাল পায়।

তোমালোকে খঙ পৰিহাৰ কৰিবা, সি মানুহৰ মনত জুইৰ নিচিনা কাৰ্য্য কৰে; তোমালোকে দেখা নাইনে—যেতিয়া কাৰো খঙ উঠে তেতিয়া তাৰ কপালৰ শিৰবিলাক ফুলি উঠে, চকু ৰঙা পৰে। যেতিয়া কাৰো তেনেকুৱা অৱস্থা হয় তেতিয়া তাৰ উচিত যে খঙ মাৰ নোযোৱালৈকে সি শুই থকা।

যি মানুহে বিদ্যা লাভ কৰি তাৰ সুফল ভোগ নকৰে, তাৰ বিদ্যা পেৰাত ভৰাই থোৱা ধনৰ নিচিনা।

যি সকলে অতিৰঞ্জিত বা বিকৃত কৰি কোনো বিষয় বৰ্ণনা কৰে সেই সকল অধঃপাতে যায়।

সকলো মুছলমানেই দান কৰা কৰ্ত্তব্য। যদি দান কৰিবলৈ একো নাথাকে তেনেহলে দুই হাতে উপাৰ্জ্জন কৰক, ইয়াত আনৰো উপকাৰ আছে। যদি তাকো কৰিব নোৱাৰে তেনেহলে শোকত আতুৰ হৈ থকা মানুহক সান্ত্বনা দিয়ক। সেইটোও নোৱাৰিলে ভাল কাম কৰিবলৈ উপদেশ দিয়ক। তাকো নোৱাৰে যদি নিজক বেয়া কামৰ পৰা আঁতৰাই ৰাখক। সকলো ভাল কামেই দান কৰাৰ সমান পুণ্য কাম।

তোমাৰ সুকৰ্ম্মই যদি তোমাক সুখী কৰে আৰু তোমাৰ কুকৰ্ম্মই যদি দুখী কৰে তেনেহলে জানিবা যে তোমাৰ ইমান, অৰ্থাৎ ধৰ্ম্মত বিশ্বাস, আছে। যিটো কাম কৰিবলৈ মনটোৱে ইফাল সিফাল কৰে কেতিয়াও সেই কামটো নকৰিবা।

পাপ প্ৰবৃত্তি স্বাভাৱিক, এনেস্থলত যি পাপী অনুতপ্ত হয় সিয়েই হে পাপীবিলাকৰ ভিতৰত ভাল মানুহ।" *

এম, মোছলেহ উদ্দিন আহমদ।

---

* হজৰত মহম্মদৰ (দঃ) পবিত্ৰ মুখৰ পবিত্ৰ বাণী।

---



# বিলাতৰ কথা।

মিষ্টাৰ মিচেলবোৰৰ বয়স প্ৰায় ৬৫।৭০ বছৰমান আছিল কিন্তু তেওঁ খোজ কঢ়াত বেছ পটু আছিল। তেওঁৰ লগতে খোজ কাঢ়ি Whitstone House লৈ গলোঁ। বাকচটো পাছত এটা কুলীয়ে (Porter) এখন সৰু গাৰীত (Wheel barrow) কৰি ঘৰলৈ লৈ গ'ল। তাক ছপেনী কি এক খিলিং দিছিলোঁ। ৰেলৰ ষ্টেশনত কুলীবোৰক বিলাতত পোৰ্টাৰ কয়। সিহঁতক গাড়ীৰ পৰা ৰেলত বস্তু তুলি দিলে ছপেনীৰ কম দিয়া নেযায়। যিমান বেছি লগেজ তিমান বেছি পইছা দিব লাগে। মই তাৰ গাৰ্ডবোৰক দুপেনী চাৰি পেনী বক্‌ছিচ দিছোঁ কিন্তু আমাৰ এই দেশৰ ফিৰিংগী কি য়ুৰোপীয় গাৰ্ড-বোৰক দু অনা চাৰি অনা বক্‌ছিচ দিলে সিহঁতে চাটো ঘুৰিকেই নেচায়। তাৰ গাৰ্ডবোৰে "গাৰ্ড" বুলি নিজক জানে; ইয়াৰ তেনে অৱস্থাৰ মানুহবিলাকে নিজক অৱস্থাত কৈ বহুত ডাঙৰ ভাবে। পাছ পাই ইয়াৰ ৰেলৰ য়ুৰোপীয় কি ফিৰিংগী কৰ্ম্মচাৰীয়ে দ্বিতীয় শ্ৰেণীৰ তলত নুফুৰে। হাওড়াৰ পৰা কছোলিলৈ যাওঁতে আৰু সিদিনা ছিমলালৈ যাওঁতেও দেখিলোঁ যে গাৰ্ডটো আমাৰ গাড়ীত (দ্বিতীয় শ্ৰেণীত) বেছ সুন্দৰৰূপে শুই পৰি গ'ল, কেৱল মাথোন ষ্টেশান পাওঁতে নামি চাকি দেখুৱাইছিল। এনে এটা কথা বিলাতৰ এখন ৰেলত হব নোৱাৰিলে হেতেন।

Whitstone House পাই আমাৰ দেশীয় মিঃ ডাডাক দেখিলোঁ। মিচেলবোৰ পৰিয়ালৰ এই কেইজনক দেখিলোঁ— মিছেচ্ মিচেলবোৰ বয়স ষাঠি মান, প্ৰফুল্ল মুখ, মূৰত সদাই টুপী (আমাৰ ৰাজভক্তা নাম লোৱাৰ যোগ্যা মহাৰাণী ভিক্টোৰিয়াৰ ছবিত মাজে মাজে যে মহাৰাণীক বগা টুপী পিন্ধি থকা দেখা যায়, তেনে টুপী) চুলি বগায়েই মাজে মাজে ক'লা। তেওঁলোকৰ এই কেইজনী ছোৱালী, এনি বয়স ৩০।৩৫, কেট্ বয়স ২০।২২, উইনী ১৫।১৬, এমি ১৪।১৫। তেওঁলোকৰ লগত এজন সম্পৰ্কীয়া আনবয়সীয়া মহিলা থকাও মনত পৰে। মই যি সময়ৰ কথা লেখিব লাগিছোঁ (১৮৯৬) তেতিয়া পেইণ্টন্ হব ধৰিছে কে মাথোন। (অৰ্থাৎ ডাঙৰ চহৰ হব ধৰিছিল।)

তাত সেই কেদিন বৰ আনন্দেৰে কটাইছিলো। আমি ভাৰতবৰ্ষীয় চাৰি জন আছিলো। মেজৰ সিংহ পাছত হৈছিল। মেজৰ এন্, সি, সিংহ

(এতিয়া কৰ্ণেল) মিঃ ভাভা, মিঃ সুকুমাৰ সেন আৰু মই। মেজৰ সিংহক মিছ্ ম্যানিঙৰ ঘৰত ছুবাৰ এবাৰ দেখিছিলোঁ। মিঃ ভাভাক সেয়ে প্ৰথম দেখা। তাতৈ কেদিন মানৰ নিমিত্তে "Merry go round" (কাঠৰ ঘোড়া ইত্যাদিৰ ওপৰত উঠি ঘুৰা—কলিকতাত এইবোৰ দেখা যায়। সিদিনা গুৱাহাটীতো ছুৰ্গীয়াৰ ছুৰ্গী অৱস্থাৰে এড্ ৱাৰ্ড গলাইছিল। অৱশ্যে চলাওঁতা অসমীয়া নহয়) গৈছিল তাত যে ইমান ঘুৰিছিলো। আমাৰ Whitstone House ৰ মানুহ সকলো ঘুৰিছিল। কি ফুৰ্ত্তি। তেনে মনৰ আনন্দ এতিয়া কেতিয়াও নহয়। ঘৰলৈ আহি দেখিলোঁ কেৱল ঘুৰাতেই আৰু ই সি অলপ চৰপ কিনোতেই দহ চিলিং খৰচ গ'ল। আনন্দ কৰ্ত্তেকৰ নিমিত্তে মাথোন অলপ মলিন হ'ল।

আৰু এদিন আমি কেউজনে Torquay লৈ (টৰ্কি) জাহাজেৰে গৈছিলোঁ। সেই দিনা ১৮৯৬ চনৰ তিনি ছেপ্টেম্বৰ আছিল। ঠিক এবছৰ আগেয়ে কলিকতা এৰিছিলোঁ। চহৰ খন ফুৰি চালো। তাৰ পাছত বহুত বাৰ টৰ্কিলৈ পেইন্টনৰ পৰা গৈছোঁ। আমি আগেয়ে নিজৰ নিজৰ খৰচ দিছিলো। চাহ মেজৰ সিংহই এটা সেইবাৰ ঘুৰালে। ছদিন কি এদিন "পিক্‌নিক্" কৰিবলৈ এমাইল কি ছমাইল মান গৈ এখন পথাৰত 'black-berry' গছৰ পৰা তুলিছিলো। লগত চাহৰ সকলো বন্দবস্তই আছিল। মিচেলমোৰ পৰিয়ালৰ ছোৱালীবোৰ আৰু তেওঁলোকৰ চিনা জনা আৰু ছজন তিনি জন মান লৰা ছোৱালী গৈছিল। সেই দিনাও আনন্দ। এজনে riddle শোধে আন জনে উত্তৰ দিয়ে, কোনোৱে বা দৌৰা দৌৰি কৰে, কোনোৱে এনেয়ে গপ পাতে, কোনোৱে আকৌ মনৰ বঢ়ত এনেয়ে হাঁহে। লৰা কাল স'চাকৈয়ে কি সুখৰ।

মই ফুলত ছুবাৰ এবাৰ বাইছিকিলত উঠিবলৈ চেষ্টা কৰিছিলোঁ। তাৰ পাছত পুন উঠিছিলোঁ। পেইন্টনতে এক ৰকম চাবলৈ গ'লে বাইছিকিল উঠাৰ হাতত ফলি ললোঁ। মিঃ ভাভাই শিকাইছিল, তাৰ পাছত অকাই পকাই ঘোৰাই ঠৈজ পাৰ হওঁতে ভাভাই কলে যে মই এতিয়া বাইছিকিল উঠিব পৰা হলো। কিন্তু মোৰ মনে আন ৰকম কৈছিল। পাছত এদিন আবেলি ঠিক হ'ল যে মিছ্ মিচেলমোৰ ভাভা, আৰু মই বাইছিকিলত উঠি ফুৰিবলৈ যাম। মোৰতো বাইছিকিল নাছিল পাছত এখন কেৰেয়া



কৰিলোঁ। সেই ঠোথৰ অলপ Up hill আছিল, যেনে গুৱাহাটীৰ উজানবাজাৰ ওচৰৰ বাটখিনি। আপ্ হিল্ উঠাটো টান, সেই দেখি ছুই তিনি বাৰ চেষ্টা কৰি বিফল মনোৰথ হলোঁ। ভাভাই কলে এবাৰ এই খিনিতে উঠি ঠেগুনৰ ফাললৈ ঘোৰাৰ পাছত এবাৰ উঠিব পাৰিলে আৰু একো ভয় নাই। যি ঠোখৰ পৰা মোক উঠিবলৈ কলে সেই ঠোখৰেই ওপ বাট ঠোখৰৰ মুখ, তাৰ পৰা তললৈ যোৱা একো টান নহয়। উঠিলো। উঠি বাইছিকিলৰ পেডেলত ভৰি দিওঁতেই গাড়ী আৰু ৰথাৰ নোৱৰা হলোঁ। গাড়ী উৰি গ'ল। ভাভাই বাটত ৰৈ দি চাইছিল আৰু চিঞৰি বহুত বাৰ কৈছিল " jam the brake." আৰু জেম দি ব্ৰেক !! মই ব্ৰেক ক'ত তাকে নেজানো। মই ভাভাক চিঞৰি মোৰ অৱস্থাৰ কথা কলোঁ। তলতে ৰেলৰ লাইনৰ "ক্ৰছিং" (যেনে গুৱাহাটীৰ বাটশোৰত দেখা যায়।) ভাগ্যক্ৰমে সেইটো খন বন্ধ আছিল। বাইছিকিল অলপ ঘুৰাই লৈ এখন দেৱালত খুন্দা খুৱালোঁগৈ। ভগবানৰ ইচ্ছাত মোৰ একো নহল কিন্তু বাইছিকিল খন অলপ জখম হৈছিল। কোনোবাই শোধা মনত নাই, শুনিছিল হবলা, " Did you break the wall sir "-মই আৰু সিদিনা ফুৰিবলৈ নগলো। লাহেকৈ দোকান খনত বাইছিকিল খন ওভতাই দিলো। দোকানদাৰে সকলো দেখিলে হবলা " well sir not going for a ride ?" মই অপ্ৰস্তুতৰ হাঁহি হাঁহি, কি অলপ বে-পৰোৱা হাঁহি হাঁহি, কি তাৰে মাজা মাজি হাঁহি হাঁহি কলো যে well I have changed my mind, I won't go for a ride this afternoon" দোকানদাৰে চাই চিন্তি কলে " I shall have to send you a bill, sir for the damage" মই হাঁহি উৰাই দিয়াৰ দৰে কৰি " good afternoon " কৈ গুচি আহিলো। পাছত সাত চিলিং ছয় পেনীৰ বিল এখন আহিছিল। কিমান দিছিলো মনত নাই, আটাই খিনিয়েই নিশ্চয়।

এদিন এটা পুৰণা Castle খৃষ্টীয় ত্ৰয়োদশ শতাব্দীৰ বোধ কৰো, গোৰু কাঢ়ি চাবলৈ গৈছিলো। ৫। ৬ মাইল মান দূৰৈত। সেই প্ৰাসাদ এতিয়া ভগ্নাবস্থাত। তাত চাগে কিমান হত্যা, প্ৰণয় ইত্যাদি সাংসাৰিক কাহিনী ঘটিত হৈছিল। হত্যা কৈছো, কিয়নো কিতাপ চিত্ৰাপত হত্যা, অত্যাচাৰ প্ৰেম, এই বোৰ হে পুৰণা প্ৰাসাদৰ বিষয় পঢ়িলে পোৱা যায়।

গার্ড'ৰ সক সক ছোৱালীবোৰে পইচা খুজিবলৈ ল'নি আহিছিল। আমাক ভাৰতবৰ্ষীয় দেখি খুব ডাঙৰ মানুহ বুলি ভাবিছিল। সেইয়ে দেখি ছোৱালীবোৰে (কামাখ্যাৰ কুমাৰীহঁতৰ দৰে ডাঙৰ) "goodmorning sir ৰ লগত আঠু অলপ দোঁৱাই Curtsey কৰিছিল। আমি দুটা এটা পেনী নিশ্চয় দিছিলো। Castle ৰ Caretaker কো অলপ পইচা দিছিলো। টকাই সকলো বাট সহজ কৰি দিয়ে কিন্তু টকাৰ মৰম কেইজনে কৰো হক।

শ্ৰীজ্ঞানদাভিৰাম বৰুৱা।

---

# শ্ৰীশঙ্কৰ-মাধৱদেৱৰ সাহিত্যৰ বিষয়ে দুটিমান কথা।

## পাতনি।

সাহিত্যৰ সোৱাদ বুজা মানুহৰ এটি বেলেগ শক্তি। এই শক্তি যিমানেই পৰিপাক হৈ আছে সিমানেই সাহিত্যৰ অমিয়া সুধত মজি মানুহে পৰম সন্তোষ লাভ কৰিব পাৰে। সাহিত্য ভঁৰালৰ পৰা সকলোৱে মৌ গ্ৰহণ কৰিব নোৱাৰে। বহুত শাস্ত্ৰ পঢ়ি পণ্ডিত হলেও সাহিত্যৰ আস্বাদ লবলৈ বহুতৰ ভাগ্যত নঘটে। অথচ সামান্য শিক্ষাৰ গুণত আৰু স্বাভাবিক শক্তিৰ প্ৰভাৱত কোনো কোনোৱে সাহিত্যৰ আউভাও সহজে বুজিব পাৰে। কিয়নো সাহিত্য হৃদয়ৰ বস্তু, অন্তৰৰ বস্তু। যেয়ে এই অন্তৰতম বস্তুক সাধাৰণ কৰি লব পাৰিছে তেঁৱেই সাহিত্যিক বুলি পৰিচয় দিব পাৰিছে। যি মনোৰঞ্জিত ভাব আৰু চিন্তাই মানৱ হৃদয়ত বিমল আনন্দ অনুভৱ কৰাই দিয়ে সেয়ে সাহিত্য। সাহিত্যৰ অৰ্থ হৈছে সংগ্ৰহ বা মিলন। মানুহৰ স্বাভাৱিক চিন্তা আৰু মনৰ গতি যেতিয়া উৎকৃষ্ট ভাৱৰ লগত মিলন হৈ ভাষাৰে প্ৰকাশ হয় তেতিয়া সাহিত্যৰ বিকাশ, তেতিয়া সাহিত্যৰ জন্ম। বহুত ভাষা জানিলে, বহুত শব্দ জানিলে, শব্দৰ বহুত অৰ্থ জানিলে, নাইবা ব্যাখ্যাৰ সময়ত বিশেষ পাণ্ডিত্য দেখুৱালে সাহিত্যৰ ভাব বুজা নহয়। ভাৱৰ লগত শব্দৰ মিলন, চিন্তাৰ চৌৰ লগে লগে বাক্যৰ মাধুৰ্য্য, ভাষাৰ লালিত্য, শব্দৰ ঝঙ্কাৰ, চিন্তাৰ পৰিপাটি আৰু হৃদয় আকৰ্ষণী মনোৰঞ্জিত কথাতহে সাহিত্যৰ শোভা প্ৰকাশ হয়। সাহিত্য মহামহা মুনি, মহাত্মা আৰু



চিন্তাশীল মনীষি লোকসকলৰ উৎকৃষ্ট ভাব আৰু চিন্তাৰ সমষ্টি। সেই কাৰণে সাহিত্য পাঠ কৰা সময়ত পাঠকে মহৎলোকৰ সংসৰ্গত পৰম তৃপ্তি লাভ কৰি নিজকে নিজে ধন্য মানে আৰু এই সংসৰ্গত পাঠকৰ বুদ্ধি বৃত্তি আৰু শক্তি অনুসাৰে সৎচিন্তা, সৎকথা আৰু সৎভাব গ্ৰহণ কৰে আৰু কৰাও উচিত, নহলে পাঠকৰ গতি বিকৃতি হবৰ সম্ভৱ। কোনো সাহিত্যৰ যিমান খিনি ভাব পাঠকে গ্ৰহণ কৰিব পাৰে, সিমান খিনিহে পাঠকে গ্ৰহণ কৰা যুগুত; তাকে নকৰি বেছিকৈ গ্ৰহণ কৰিবলৈ গলে চিন্তা এৰুপাক হব। সাহিত্যত যিবোৰ ভাব নিহিত আছে সেই ভাবৰ কণিকা মাত্ৰও সাহিত্য পাঠ কৰিবলৈ যোৱাৰ আগেয়ে পাঠকে নিজৰ হৃদয়ত সকাৰণ কৰি লোৱা বিশেষ আৱশ্যক আৰু সাহিত্য পাঠৰ লগে লগে সেই কণিকা ভাৱক বঢ়াই সাহিত্যৰ মৰ্ম্ম বুজিবলৈ চেষ্টা কৰা যুগুত। কোনো ডুংগৰ পৰ্ব্বতত উঠিব লাগিলে যেনেকৈ খট্‌খটি কাটি লাহে লাহে ওপৰলৈ উঠিব পাৰি আৰু তেনে নকৰি যদি একেবাৰে উঠিবলৈ চেষ্টা কৰা যায় তেনেহলে উঠোঁতা জনৰ বৰ ভাগৰ লাগিব আৰু বেছি ওপৰলৈ উঠিব নোৱাৰিব আৰু তাৰ লগে লগে হতাশ হৈ পৰিব; চিন্তাৰ চৌ, ভাবৰ গতি আৰু মনৰ উৎকৰ্ষতা লাহে লাহে তেনেকৈ তলৰ পৰা ওপৰলৈ নিয়াহে নিতান্ত আৱশ্যক নহলে সকলো অস্বভাবিক হৈ পৰিব।

কোনো কোনো সাহিত্যিক আৰু মনীষিসকলে কয় যে সাহিত্যত যি ভাব নিহিত আছে পাঠকৰ ভাব সেই ভাৱৰ সমান নহলে পাঠকে সাহিত্য বুজিব নোৱাৰে। বুদ্ধি আৰু চিন্তাৰ গতি সমান নহলে সাহিত্য পাঠ কেৱল অৰণ্যে ৰোদন কৰাৰ নিচিনা।

কিন্তু এই কথাত কোনো কোনো লোকৰ সন্দেহ আছে। সাহিত্যৰ ভাব আৰু চিন্তাৰ লগত যদি পাঠকৰ বুদ্ধি বৃত্তি সমান হয় তেনে হলে পাঠকে মিছাতে সাহিত্য পঢ়ি সময় নষ্ট কৰাৰ কোনো আৱশ্যক নকৰে। কিয়নো সাহিত্যত যি ভাব আৰু চিন্তা আছে, পাঠকৰ গাতো সেই ভাব আৰু সেই চিন্তা আছে। গতিকে ওপৰৰ কথা সমৰ্থন কৰিবলৈ গলে পঢ়াত বা শিক্ষাত বাধাত জন্মে। ভকত ভগৱন্তৰ সমান হব নোৱাৰে অথচ ভকতে ভগৱন্তক সেৱা স্তুতি নকৰাকৈ থাকিব নোৱাৰে। ভগৱন্তৰ অনন্ত শক্তিৰ এটি অণু পৰমাণুৰ সমানো শক্তিৰ প্ৰভাৱৰ যৎসামান্য বুজিব পাৰিলেই ভকতে নিজৰ জীৱন সাৰ্থক বুলি ভাবে। শক্তি অনুসাৰে ভকতে বিধিনি ভাব গ্ৰহণ কৰিব পাৰে সেয়ে ভকতৰ পৰম

আদৰৰ ধন। সেইদৰে বিখ্যাত গ্ৰন্থকাৰৰ সাহিত্য পাঠ কৰোঁতে অসুলভ পাঠকে নিজৰ ক্ষুদ্ৰ মতি-অনুসাৰে যি যৎসামান্য ভাব লব পাৰে সেয়ে তেওঁৰ পক্ষে শ্ৰেয়ঃ বুলি ভাবে। গ্ৰন্থকাৰে সাহিত্যত মাজত :এনে কেতবিলাক ভাব লুকাই ৰাখে যে তাক শব্দৰ অৰ্থ কৰি বাহিৰ কৰা সকলোৰে পক্ষে টান। সাহিত্যৰ শাৰিয়ে শাৰিয়ে, পাতে পাতে, গভীৰ ভাব আছে, চিন্তা আছে। পাঠকৰ বুজনি শক্তিৰ ক্ষমতা অনুসাৰে যি সামান্য বুজিব পাৰে তাতে সন্তোষ থকা পাঠকৰ শ্ৰেয়ঃ আৰু এই পথেই মধ্যম। মধ্যম পথেই সোণোৱালী পথ; সাধাৰণৰ পক্ষে এই সোণোৱালী পথেই অৱলম্বনৰ উপযোগী।

যি বাক্যত শব্দৰ ঝঙ্কাৰ আছে, যি বাক্য সুশ্ৰাব্য, যি বাক্যত মধুৰতা আছে, যি বাক্যত ভাষাৰ লালিত্য আছে, যি বাক্যত চিন্তাৰ ঢৌ পৰিপাটিকৈ পৰিচালনা কৰা আছে, যি বাক্যই মানুহৰ মন প্ৰাণ ৰঞ্জিত কৰি তুলিব পাৰে আৰু যি বাক্যই মানুহৰ অন্তৰত প্ৰেম-ভাব জন্মাব পাৰে—সেই বাক্যই কাব্য আৰু সেই বাক্যই সাহিত্য। সাহিত্যই মানুহৰ মন সদায় প্ৰফুল্লিত কৰি মানুহক উৎকৃষ্ট ভাব আৰু গৱেষণাৰ পথিক কৰি তোলে। সাহিত্য আনন্দৰ মঠ। ইয়াতে কোনোৱে কব পাৰে যে সাহিত্য আনন্দৰ বস্তু বুলি আগেয়ে কোৱা হৈছে, গতিকে মানুহৰ অন্তৰত যে কেৱল সন্তোষৰ হে ভাব, আনন্দৰ হে ভাব আছে এনে নহয়, মানুহৰ অন্তৰত শোক ক্ৰোধ আদিৰ ভাবো আছে। পিছে যি বাক্যই মানুহক সন্তোষ দিব পাৰে সেয়ে হে সাহিত্য, আন ভাব থকা বাক্যবোৰত জানো সাহিত্য নাই? বাস্তৱতে কথাটো ভাবিব লগীয়া। কিন্তু সূক্ষ্ম বিচাৰ কৰি চালে কথাটো বিশেষ টান নহয়। শোক ক্ৰোধ, ভয় আদি ভাব থকা বাক্যও সাহিত্য, যদি তাত সাহিত্যৰ গুণ আছে; আৰু আনন্দজনক বাক্যও সাহিত্য নহয়, যদি তাত সাহিত্যৰ গুণ নাথাকে। কিন্তু সাহিত্যত যি আনন্দৰ কথা কোৱা হৈছে, সি উপলব্ধৰ আনন্দ নহয়, সি চিৰন্তন, স্থায়ী আনন্দ। সেয়ে হলেও শোক ক্ৰোধ ভয় আদিৰ মাজতো আনন্দ আছে। শোকৰ মাজতো আনন্দৰ ভাব মিহলি হৈ আছে। গতিকে শোকৰ কথাতো সাহিত্যৰ বিকাশ। বনৰ মাজত সীতা দেৱীৰ বিলাপ শুনিলে কোনে চকুৰ পানী নুটুকিব? দুঃশাসনে দ্ৰৌপদীক অপমান কৰা কথা পঢ়িলে কাৰ গাত নাজ্বলিব? সভাৰ মাজত দ্ৰৌপদীৰ বিবস্ত্ৰ কাণ্ড পঢ়িলে কাৰ গা



উঠে? অথচ এইবিলাক বাক্য পঢ়াতো পাঠকে আনন্দ পায়, নহলে সুৰ লগাই লগাই গাব নোৱাৰিলে হেঁতেন। এই দুখ শোকৰ ভিতৰতো পাঠকে আনন্দ ভোগ কৰিব পাৰিছে আৰু এই সুখ ভোগ কৰা পাঠকৰ স্বাভাবিক গুণ। কিয়নো আনন্দৰ অভিমুখী মানুহ মাত্ৰেই। মানুহ আনন্দতেই জন্মিছে, আনন্দতেই লীলা খেলা কৰিছে আৰু আনন্দতেই লয় হৈছে। আনন্দমুখী হোৱা জীৱৰ অন্তৰতম গুণ। গতিকে শোক দুখ ভয় ক্ৰোধৰ বাক্যতো মানুহে আনন্দ অনুভৱ কৰিব পাৰিছে আৰু পাৰে। বাক্য ৰস, ভাব, গুণ, অলঙ্কাৰ, সুৰচিত, সুগঠিত, সুললিত সুমধুৰ, সুশ্ৰাব্য আৰু সন্তোষপূৰ্ণ হলে হে সাহিত্যৰ সৌন্দৰ্য্য বিকাশিত হয়। সাহিত্যৰ প্ৰধান উপাদেয় বস্তু ৰস। ৰস নৱ প্ৰকাৰ। নৱ ৰস। এটা ৰস থাকিলেই সাহিত্য উৎপত্তি হব। গোটেইবোৰ ৰস থাকিলে সাহিত্যৰ গুণৰ কথাই নাই। এক করুণ ৰস বাল্মীকিৰ হৃদয়ত ওপজোঁতেই মহাকাব্য ৰামায়ণ তেওঁৰ মুখৰ পৰা ওলায়। করুণ ৰসত বাল্মীকিৰ হৃদয় দ্ৰবীভূত নহলে বোধকৰো, অনুষ্টুপীয়া ছন্দ উৎপাদন কৰা শক্তি তেওঁ নাপালে হেঁতেন আৰু মানুহেও ৰামায়ণ পঢ়ি সুখ ভোগ কৰিবলৈ নাপালে হেঁতেন। এক মাত্ৰ করুণ ৰস অন্তৰত বিকাশ হওঁতেই বাল্মীকিৰ মুখত নানা তৰহৰ ছন্দ ওলাল আৰু নতুন কাব্য-গ্ৰন্থ কাঢ়িলে, নতুন সাহিত্য সৃষ্টি কৰিলে।

প্ৰত্যেক মানুহৰ অন্তৰত আনন্দ, শোক, ক্ৰোধ, ভয়, লাজ, আদি কিছুমান স্থায়ী ভাব আছে। আৰু এই ভাববোৰে সদায়, স্থায়ীৰূপে মানুহৰ অন্তৰ অধিকাৰ কৰি থাকে। কিন্তু সময়ে সময়ে এই ভাববোৰ জাগি জাগি উঠে। নিজম পানীত যেনেকৈ কোনো বস্তু পৰিলে ঢৌ উঠে, তেনেকৈ কোনো উপসৰ্গৰূপ ঘটনা ঘটিলে স্থায়ী ভাববোৰ বিচলিত হৈ উঠে। কোনো এখন ভাল ৰচনা পঢ়িলে, কোনো এটি সুললিত গীত শুনিলে, কোনো মনোহৰ বস্তু দেখিলে স্থায়ী ভাববোৰে অন্তৰত উথলমাথল লগাব ধৰে। এই দৰে স্থায়ী ভাববোৰ যেতিয়া কাৰ্য্যকাৰণ আৰু সাধাৰণৰূপে উপলব্ধি কৰিব পৰা হয় তেতিয়া মানুহৰ অন্তৰ দ্ৰবীভূত হয়, হৃদয় আনন্দত পুলকিত হয়, মন প্ৰফুল্ল হয়। আৰু তেতিয়াহে ৰস উপভোগৰ শক্তি বিকাশিত হৈ অন্তৰত ৰস আস্বাদন কৰিব পাৰে। এই ৰস নৱ ৰকম বুলি আগেয়ে কোৱা হৈছে যেনে বীৰ, করুণ, শৃঙ্গাৰ, অদ্ভুত, ৰুদ্ৰ, ভয়ানক, হাস্য,

বীভৎস আৰু শান্ত ৰস। মানুহৰ হৃদয়ৰ স্থায়ী ভাবৰ পৰা এই ৰসবিলাকৰ উৎপত্তি। উৎসাহ এই স্থায়ী ভাবৰ পৰা বীৰ ৰসৰ উৎপত্তি। শোকৰ পৰা করুণ, অনুৰাগৰ পৰা শৃঙ্গাৰ, ক্ৰোধৰ পৰা ৰুদ্ৰ, ভয়ৰ পৰা ভয়ানক, হাঁহিৰ পৰা হাস্য, লাজৰ পৰা বীভৎস, বিস্ময়ৰ পৰা অদ্ভুত আৰু শমৰ পৰা শান্ত ৰসৰ উৎপত্তি।

বীৰ ৰসৰ উৎসাহ স্থায়ী ভাব। এই বীৰ ৰসক আমি বেলেগ বেলেগ ঠাইত বেলেগ বেলেগ দেখো ; যেনে দয়া, ধৰ্ম্ম, দান, যুদ্ধ। কোনো এজন মানুহক বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ যি উৎসাহ জন্মে সেই উৎসাহৰ পৰা দয়া আহে। ধৰ্ম্মকাৰ্য্যত উৎসাহ জন্মিলে ধৰ্ম্মবীৰ, দানত উৎসাহ হলে দাতাবীৰ আৰু যুদ্ধত উৎসাহ হলে যুদ্ধবীৰ। আত্মীয় এজন মৰিলে নাইবা কোনো অনিষ্ট ঘটিলে শোক উদয় হয় আৰু এই শোকৰ পৰা করুণ ৰস। কপালত দোষ দিয়া, মাটিত লুটি লুটি পৰা, বিলাপ কৰা, কন্দা, ঘনাই ঘনাই নিশ্বাস পেলোৱা, হুমুনীয়া কঢ়া ইত্যাদি এই ৰসৰ লক্ষণ। কোনো এটি আকস্মিক ঘটনা দেখিলে আৰু অলৌকিক কথা শুনিলে বিস্ময় ভাব জন্মে আৰু এই বিস্ময়ৰ পৰা অদ্ভুত ৰসৰ উৎপত্তি। এই ৰসত মানুহৰ শৰীৰ ঘামে, চকু আধামুদা আধামেলা হয়, মাত থোকা হয় আৰু গাৰ লোমবোৰ থিয় হয়। যিকোনো কাৰণ হলেই মানুহৰ মনত ক্ৰোধৰ জন্ম। চকু ৰঙা, ভ্ৰূ কোঁচোৱা, দাঁত কামোৰা, হাত ভৰি কঁপা, মুখৰ বিকৃতি অৱস্থা আদিয়েই এই ৰসৰ লক্ষণ। জীৱনৰ আশঙ্কাজনক অৱস্থাত পৰিলে মানুহৰ মনত ভয় লাগে আৰু এই ভয়ৰ পৰা ভয়ানক ৰস জন্মে। ভয়ত মানুহৰ বুকু ধপ-ধপাব ধৰে, হাত ভৰি কঁপে, মুখ বিবৰ্ণ হয়। বিকৃতি আকাৰ, বিকৃতি ভাব, কুঁহতিয়া কথা, বহুৰূপীৰ ভেশ আৰু নানান ৰকম কৌতুহলজনক কথাৰে মানুহৰ হাঁহি তুলিব পাৰি আৰু এই হাঁহিৰ পৰা হাস্য ৰসৰ জন্ম। লাজৰ পৰা বীভৎস ৰস জন্মে। লাজত মানুহে নাকে মুখে হাত দিয়ে, জিভাত কামোৰ দিয়ে, চকু মোচে, মুখ বিননি যায়। পুণ্য আৰু পবিত্ৰ স্থানত উপস্থিত হলে, তীৰ্থ দৰ্শন কৰিলে আৰু মহাত্মা মহাপুৰুষ আদি দেখিলে মানুহৰ মনত শম ভাব ওপজে। এই শম ভাৱেই শান্তৰসৰ মূল। মৰম বা আদৰৰ বস্তু দেখিলে মানুহৰ অনুৰাগ হয় আৰু এই অনুৰাগতেই শৃঙ্গাৰ ৰস। বেলেগ বেলেগ ঠাইত অনুৰাগৰ বেলেগ বেলেগ আকৃতি হয়। সন্তানৰ প্ৰতি



পিতৃমাতৃৰ যি অনুৰাগ, সি স্নেহ। স্বামী স্ত্ৰীৰ ভিতৰত যি অনুৰাগ সি প্ৰেম। ভগৱন্তৰ প্ৰতি ভকতৰ যি অনুৰাগ সি ভক্তি। এই দৰে এক অনুৰাগৰ পৰা বেলেগ বেলেগ ৰস উৎপত্তি হয় আৰু প্ৰত্যেকটিকেই শৃঙ্গাৰ ৰস বোলা হয়। এই ৰসত মানুহৰ মন আনন্দেৰে ভৰে, মুখ প্ৰফুল্ল হয়, সন্তোষত অন্তৰ নাচি নাচি উঠে। জগতত আনন্দৰ ৰূপ মাত্ৰ দেখে। ভগৱন্তৰ প্ৰতি ভকতৰ যেতিয়া অনুৰাগ প্ৰবল হৈ উঠে তেতিয়া ভকতৰ অৱস্থা বৰ্ণনা কৰা টান। তেতিয়া ভকতে ভগৱন্তৰ ৰূপত মগ্ন হৈ সকলোতে তেওঁৰ প্ৰতিমূৰ্ত্তি দেখি জীৱন চৰিতাৰ্থ কৰে। স্ত্ৰীয়ে স্বামীৰ অনুৰাগত অন্তৰ প্ৰেমময় কৰি বিমল আনন্দ উপভোগ কৰে। পিতৃমাতৃয়ে সন্তানৰ মুখচন্দ্ৰ দেখি হৃদয়ৰ কমল ফুলিবলৈ এৰি দিয়ে। এইদৰে শৃঙ্গাৰ ৰসত মানুহে পাত্ৰ ভেদে বেলেগ বেলেগ সুখ অনুভৱ কৰি জীৱন চৰিতাৰ্থ কৰে।

এই নৱৰস যি সাহিত্যত পূৰ্ণভাৱে বিকাশ হৈছে সেই সাহিত্য সৰ্ব্বাঙ্গ সুন্দৰ আৰু সকলোৰে প্ৰিয় হয়। বাস্তৱতে তেতিয়াহে সাহিত্যৰ সৌন্দৰ্য্য উপচি পৰে। সাহিত্য পাঠ কৰাৰ সময়ত পাঠকে এই ভাববোৰৰ প্ৰতি বিশেষ চকু ৰখা উচিত, নহলে সাহিত্যৰ মৰ্ম্ম ভেদ কৰা কঠিন হয়। বাস্তৱতে যি সাহিত্যক ভাব আৰু চিন্তাত পৰিপাটীকৈ সজাই নৱৰসেৰে আপ্লুত কৰি ৰখা হৈছে সেই সাহিত্য পাঠ কৰাৰ লগে লগে পাঠকৰ অন্তৰৰ ভাব উত্তেজিত কৰে আৰু পাঠকক চিন্তাশীল কৰি তোলে। এতিয়া এইবিলাক ভাব মনত লৈ শঙ্কৰ মাধৱৰ সাহিত্য ক্ষেত্ৰলৈ নামি যোৱা যাওক। এই ক্ষেত্ৰত মানুহৰ অন্তৰৰ তৃপ্তি সাধন সম্পূৰ্ণভাৱে হব বুলি আশা কৰা যায়।

শ্ৰীহৰমোহন দাস।

---

## বেদান্ত ব্যাখ্যা।

" গৌণশ্চেন্নাত্মশব্দাৎ "— ॥ ৬ ॥

পদচ্ছেদ,—গৌণঃ ( মুখ্যাৰ্থবোধক নহয় ) চেৎ ( যদি কব খোজা ) ন (নহয়, কব পৰা নেযায়) আত্মশব্দাৎ ( আত্মশব্দৰ প্ৰয়োগ থকা হেতুকে। )

অনুবাদ—"তৎ ঐক্ষত" তেওঁ আলোচনা কৰিছিল, এই থলত ঈক্ষণৰ (জ্ঞানাৰ্থক ঈক্ষ ধাতুৰ) প্ৰয়োগটোক গৌণ বুলি কওঁ? নহয় তাক কব নোৱাৰি, যি হেতুকে ইয়াত আত্মশব্দৰ প্ৰয়োগ আছে।

ভাবাৰ্থ,—এতিয়া প্ৰশ্ন হব পাৰে যে এই পলত চেতন বস্তুত সম্ভৱ হোৱা মুখ্য (যথাৰ্থ) ঈক্ষণৰ কথা কোৱা নাই, কিন্তু প্ৰধানত সম্ভৱ হোৱা গৌণ ঈক্ষণকেই কৈছে কাৰণেই সেই ঈক্ষণটো "সেই তেজঃ ঈক্ষণ কৰিলে, সেই জল ঈক্ষণ কৰিলে" ইত্যাদি গৌণ বা অমুখ্য ঈক্ষণৰ লগত একেলগে পাঠ কৰা হৈছে। অভিপ্ৰায় এই যে, তেজঃ আদিৰ ঈক্ষণ যেতিয়া মুখ্য বা যথাৰ্থ ঈক্ষণ (জ্ঞান) নহয় তেতিয়া সেই প্ৰকৰণত থকা সংপদাৰ্থৰ 'ঈক্ষণেই' বা গৌণ অৰ্থাৎ অমুখ্য নহব কিয় ? দেখা যায় যে, অচেতনতো চেতন ধৰ্ম্মৰ উপচাৰ বা আৰোপ হৈ থাকে, যেনে—"ইমে তৰবঃ প্ৰজাভ্যঃ প্ৰদাতুং কামাইব পুষ্পিতাঃ" এই গছবিলাকে প্ৰজালোকসকলক ফুল দান কৰিবৰ নিমিত্তে হে যেন পুষ্পিত হৈছে। "ধানা সমূহ বৰিষণৰ প্ৰতীক্ষা কৰিছে" 'বণিগণৰ দ্বাৰাই শস্যবীজসকলে হৰ্ষ লাভ কৰিছিল।" এতেকে আগত কোৱা ঈক্ষণো গৌণ হে হব, মুখ্য নহয়। এনেকুৱা আশঙ্কা উঠাই তাৰ সমাধান কৰিবলৈ কৰ ধৰিছে "গৌণশ্চেৎ; ন আত্মশব্দাৎ"। পৰমাত্মাই সঙ্কল্প কৰিছিল যে 'হন্তাহমিমাস্তিস্ৰো দেৱতা অনেন জীৱেনাত্মনা অনুপ্ৰবিশ্য নামৰূপে ব্যাকৰবাণি'। (ছান্দোগ্যোপনিষৎ।)

অৰ্থাৎ, বাক, মই এই জীৱৰূপে অভ্যন্তৰত (ভিতৰত) প্ৰবিষ্ট হৈ এই তিনি দেৱতাক ( তেজঃ জল আৰু পৃথিবীক ) নাম আৰু আকৃতিৰে ব্যক্ত কৰিম। এই শ্ৰুতিৰ পৰা জনা যায় যে, পৰমাত্মাৰ ভিতৰত প্ৰবেশ হেতুকেই তেজঃ প্ৰভৃতি পদাৰ্থসকল স্বত্ব লাভ বিষয়ত আৰু বিশেষ বিশেষ সংজ্ঞালাভ বিষয়তে সমৰ্থ হৈছে। অতএব 'সেই তেজ আলোচনা কৰিলে, সেই জল সমূহ আলোচনা কৰিলে,' এইবিলাক ঈক্ষণোল্লেখো মুখ্যহে, গৌণ নহয়; সুতৰাং তেজঃ প্ৰভৃতিৰ ঈক্ষণৰ সহ পাঠ কৰা হেতুকে যে, 'তৎ ঐক্ষত' শ্ৰুতিৰ গৌণত্বশঙ্কা, সেইটো খণ্ডন কৰা হ'ল। এই সূত্ৰৰ এয়ে অভিপ্ৰায়— ॥ ৬ ॥

"তন্নিষ্ঠস্য মোক্ষোপদেশাৎ" ॥ ৭ ॥

পদচ্ছেদ —তন্নিষ্ঠস্য ( উপদেশ কৰা বিষয়ত নিযুক্ত থকা মানুহৰ ) মোক্ষোপদেশাৎ— ( যিহেতুকে মোক্ষ প্ৰাপ্তিৰ উপদেশ আছে। )

অনুবাদ— যিহেতুকে তন্নিষ্ঠ ( সেই বিষয়ত একাগ্ৰ ভাৱে থকা ) জীৱৰ মোক্ষ প্ৰাপ্তিৰ উপদেশ আছে, এতেকে সাংখ্যোক্ত 'প্ৰধান' 'সৎ' শব্দৰ প্ৰতিপাদ্য বা বাচ্যাৰ্থ হব নোৱাৰে।



ভাবাৰ্থ— 'তস্য তাবদেব চিৰং, যাবন্ন বিমোক্ষ্যে, অথ সম্পৎস্যে'—(ছান্দোগ্যোপনিষৎ)।

তাৰ (সেই আত্ম তত্ত্বজ্ঞ পুৰুষ) সেই পৰ্য্যন্তই পলম, অৰ্থাৎ মোক্ষ লাভৰ অপেক্ষা, যাবৎ (যিমান দিনলৈ) তেওঁৰ দেহত্যাগ নহয়, তাৰ পাছতে (দেহত্যাগৰ পিছতে) তেওঁ মুক্ত হয়। এই শ্ৰুতিত সেই সংপদবাচ্য জগৎ কাৰণত আত্মত্ব নিশ্চয় কৰোঁতা ব্যক্তিৰ মোক্ষ লাভৰ উপদেশ থকাৰ বাবে সংপদৰ অৰ্থ কেতিয়াও প্ৰধান হব নোৱাৰে। পৰন্তু, পৰব্ৰহ্মই সংপদৰ প্ৰকৃত ( আচল ) অৰ্থ। আৰু শ্ৰুতিবাদি পঢ়িলাতে অচেতন প্ৰধানকেই 'সৎ' পদেৰে উল্লেখকৰি পিছত সেই সংপদাৰ্থকেই চেতন শ্বেতকেতুৰ আত্মা বুলি উপদেশ দিলে হেতেন; তেনেহলে সৰলমন শ্বেতকেতুও শ্ৰদ্ধাৰ বশৱৰ্ত্তী হৈ সেই অচেতন প্ৰধানকেই আত্মাৰূপে গ্ৰহণ কৰি মহাভ্ৰমত পতিত হ'ল হেঁতেন; তাৰ ফলত মোক্ষ পথৰ পৰা বিচ্যুত (ভ্ৰষ্ট) এই অনৰ্থময় সংসাৰতেই নিক্ষিপ্ত হ'ল হেতেন। এতেকে কেতিয়াও প্ৰধানক ধৰা যাব নোৱাৰে ॥ ৭ ॥

"হেয়ত্বাবচনাচ্চ" ॥ ৮ ॥

পদচ্ছেদ—হেয়ত্বাবচনাৎ (এৰিবৰ নিমিত্তে উপদেশ নথকাৰ বাবে) চ (ও) [ প্ৰধান কেতিয়াও 'সৎ পদাৰ্থ হব নোৱাৰে ] অনুবাদ— সাংখ্যোক্ত প্ৰধানেই যদি জগৎ কাৰণ বুলি শ্ৰুতিৰ অভিপ্ৰেত হল হেঁতেন, তেনেহলে প্ৰধানত আত্মবুদ্ধি স্থাপন যেতিয়া মোক্ষৰ বিৰোধী, তেতিয়া নিশ্চয় তাক এৰি পেলাবৰ নিমিত্তে শ্বেতকেতুক উপদেশ কৰা হল হেঁতেন। কিন্তু তাৰ হেয়তা জ্ঞাপক একো উপদেশ নাই, এতেকে সি জগৎ কাৰণ হব নোৱাৰে।

ভাবাৰ্থ—ব্ৰহ্মবস্তুক যেনেকৈ সংসাৰী জীৱসকলৰহে হেয়ৰ উক্তি হৈ থাকে। বিশ্বকৰ্ত্তা ব্ৰহ্ম সগুণ হলে ব্ৰহ্মসাধনৰ উপদেশক বেদান্ত বাক্য সমূহে স্ত্ৰী পুত্ৰাদিৰ নিচিনা ব্ৰহ্মৰ হেয়তা (তুচ্ছত্ব) প্ৰতিপাদন কৰিলে হেঁতেন; কিন্তু বেদবাক্যত তাক কোৱা নাই। মুমুক্ষুসকলে জীৱৰ হে হেয়তা বৰ্ণনা কৰিছে। এই কাৰণেও 'সৎশব্দৰ অৰ্থ প্ৰধান হব নোৱাৰে, যি হেতুকে হেয়ত্ব বচন নাই; অৰ্থাৎ প্ৰধানেই 'সৎ' পদাৰ্থ হলে নিশ্চয়েই তাৰ আত্মত্ব ধাৰণা পৰিত্যাগৰ উপদেশো থাকিলে হেঁতেন; কিন্তু তেনে প্ৰকাৰ নথকাৰ বাবে বুজিব পৰা যায় যে, এই সৎ পদাৰ্থ প্ৰধান নহয়। ইয়াত প্ৰধানেই যদি 'সৎ' পদৰ বাচ্য জগৎ কাৰণ হল হেঁতেন, তেনেহলে মুমুক্ষু শ্বেতকেতুৰ পক্ষে তদাত্মত্ব অৰ্থাৎ প্ৰধানক

আত্মা বুলি যেতিয়া মোক্ষলাভৰ প্ৰতিকূল (বিৰোধী), তেতিয়া নিশ্চয়েই সেই প্ৰধানাত্ম ভাবক পৰিত্যাজ্য (হেয়) বুলিহে উপদেশ কৰা হল হেঁতেন; কিন্তু তেনে কৰা হোৱা নাই; বৰঞ্চ 'তৎ ত্বম্ অসি' 'তস্য তাবদেব চিৰং' ইত্যাদি বাক্যেৰে তাৰ উপাদেয়তাকে (গ্ৰহণ যোগ্যতাকে) উপদেশ কৰা হৈছে—॥৮॥

"প্ৰতিজ্ঞাবিৰোধাৎ" ॥৯॥ *

পদচ্ছেদ :—প্ৰতিজ্ঞাবিৰোধাৎ [ প্ৰতিজ্ঞায়াঃ ] (প্ৰতিজ্ঞাৰ) বিৰোধাৎ (বিৰোধ হেতুকে)।

অনুবাদ :—এই কাৰণেও 'প্ৰধান' 'সৎ' পদ বাচ্য হব নোৱাৰে; যি হেতুকে তেনেহলে প্ৰতিজ্ঞাৰ বিৰোধ হয়।

ভাবাৰ্থ :—সাংখ্যোক্ত প্ৰধানক জগৎ কাৰণ বুলিলে প্ৰতিজ্ঞা বিৰোধও হয়। কাৰণ, বাক্যৰ প্ৰাৰম্ভতে এক বিজ্ঞানেৰে সৰ্ব্ববিজ্ঞানৰ প্ৰতিজ্ঞা কৰা হৈছে; কাৰ্য্য আৰু কাৰণৰ অনন্যত্ব বা অভেদ হেতুকে কাৰণৰ স্বৰূপ 'সৎ' পদাৰ্থক বিশেষৰূপে জানিলেহে তাৰ কাৰ্য্য স্বৰূপ চেতনাচেতনময় এই জগৎ প্ৰপঞ্চ আৰু জনা যায়; এই ভাবেই সেই প্ৰতিজ্ঞাৰ উপপাদন বা সমৰ্থন কৰিব লাগিব। কিন্তু, প্ৰধানক কাৰণ বুলিলে, চেতন সমূহ যেতিয়া প্ৰধানৰ কাৰ্য্যই নহয়, তেতিয়া প্ৰধান বিজ্ঞানতে (অচেতন সমূহৰ বিজ্ঞান সিদ্ধ হলেও) চেতন সমূহৰ বিজ্ঞান আৰু সিদ্ধ নহয়; গতিকে এক বিজ্ঞানেৰে সৰ্ব্ব বিজ্ঞানৰ প্ৰতিজ্ঞাটো বিৰুদ্ধ হৈ পৰে। ৯।

"স্বাপ্যয়াৎ" ॥১০॥

পদচ্ছেদ :—স্বাপ্যয়াৎ [ স্বস্মিন্ ] স্বৰূপে [ অপ্যয়াৎ ] বিলয় হেতুকেও প্ৰধান সৎ পদবাচ্য নহয়।

অনুবাদ :—এই কাৰণেও প্ৰধান সৎ পদ বাচ্য হব নোৱাৰে; যি হেতু জীৱৰ স্ব স্বৰূপেই অপ্যয় (বিলয় হয়)।

ভাবাৰ্থ :—" স্বপ্নান্তং মে বিজানীহীতি, যত্ৰৈতৎ পুৰুষঃ স্বপিতি নাম সতা সোম্য তদা সম্পন্নো ভবতি স্বমপীতো ভবতি; তস্মাদেনং 'স্বপিতি' ইত্যাচক্ষতে, স্বং হ্যপীতো ভবতি। (ছান্দোগ্যোপনিষৎ।)

* এই সূত্ৰটোক শঙ্কৰাচাৰ্য্য, নিম্বাৰ্ক, শ্ৰীনিবাস, কেশবকাশ্মীৰি, ভট্টবল, বেদানন্দতীৰ্থাদি পূৰ্ব্বপূৰ্ব্ব মহাত্মা আচাৰ্য্যসকলে ধৰা নাই।



সুষুপ্তি (ভাল বকমৰ টোপনি) অবস্থা বৰ্ণনাৰ ঠাইত "হে সোম্য (শ্বেতকেতো!) তেতিয়া (সুষুপ্তি কালত) জীৱ সতৰ লগত মিলিত হয়, অৰ্থাৎ সৎস্বৰূপ প্ৰাপ্ত হয়।" ইত্যাদি বাক্যত সুষুপ্ত জীৱ সম্বন্ধে 'স্বাপ্যয়' কথাটো কৈছে যাৰে সৎ পদাৰ্থ, যি অচেতন প্ৰধানৰ পৰা বেলেগ পদাৰ্থ, এইটো ভালমতে বুজা যায়। কাৰণ 'স্বাপ্যয়' অৰ্থ স্বকাৰণে লয়; প্ৰধান যেতিয়া জীৱৰ কাৰণ নহয় তেতিয়া তাত কেতিয়াও জীৱৰ বিলয় সম্ভৱ নহয়, গতিকে প্ৰধানক সৎপদাৰ্থ বুলিলে এই স্বাপ্যয় শ্ৰুতিৰ বিৰোধ ঘটে; অতএৱ প্ৰধানক সৎ বোলা নাযায়। সৰ্ব্বজ্ঞ, পৰমেশ্বৰ পৰব্ৰহ্ম পুৰুষোত্তমেই (বাসুদেৱেই) সৎপদৰ বাচ্যাৰ্থ, সাংখ্যোক্ত প্ৰধান নহয় ॥ ১০ ॥

" গতি সামান্যাৎ " ॥১১॥

পদচ্ছেদ :—গতি সামান্যাৎ [ গতেঃ ] কাৰণত্ব জানিবৰ [ সামান্যাৎ ] একৰূপতা হেতু।

অনুবাদ :—সৃষ্টি প্ৰতিপাদক অকল বাক্যতেই সৰ্ব্বেশ্বৰ ব্ৰহ্মৰ কাৰণতা জনা যায়, সেই কাৰণে ইয়াতো সেই সৰ্ব্বেশ্বৰৰ হে কাৰণতা নিশ্চিত হৈছে।

ভাবাৰ্থ :—সগুণ আৰু নিৰ্গুণ ভেদ লৈ ব্ৰহ্ম দ্বিবিধ; তাৰ মাজত সগুণ ব্ৰহ্ম বিশ্বৰ কাৰণ, সৰ্ব্বজ্ঞ, সৰ্ব্বোপাধি আৰু সৰ্ব্বশক্তিমান, আৰু নিৰ্গুণ ব্ৰহ্ম পূৰ্ণ, জ্ঞানৰ স্বৰূপ, সত্য স্বৰূপ আৰু বিশুদ্ধ। বেদৰ শক্তি সগুণ ব্ৰহ্মতে আৰু বেদবাক্যৰ তাৎপৰ্য্য নিৰ্গুণ ব্ৰহ্মতে, এনেকুৱা মতৰ খণ্ডন কৰিবৰ নিমিত্তে এতিয়া একাদশ সূত্ৰৰ অৱতাৰণা। ব্ৰহ্ম একৰূপ, এইটো কথা বেদমাত্ৰতেই সঠিক হৈ গৈছে, সগুণ নিৰ্গুণ ভেদ কল্পনাহে মাত্ৰ। বেদ মাত্ৰতেই লিখিত আছে যে পৰমাত্মা পূৰ্ণ, বিশুদ্ধ, সৰ্ব্বজ্ঞ, নিখিল জগতৰ এক মাত্ৰ ঘাই কাৰণ, সৰ্ব্বশক্তিমান্ আৰু বিজ্ঞানঘন। পৰমাত্মাৰ উপাসনা দ্বাৰা স্বৰ্গ আৰু অপবৰ্গ (মোক্ষ) লাভ হয়, সকল বান্ধনিও ছিন্ন হৈ যায় *। গীতা গ্ৰন্থতো পৰমাত্মাৰ সৰ্ব্বশক্তিমত্তাদি বৰ্ণিত আছে।

আৰু এই কাৰণেও 'প্ৰধান' জগৎকাৰণ হব নোৱাৰে; যি

* ভিদ্যতে হৃদয়গ্ৰন্থিঃ ছিদ্যন্তে সৰ্ব্বসংশয়াঃ।
ক্ষীয়ন্তে চাস্য কৰ্ম্মাণি তস্মিন্ দৃষ্টে পৰাবৰে ॥ (ভাগৱত)

হেতুকে গতি সাধাৰণ দেখা যায়,—"আত্মা বা ইদমেক এবাগ্র আসীৎ, নান্যৎ কিঞ্চনমিষৎ। স ঈক্ষত লোকান্ নু সৃজা ইতি; স ইমান্ লোকান্ সৃজত।" (ঐতৰেয়োপনিষৎ।) "তস্মাৎ বা এতস্মাদাত্মন আকাশঃ সম্ভূতঃ। আকাশাদ্বায়ুঃ, বায়োৰগ্নিঃ, অগ্নেৰাপঃ, অদ্ভ্যঃ পৃথিবী"—(ব্ৰহ্মানন্দবল্লী।) "তস্যাহবা এতস্য মহতোভূতস্য নিঃশ্বসিতমেতৎ—যদৃগ্বেদঃ।" (সুবালোপনিষৎ) অৰ্থাৎ প্ৰথম পহিলাতে এই জগৎ এক আত্মস্বৰূপেই আছিল, স্পন্দমান (লৰচৰ কৰা) অন্য একো পদাৰ্থ নাছিল। সেই আত্মাই ইচ্ছা কৰিলে লোক সমূহ সৃষ্টি কৰিম; তেওঁ লোকসকল সৃষ্টি কৰিলে। এই সেই আত্মাৰ পৰা আকাশ সৃষ্টি হ'ল, আকাশৰ পৰা বায়ু, বায়ুৰ পৰা অগ্নি, অগ্নিৰ পৰা জল, জলৰ পৰা পৃথিৱী সৃষ্টি হ'ল। এই যি ঋগ্বেদ, ই সেই মহৎ ভূত বা স্বভাৱৰে সিদ্ধ ব্ৰহ্মৰ নিঃশ্বাস স্বৰূপ অৰ্থাৎ অনায়াসে ওলাল। ইত্যাদি সৃষ্টি জ্ঞান কৰোঁতা বাক্যসমূহে গতি অৰ্থাৎ যেনে ৰকম অৰ্থপ্ৰকাশৰ শক্তি; তৎসামান্য হেতুকে অৰ্থাৎ যি হেতুকে এই বাক্যও তাকেই সমান বা অনুৰূপ অৰ্থ প্ৰকাশ কৰে। এতেকে সৰ্বেশ্বৰেই যাই কাৰণ, সাংখ্যোক্ত প্ৰধান নহয়॥ ১১॥

শ্ৰুতত্বাচ্চ॥ ১২॥

পদচ্ছেদ:—শ্ৰুতত্বাৎ (উপনিষদত শুনা হেতুকে) চ (ও)।

অনুবাদ:—এই কাৰণেও সাংখ্যোক্ত 'প্ৰধান' জগৎ কাৰণ হব নোৱাৰে; বিহেতুকে ব্ৰহ্মতহে কাৰণত্ববোধক শ্ৰুতি আছে।

ভাবাৰ্থ:—ছান্দোগ্য উপনিষদৰ 'আত্মনঃ প্ৰাণাঃ আত্মন আকাশঃ' আত্মাৰ পৰা প্ৰাণ হ'ল, আত্মাৰ পৰা আকাশ হ'ল, এইসকল খণ্ড সাক্ষাৎ ভাৱে 'সৎ' পদ বাচ্য আত্মাৰ কাৰণত্ব শুনাৰ বাবেও ব্ৰহ্মই যি জগৎ কাৰণ, সাংখ্যোক্ত প্ৰধান নহয়, ইয়াক ভালমতে জনা গ'ল॥ ১২॥

পঞ্চম ঈক্ষত্যধিকৰণ শেষ হ'ল॥

শ্ৰীদুৰ্গাকিঙ্কৰ শাস্ত্ৰী শিৰোমণি।

---



# বেঙ্‌লাৰ আনন্দমোহন বসু।

"বঙ্গৰ উজ্জ্বল ৰত্ন আনন্দমোহনৰ পিতাকৰ নাম পদ্মলোচন আৰু মাকৰ নাম উমাকিশোৰী। ময়মনসিংহ জিলাৰ জয়সিদ্ধি গাৱঁত, ১৮৪৭ খ্ৰীষ্টাব্দত আনন্দমোহনৰ জন্ম হয়। এওঁৰ পিতাক এজন গাৱঁৰ ধনী লোক আছিল; কিন্তু, নিয়তিৰ হুকুমত, আনন্দমোহনৰ বাল্যকালতে পিতৃ হানি হয়। কিন্তু, এওঁৰ মাক এগৰাকী পুণ্যৱতী গৃহলক্ষ্মী আছিল। এওঁ সম্পত্তি সম্পৰ্কীয় কাম দৈনিক সমাধা কৰি, বাকী সময় ধৰ্ম আলোচনাত কটাইছিল আৰু পুত্ৰকইতৰ পঢ়া-শুনাত অভিভাৱকৰ কাম চলাইছিল। আনন্দমোহন পিতাকৰ দ্বিতীয় পুত্ৰ। এওঁ আইতাকৰ অতি আদৰৰ সন্তান আছিল। আনন্দমোহনে ছ-বছৰ বয়সত ময়মনসিংহৰ বঙ্গ-বিদ্যালয়ত ভৰ্তি হয়। ন-বছৰ বয়সত মধ্য বঙ্গলা ছাত্ৰবৃত্তি পৰীক্ষাত উত্তীৰ্ণ হৈ চাৰি টকা বৃত্তি পায়। ১৮৬২ খৃষ্টাব্দত, পোন্ধৰ বছৰ বয়সত, এণ্ট্ৰেন্স পৰীক্ষা প্ৰথম বিভাগত পাছ কৰি, ওঠৰ টকা জলপানি ধৰে। ১৮৬৪ খৃষ্টাব্দত, এওঁ কলিকতাৰ প্ৰেছিডেন্সি কলেজত এফ্‌-এ পৰীক্ষাত সৰ্ব্ব-প্ৰথম হৈ উত্তীৰ্ণ হয়। ১৮৬৭ খ্ৰীঃঅব্দত, ২০ বছৰ বয়সত সৰ্ব্ব-প্ৰথম স্থান অধিকাৰ কৰি বি-এ পাছ কৰে। তেওঁ বি-এ পৰীক্ষা দিওঁতে গণিতৰ কাগজত ইমান নম্বৰ পাইছিল যে, ছাহাব পৰীক্ষকসকল আশ্চৰ্য্য হৈছিল। তেওঁ সেই বছৰৰ জুলাই মাহত বিয়া কৰায়।

আনন্দমোহন ১৮৬৮ খ্ৰীঃ-অব্দত সৰ্ব্ব-প্ৰথম হৈ এম্‌-এ পৰীক্ষাত উত্তীৰ্ণ হয়। এম্‌-এ পৰীক্ষাৰ খবৰ ওলোৱাৰ আগতে এওঁক প্ৰেছিডেন্সি কলেজত গণিত শাস্ত্ৰৰ অধ্যাপক নিযুক্ত কৰা হয়। এওঁ নিজ চৰিত্ৰ আৰু বিদ্যাৰ গুণত কলেজৰ অধ্যক্ষ ছাট্‌ক্লিফ্‌ ছাহাবৰ অতি প্ৰিয়পাত্ৰ হৈ উঠিছিল। এওঁ সেই কলেজত কাম কৰি থাকোঁতেই "প্ৰেমচাঁদ ৰায়চাঁদ" বৃত্তি পৰীক্ষাত কৃতকাৰ্য্য হৈ সেই বৃত্তি লাভ কৰে। এই বৃত্তিৰ টকা পাই এওঁ ১৮৭০ খ্ৰীঃ-অব্দত ২৩ বছৰ বয়সত বিলাতলৈ যাত্ৰা কৰে আৰু ১৮৭৪ খ্ৰীঃ অব্দত, ২৭ বছৰ বয়সত, আনন্দমোহনে কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ সৰ্ব্বোচ্চ গণিতৰ পৰীক্ষাত ৯ম স্থান অধিকাৰ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈ "ৰেঙলাৰ" উপাধি লাভ কৰে। এই উপাধি এওঁৰ আগেয়ে কোনো ভাৰতবাসীয়ে লাভ কৰা নাছিল। এওঁ

এই পৰীক্ষাৰ লগে লগে বেৰিষ্টাৰী পৰীক্ষাত পাছ কৰে।—ইয়াৰ উপৰিও কেম্ব্ৰিজ বিশ্ব-বিদ্যালয়ত তেওঁ গ্ৰীক্ আৰু লেটিন পঢ়িব লাগিছিল।—এওঁৰ বুদ্ধি আৰু মেধাত বিলাতৰ অধ্যাপকসকলে বিস্ময় মানিছিল।

১৮৭৪ খ্ৰীঃ অব্দত তেওঁ কলিকতালৈ উভটি আহি হাইকোৰ্টত বেৰিষ্টাৰী কৰে। বেৰিষ্টাৰী ব্যৱসায়ত তেওঁ যথেষ্ট ধন সম্পত্তি আৰ্জ্জিছিল। ১৮৭৬ খ্ৰীঃ অব্দত শিৱনাথ শাস্ত্ৰী আদি জনদিয়েক বন্ধুৰে সৈতে, তেওঁ স্বৰ্গীয় কেশৱচন্দ্ৰ সেনৰ ওচৰত ব্ৰাহ্ম-ধৰ্ম্মৰ দীক্ষা গ্ৰহণ কৰে। এওঁৰ শাস্ত স্বভাৱত বিনয় আৰু ভক্তি মূৰ্ত্তি উঠিছিল। তেওঁৰ চৰিত্ৰৰ আদৰ্শ লৈছিল, লিখা-পঢ়াৰ উন্নতি-কৰণ কথাই। আনন্দমোহন এজন স্বদেশব্ৰতী লোক বুলি ভাৰতৰ সকলো ঠাইতে পৰিচিত। ১৮৯৮ খৃঃ-অব্দত তেতিয়া এওঁ শেষবাৰ বিলাতৰ পৰা উভটি আহে তেতিয়া স্বদেশবাসীয়ে কলিকতাৰ টাউনহলত এওঁক এখন অভি-নন্দন পত্ৰ দিয়ে। তেওঁ যে মাক-বাপেক আৰু ভাৰত জননীৰ এজন সু-সন্তান আছিল, তাৰ বহুত প্ৰমাণ পোৱা যায়। তেওঁ যদি স্বদেশৰ উন্নতিৰ হকে অকাতৰে ধন খৰচ নকৰিলে হেঁতেন, নিশ্চয় তেওঁ লক্ষপতি হ'ব পাৰিলেহেঁতেন।

১৮৯৮ খ্ৰীষ্টাব্দত এওঁ, মাদ্ৰাজৰ জাতীয় সমিতিৰ সভাপতি-বৰণ হয়। এই সভাত ভাৰতৰ গণ্য-মান্য লোক প্ৰায় ৬১৪ জনৰ ওপৰ উপস্থিত আছিল। শ্ৰীযুক্ত সুব্বাৰাও পান্টলুৱে, অভ্যৰ্থনা সভাৰ সভাপতি হৈ তেওঁবিলাকক অভ্যৰ্থনা কৰিছিল। আনন্দমোহন কলিকতা বিশ্ববিদ্যালয় পৰৰ পৰা ছোটলাট বাহাদুৰৰ ব্যৱস্থাপক সভাৰ সভ্য চবাৰ মনোনীত হয়। এওঁৰ গুণত মুগ্ধ হৈ, গুণীৰ গুণ বুজা বৰলাট বাহাদুৰ লৰ্ড ৰিপনে, এওঁক শিক্ষা-কমিশনত ভাৰতীয় সভ্য নিযুক্ত কৰে। এওঁ নাৰী জাতিৰ এজন প্ৰধান সুহৃদ আছিল। স্বৰ্গীয় দুৰ্গামোহন দাসৰ সৈতে, এওঁ তিৰোতাজাতিৰ উন্নতিৰ অৰ্থে, বালিগঞ্জত, বঙ্গমহিলা বিদ্যালয় স্থাপন কৰে। এওঁবিলাক দুয়ো, এই বিদ্যালয়ৰ সকলোবিধ খৰচৰ ভাৰ লয়। কিছুদিন সুচাৰুৰূপে চলাৰ পাছত, এই বিদ্যালয় বেথুন কলেজৰ লগত সম্মিলিত হয়। ১৮৭৯ খ্ৰীষ্টাব্দত, আনন্দমোহনে শ্ৰীযুত সুৰেন্দ্ৰনাথ বন্দ্যোপাধ্যায় আৰু শিৱনাথ শাস্ত্ৰীৰ সৈতে যোগ হৈ, কলিকতাত "চিটি-স্কুল" স্থাপন কৰে। অলপদিনৰ পাছতে, এই স্কুলটি কলেজত পৰিণত হয়। পোন প্ৰথমতে, এই বিদ্যালয়ৰ সুৰেন্দ্ৰনাথ প্ৰথম শিক্ষক, শিৱনাথ প্ৰধান



সম্পাদক আৰু আনন্দমোহন প্ৰধান গুৰিয়াল হৈ কাৰ্য্য চলায়। কিন্তু, অলপ-দিনৰ পাছতে সুৰেন্দ্ৰনাথ আৰু শিৱনাথে ইয়াৰ সংস্ৰৱ এৰে। তথাপি আনন্দ-মোহনে ইয়াৰ উন্নতিৰ অৰ্থে আজীৱন কটালে।

১৯০৫ খ্ৰীষ্টাব্দৰ মাঘ মাহত, মহাত্মা আনন্দমোহন বাত-ৰেমাৰত আক্ৰান্ত হয়। সেই বছৰৰ ১৬ অক্টোবৰত, তেওঁ বঙ্গৰ "ফিডেৰেশ্যন হল" ( Federation Hall ) স্থাপন কৰে। এই সভাত, তেওঁ অতি কষ্টেৰে বোগশয্যা এৰি যোগ দিছিলহি।

ইয়াৰ অলপ দিনৰ পাছতে, ১৯০৬ খ্ৰীষ্টাব্দৰ ২০ আগষ্টৰ পুৱা ৬॥ বজাত, ৫৯ বছৰ বয়সত ইষ্ট-মিত্ৰ, ভাই বন্ধু সকলোকে কন্দুৱাই, তেওঁৰ দীৰ্ঘলীয়া কৰ্ম্ম-জীৱনৰ যৱনিকা পেলাই স্বৰ্গযাত্ৰা কৰিলে।

শ্ৰীনকুলচন্দ্ৰ ভূঞা।

—•—

## জাংফাই।

জাংফাইৰ ব্যৱহাৰ আসামত আগেয়ে অসমীয়া মানুহৰ ভিতৰত বৰ প্ৰচলিত আছিল, আজিকালিও গাৱঁলীয়া মানুহে আৰু সদীয়াৰ ফালৰ সাধাৰণ মতা মানুহে জাংফাইৰ কেক পিন্ধে, তিকতাই তো পিন্ধেই। ভাল মানুহৰ তিকতাৰ কাণতো সোণ-খটোৱা জাংফাইৰ কেক থাকে। দেৱদাৰু বা সৰল ( pine ) গছৰ এঠাই জাংফাই। যুগ যুগান্তৰৰ আগেয়ে সৰল বনৰ প্ৰকাণ্ড প্ৰকাণ্ড গছৰ এঠা ওলাই মাটিৰ ভিতৰত পোত খাই থাকি কালক্ৰমত শিয়েই জাংফাই হৈছে। আগৰ কালৰ মানুহৰ বিশ্বাস আছিল যে জাংফাইৰ গুণ দৰৱৰ নিচিনা। জাংফাই ডিঙিত বা কাণত পিন্ধিলে, অথবা যেনেতেনেমতে এডোখৰ জাংফাই মানুহৰ গাত লাগি থাকিলে, মানুহৰ বলিয়া বেমাৰ গুচে, জ্বৰ গুচে। আজিকালি ডাক্তৰ বাৰ্থ (Dr. Barthe) নামে ফ্ৰান্সৰ ডাঙৰ ডাক্তৰ এজনে এই জাংফাইৰে এনে এবিধ দৰৱ প্ৰস্তুত কৰিছে, যি দৰৱ পোৰা ঘাৰ মহৌষধ। যুদ্ধত যোৱা সৈন্যৰ গুলি লাগি পোৰা ঘা তেওঁ জাংফাইৰ দৰৱেৰে ভাল কৰিব লাগিছে। পৃথিৱীৰ আন আন দেশৰ মানুহেও জাংফাইৰ অলঙ্কাৰ পিন্ধা দস্তুৰ আছে। য়ুৰোপীয় অনেকে জাংফাইৰ নাম লগোৱা পাইপত্ ধপাত্ খায়; কোনো-কোনোৱে স্বৰ্ণৰ নিৰ্ম্মিত 'চাৰ্ম' বা 'লকেট'

ৰূপে জাংফাই ব্যৱহাৰ কৰে। কোনো কোনো ডোখৰ জাংফাইৰ ভিতৰত পোক বা গছৰ পাত দেখা যায়; সেইবোৰ অনেক কালৰ আগেয়ে জাংফাই ডোখৰ জুলীয়া হৈ থাকোতেই তাত সোমোৱা। আজিকালি কৃত্রিম জাংফাইও প্রস্তুত হৈছে। কৃত্রিম জাংফাই ধৰি দিবৰ উপায়ও আছে।

শ্রীলক্ষ্মীনাথ বেজবৰুৱা।

---

# ঘৈণী।

গৃহস্থৰ ঘৰত গৃহ দেৱতা যেনে, ঘৈণীজনাও এক প্রকাৰে তেনে। ঘৈণী-য়েই ঘৰৰ মহালক্ষ্মী। ঘৈণীৰ পৰা পৰিয়ালৰ সুখ শান্তি হয়। অকামিলা ঘৈণীৰ পৰা গৃহস্থৰ শ্রী টুটি যায়। কার্য্যদক্ষ ঘৈণীৰ পৰা ঘৰৰ আনন্দ বাঢ়ে, ঘৰ মঙ্গলময় হৈ উঠে। যিজনা ঘৈণীৰ মুখত মিঠা মাত আছে, গাত দয়া-চেনেহ আছে, তেওঁ আপোন পৰিয়াল, চাকৰ-নাকৰ আৰু ওচৰচুবুৰীয়া সকলোকে বশ কৰিব পাৰে; তেওঁক সকলোৱে ভাল পায়; আৱশ্যক অনু-সাৰে সকলোৱে সহায় কৰে। শাহু-শহুৰক ভক্তিশ্রদ্ধা কৰা; মাক-বাপেকক ভক্তি কৰা; জেঠাৰেক, দেওৰেক, ননন্দেকৰ লগত সদ্ব্যৱহাৰ কৰা; সন্তানক সৎশিক্ষা দিয়া আৰু ভালকৈ প্রতিপাল কৰা; স্বামীসেৱাত একান্ত ৰতি হোৱা আৰু স্বামীক আপোনাৰ জীৱনতকৈও বেছি যেন দেখা, সর্ব্বপ্রকাৰে তেওঁৰ সন্তোষলগা কার্য্য কৰা; দাস-দাসীৰ লগত ভাল ব্যৱহাৰ কৰা; ওচৰচুবুৰীয়াক বাইক-বচন আৰু ব্যৱহাৰেৰে সন্তোষ দিয়া; আলহি-অতিথিক শুশ্রূষা কৰি গৃহস্থিধৰ্ম্ম ৰক্ষা কৰা; ধন খৰচ কৰাৰ নিয়ম জনা; পোহনীয়া গৰু ম'হ ইত্যাদিক পালিব জনা; এইবিলাকেই হৈছে ঘৈণীৰ কর্ত্তব্য। ঘৰৰ মানুহৰ নৰীয়া হলে পতি কৰা; সময়ত খোৱা, শোৱা, এনেবিলাক কামত কাৰো অসুবিধা নোহোৱাকৈ ৰাখিব পৰাটো ঘৈণীৰ হে কাম। ঘৈণীজনাই নিজৰ শৰীৰ ভালে ৰাখিবলৈকো যত্ন কৰিব লাগে। তেওঁ পৃথিবীৰ দৰে ক্ষমাশীলা হব লাগে। দয়াই ঘৈণীৰ হৃদয়ত প্রকাশ কৰি থাকিব লাগে। আনৰ দুখ দেখি যদি ঘৈণীৰ এটোপা চকুৰ পানী ওলায়, তাতো দুখীয়াৰ দুখ কমি যায়। এইসকল অলঙ্কাৰেৰে ভূষিতা হৈ থকা ঘৈণীৰ প্রতি ঈশ্বৰ প্রসন্ন হৈ থাকে; তেনে ঘৈণীৰ দুখ কেতিয়াও নহয়।



আমাৰ দেশৰ বাইভনীসকলৰ ভিতৰ অৰ্থেহে ওপৰৰ কথা কেই আষাৰ লেখিলোঁ।

শ্রীপদ্মাৱতী দেৱী ফুকননী।

# প্রাচীন কালৰ চৰিত্র।

(২)

## আউনীআটী সত্ৰ কেনেকৈ হল।

মিশ্রদেৱৰ জ্যেষ্ঠ ভ্রাতৃৰ নাম ৰামদেৱ। তেওঁ বৰবমীয়া নামে গাৰ্হস্থ সত্র পতা নিমিত্তে তেওঁৰ সত্র বৰবমীয়া ব্রহ্মচাৰীৰ সত্র নামে প্রখ্যাত হল। বৰ্ত্তমান যোৰহাটৰ অন্তৰ্গত মেলেং নদীৰ কানত তেওঁৰ বংশ আছে। মিশ্রদেৱৰ দুটি লৰা জন্ম হল। ডাঙৰটিৰ নাম ৰামচন্দ্র; সৰুটিৰ নাম ৰামদেৱ। মিশ্রদেৱৰ সর্ব্বকনিষ্ঠা কন্যাটীৰ নাম কনকাৱতী। ৰামদেৱ সন্ন্যাসী হৈ দেশান্তৰলৈ গল। ৰামচন্দ্ৰৰ দুটি লৰা; ডাঙৰটিৰ নাম চাৰুচন্দ্র, আৰু সৰুটিৰ নাম হৰিচন্দ্র। চাৰুচন্দ্র কুৰুৱাবাহী সত্রৰ বীজপুৰুষ; হৰিচন্দ্র দিফলু সত্ৰৰ বীজপুৰুষ।

সতানন্দ নামে এজন ব্রাহ্মণ জয়ধ্বজসিংহ মহাৰাজাৰ বৰ প্রিয়পাত্র আছিল। সকলোৰে ভাল বেয়া কথা ৰজাত লগোৱাই তেওঁৰ কাম আছিল; সেই দেখি সকলোৱে তেওঁক "কথা সতাই" নাম দিছিল (১)। এই সতাই বাপুৱে এদিন মিশ্রদেৱৰ জীয়েক কনকাৱতীক দেখি, তেওঁৰ ৰূপত মোহ গৈ, তেওঁক বিবাহ কৰিবৰ প্রস্তাৱ কৰি মিশ্রদেৱক কলে। মিশ্রদেৱে "মই ঘৰত পৰামৰ্শ কৰি বুধবাৰৰ দিনা তোমাক খবৰ দিম" বুলি সতাইক বিদায় দিলে। অনন্তৰ নির্দ্দিষ্ট দিনা মিশ্রদেৱৰ গৃহত সতাই উপস্থিত হলত, ৰত্নাই ভকতে সতাই বাপুক অনেক তিৰস্কাৰ কৰিলে। তিৰস্কৃত হৈ বিবাহৰ আশা পৰিত্যাগ কৰি সতাৱে নিজ গৃহলৈ আহি মহাদুখত কাল যাপন কৰি কেনেকৈ ইয়াৰ প্রতিশোধ লব তাকে ভাবিবলৈ ধৰিলে। কালক্রমত মিশ্রদেৱৰ প্রতি দৈৱ বিৰুদ্ধ হল। গোপালদেৱৰ শাপে তেওঁক আক্রমণ কৰিলে। ফল্গুৎসৱ পূজা পাতি এদিন মিশ্রদেৱে জোৰ কাপি ৰজাই মহাপ্রভুক ফুৰাই বাটে বাটে গৈ আছিল। এই

---

(১) আজিকালিও গাৰ্হস্থীয়াসকলে লৰাক দাবি দিওঁতে কয়—"তইনো কিবা কথা-সতাই ওলাইছহি নে?"

কথাকে সভাৰে ৰজাক বিপৰীত ভাৱে পতাকে যে "মহাৰাজ! আপুনি কি কৰা হৈছে! মিশ্ৰদেৱৰ কোনোৱে আপোনাৰ আগতে কোৰ কালি মাৰি গৈছে। ৰজা প্ৰজাৰ একো চিন নাইকিয়া হল। সৰ্বদেৱৰ আগতে মিশ্ৰদেৱে এনে কৰিছে, সৰ্বদেৱৰ নৰাক আক তেওঁ কি মানিব। লাহে লাহে তেওঁ কেকোৱা দোলাও লব। অতএব সৰ্বদেৱে ইমানতে তেওঁক ডাঙৰকৈ এটা দেকা নিদিলে, ভবিষ্যতে তেওঁ চল পাই আক সৰ্বনাশ কৰিব।" ৰজাই এই কথা শুনি ক্ৰোধান্ধ হৈ হুকুম দিলে যে মিশ্ৰদেৱক তৎক্ষণাৎ ধৰি আনি জীয়াই জীয়াই পুতি পোতা হওক। এই হুকুম শুনি কুকুৰা চোৱা চাওদাং আঠোটাই গৈ মিশ্ৰদেৱক ধৰি আনি ৰজা পোতাদি পুতিলে (২)। সেই আঠোটা চাওদাঙৰ ভিতৰত কয়ুৰা নামে এটা দয়ালু চাওদাং আছিল। গোসাঁইজনে উশাহ পাবৰ নিমিত্তে, সি মৈদামটোত গুপ্তভাৱে এটি ছিদ্ৰ ৰাখি আছিল।

ইয়াৰ পিছত ৰজাৰ নগৰত মহা উৎপাত হবলৈ ধৰিলে। এক সপ্তাহ ৰক্তাহৰযুণৰ ধাৰ নিছিগা হল। ৰজাই এনে অমঙ্গল দেখি দেওধাই পণ্ডিতৰ হতুৱাই মঙ্গল চোৱালে। পণ্ডিতে কলে "মহাৰাজ, অকাৰণত ব্ৰহ্মবধ কৰা বাবে এই অমঙ্গল হৈছে।" পাত্ৰ মন্ত্ৰীসকলেও ৰজাক বহুত ভয় দেখালে। ৰজাই ভয় পাই, মিশ্ৰদেৱক তৎক্ষণাৎ গাতৰ পৰা উলিয়াবলৈ হুকুম দিলে। ৰজাৰ আজ্ঞা পোৱা মাত্ৰকতে কয়ুৰা চাওদাঙে গাতৰ পৰা মিশ্ৰদেৱক উলিয়াই দেখিলে যে তেওঁৰ মৃত্যু হোৱা নাই, মিমিকি মিমিকি প্ৰাণ আছে। প্ৰাণ যাবৰ আগতে মিশ্ৰদেৱে চাওদাংইতক কলে "মোক তইতে মুক্তি দিলি। এই অধৰ্মী ৰজাৰ বংশ পৃথিৱীত নাথাকিব। ভবিষ্যতত বিদেশী ৰজাই এই ৰাজ্য লব।" এই কথা কৈ মিশ্ৰদেৱ স্বৰ্গী হল। ৰজাই এই কথা শুনি ভয় পাই, পাত্ৰমন্ত্ৰীক পৰামৰ্শ সুধিলে। ঠকুৰক বুঢ়াগোহাঁই মন্ত্ৰীয়ে কলে "মহাৰাজ, আপোনাৰ গাত ব্ৰহ্মবধ লাগিল। মহন্তই যি শাপ দিলে সি

(২) ৰজাক পোতা অৰ্থাৎ মৈদামত দিয়াৰ নিয়মঃ—উৰিয়াম কাঠ কেতবোৰ কুঠাৰেৰে চোকলীয়াকৈ ফালে। মাজতে স্বৰ্গী ৰজাক শুৱাই, চাৰিউকালে উৰিআম কাঠৰ চোকলীয়াকৈ কাঠৰ গুৰিটো আঁতৰ আগটো একে কৰি এটুপীয়া ঘৰ সাজে; আক তাৰ ওপৰত মাটি দি পুতি পেলায়। সেই কাৰণে মৈদামটো ইমান ওখ দেখায়।



ফলিয়াবই, সন্দেহ নাই।" এই কথা শুনি ৰজাই কলে "মন্ত্ৰী, আমাৰ যাতে ভাল হয় তাৰ চেষ্টা কৰা।" মন্ত্ৰীয়ে কলে "মহাৰাজ, গোসাঁইক শাক মাৰিলে সিহঁতক সন্তুষ্ট কৰিব পাৰিলেহে পৰাচিত হয়, সো ৰাজ্য একে, অতএব মহাৰাজ, মিশ্ৰদেৱৰ পুত্ৰক আনি ধন বস্ত্ৰ দি তেওঁত শৰণ পশিলেহে আপুনি পাপৰ পৰা উদ্ধাৰ হব, অন্য উপায় নাই; মোৰ এই মত।" বুঢ়াগোহাঁই ডাঙৰীয়াৰ কথা শুনা মাত্ৰকতে ৰজাই তৎক্ষণাৎ মিশ্ৰদেৱৰ পুত্ৰেকক আনিবলৈ দূত পঠালে। সিকালে, মিশ্ৰদেৱৰ বাৰৰপেতা পৰাত, কুকুৰাবাহিত গোপালদেৱৰ পিতৃৰা পুত্ৰ অযুহৰিদেৱ অধিকাৰ হৈছিল। এতেক গোপালদেৱে ভাগ নাপাইছিল, সেই কাৰণে মিশ্ৰদেৱক সো বুলিছিল। কালক্ৰমত অযুহৰিদেৱ স্বৰ্গী হল। মিশ্ৰদেৱৰ বৈৰীয়েক বিধৱা আয়ে নিজৰ লৰা দুটি সৰু সৰু দেখি একো উপায় নাপাই, নিৰঞ্জন পাঠক চক্ৰকে কুকুৰাবাহি সত্ৰৰ ৰক্ষাকৰ্ত্তা পাতিলে; কিন্তু সত্ৰৰ অধিকাৰ পতা নাছিল; বাহিৰা কামৰ সম্পূৰ্ণ ভাৰ তেওঁৰ ওপৰত আছিল। এই সময়ত মিশ্ৰদেৱৰ জেঠ পুত্ৰৰ বয়স ১৬ বছৰ, কনিষ্ঠৰ বয়স ১২ বছৰ। পিতাক পৰলোকৰ জ্যেষ্ঠপুত্ৰ তাকচন্দ্ৰই দিছিল। ৰজাৰ দূত উপস্থিত হৈ জোৰেকতে দেখাই ৰাজ-আজ্ঞা শুনালে। কাকত চাই, ৰজাই নিবলৈ পঠোৱা খবৰ পাই বিধৱা বিচেষ্টা হৈ সুটি খাই পৰিল। সমবাসীসকলে কান্দিবলৈ ধৰিলে। বিধৱা আইকে প্ৰমুখ্য কৰি সকলোৱে ভাবিলে যে সতাই নাকীয়ে কিবা কথা আকৌ ৰজাক লগালে, সেই নিমিত্তে ৰজাই সবংশে বধ কৰিব মনেৰে লৰাহালিক নিবলৈ আহিছে। এই কথা ভাবি তেওঁলোক কান্দি হিয়া ভুকুৱাই অস্থিৰ হল, কাৰো মুখত পানী নোহোৱা হল। আই গোসানীয়ে মৃত স্বামীৰ গুণ বৰ্ণাই কান্দিবলৈ ধৰিলে। এনে ভয়ানক কাণ্ড দেখি ৰজাৰ দূত দুজনেও কান্দিবলৈ ধৰিলে। আয়ে এইদৰে শোক কৰা দেখি, নিৰঞ্জন পাঠকে বিৰলে তেওঁক জনালে, "মাতৃ আপুনি কান্দি থাকলে কি হব; আপোনাৰ পুতেকক ৰজাৰবলৈ পঠাব নেলাগে, আপোনাৰ পুতেক বুলি মোক পঠাই দিয়ক; মোক ৰজাই মাৰে কাটে যি কৰে কৰক। বিশেষত মই উদাসীন আক অপুত্ৰক; মোৰ পক্ষে মৰা জীয়া সমান কথা; মই মৰিলেও কান্দোতা নাই, জীলেও হাঁহোতা নাই। শাস্ত্ৰত কৈছে, পৰাৰ্থে জীৱন দিয়াটো উত্তম কথা; অতএব মোক পঠিয়াই দিয়ক, সৰ্ব্ব দুখ পৰিত্যাগ কৰক।" নিৰঞ্জনৰ

এই উদাৰ কথা শুনি, মৰাৰ মুখত অমৃত ঢলাৰ নিচিনা হল, সকলোৱে হৰ্ষ লাভ কৰিলে। নিৰঞ্জনৰ আগত মানুহে সুখ দুখৰ কথা অনেক কলে, বাহুল্যৰ ভয়ত তাক নিলিখিলো। নিৰঞ্জনক গাধুৱাই, খুৱাই, পিন্ধাই, এইটি মোৰ না বুলি আগে ৰাজদূতৰ হাতত অৰ্পণ কৰিলে। ৰাজদূতে কিন্তু এই গুপ্ত কথাটিৰ উৱাদিহ নাপালে। নিৰঞ্জনৰ লগত ৭ জন লকত পঠিয়াইছিল। দূতে নিৰঞ্জন বাপুক নি ৰজাৰ আগত ভেটালত, তেওঁক দেখি ৰজাই সন্তুষ্ট হৈ 'এতিয়া আমাৰ কৰ্ত্তব্য কৰ্ম্ম কি' বুলি মন্ত্ৰীক সুধিলে। (৩) বুঢ়াগোহাঁই মন্ত্ৰীয়ে কলে 'মহাদেও, এওঁক কাণ এক, সোণ এক, আৰু কাপোৰ এসাজ দি শৰণাপন্ন হৈ দোষৰ ক্ষমা প্ৰাৰ্থনা মাগিব লাগে।' মন্ত্ৰীৰ কথা শুনি ৰজাই নিৰঞ্জনক চোমদেও ঘৰৰ পিৰালিত ৪ বহুৱাই দি, মন্ত্ৰী ডাঙৰীয়াৰ কথিত মতে সকলো কাৰ্য্য সমাধা কৰিলে। নিৰঞ্জন পাঠকেও ৰজাৰ দোষ ক্ষমা কৰিলো বুলি ৰজাক বস্তুত আশীৰ্ব্বাদ দি ৰজাৰ মনত হৰ্ষ লগালে। ৰজাৰ ভঁৰালত কেচুৰ ৰংঘৰে লিখা এখন ৰামৰ পুথি আছিল, সেই পুথিখন কোনেও পঢ়িব নোৱাৰে, কাৰণ দিনত তাৰ অক্ষৰ নহয়, ৰাতি আন্ধাৰত মাতিৰ পাৰি হেনো। সেই পুথিখন ৰজাই আনাই নিৰঞ্জনক পঢ়িবলৈ দিলে। এই পুথিখনৰ কথা নিৰঞ্জনে আগেয়ে দূতৰ মুখে শুনিছিল। সেই দেখি তেওঁ মুখত অহা দশমৰ পদ সুন্দৰ ৰূপে সুৰ লগাই গাবলৈ ধৰিলে। ৰজাই এই কাৰ্য্যত সন্তোষ পাই তেওঁক ৭ দিন নগৰত ৰাখি দান দক্ষিণা দি নিজঘৰলৈ বিদায় দিলে। নিৰঞ্জনেও মহানন্দ

---

(৩) "দেখা কেনে ঈশ্বৰৰ সুদৃষ্টি হৈল।
নিৰঞ্জন পাঠকৰ ৰাজভোগ আসিল॥" চৰিত্ৰ।—

এই পৰ্য্যন্ত পাঠকৰ আশঙ্কা থাকিলে, মধুমিশ্ৰ গোস্বামীৰ পূৰ্ব্বপুৰুষে ৰচনা কৰা গোপালদেৱৰ আৰু মিশ্ৰদেৱৰ চৰিত্ৰ চালে আশঙ্কা দূৰ হব। এই চৰিত্ৰ কুৰুৱাবাহিত আছে। অতঃপৰে যি লিখা হব, সমুদায় আউনীআটীত পাব। এই নিৰঞ্জন শৰ্ম্মা পাঠক কাৰ বংশত জন্ম; তেওঁৰ পিতৃ মাতৃৰ নাম গোত্ৰ একো উল্লেখ নাই; কেৱল তেওঁ গোপালৰ ভকত, সুন্দৰকৈ পুথি পঢ়িব জানে, ইত্যাদি পাঠকজন্ম। ব্ৰাহ্মণক বাপু বোলে, এই কথা ৰজাই নাজানে; গতিকে নিজগুৰু নিৰঞ্জনক বাপু বুলি মাতে। শ্ৰীদ্বাৰিকানাথ দেৱ গোস্বামী।

(৪) চোমদেও আহোম ৰজাৰ ইষ্টদেৱতা।



লাভ কৰি কুৰুৱাবাহি সত্ৰলৈ গমন কৰিলে।

এনে ঘটনা ঘটা দেখি কথা-সভাই বাপুৰে বিৰলে ৰজাক সকলো ঘটনা জনালে,— 'মহাৰাজ, আপুনি যাক গুৰু বুলি নমস্কাৰ কৰিলে, সেইজন প্ৰকৃত গোসাঁই নহয়; তেওঁ গোসাঁইৰ পাঠক ব্ৰাহ্মণ। মহাৰাজ, সৰ্ব্বনাশ হ'ল; আপুনি বামুণক নমস্কাৰ কৰিলে; বৰ বেয়া কাৰ্য্য হ'ল।' এই কথা শুনি ৰজাই বংউঠি কলে— "কি মই বামুণক সেৱা কৰিলো নে? আজিৰ পৰা সকলোৱে, ৰজাই বামুণক সেৱা কৰিলে বুলি দোষ হাঁহিব। বিশেষত, বামুণবিলাকে আমাক সদাই সেৱা কৰে বুলি ৰবৰকৈ গাই পাব। এতিয়াই চাৰিটা কুকুৰা-ঠোৰা চাউলতে যে নিৰঞ্জনক পাইছেঁ হাত-কাণ বান্ধি মোৰ আগলৈ আনক।" ৰাজ আজ্ঞা শুনি মানুহে গাভাৰিৰ পৰা চাৰিটা চাউলহে পাৰ আছে, তিন দিনৰ মূৰত নিৰঞ্জন পাঠকক ককোৱৰা তৈল পাৰত ভাত খাইছেই পালেহি; পাঠকে ভাত খাই উঠা মাত্ৰকে চাৰিওফালৰ পৰা তেওঁক ৰজাৰ আজ্ঞা শুনাই পাছৰ হাতকৰি চপাই বান্ধি লৈ গলে। সেই বাবে সেই ঠাইখনৰ 'ভুগাকুৰ' নামে আজি পৰ্য্যন্ত প্ৰচলিত হল। পাচ দিনৰ মূৰত চাউদাঙে নিৰঞ্জনক ৰজাৰ আগত হাজিৰ কৰি দিলে। এই কথা শুনি বুঢ়া-গোহাঁই বিৰক্ত হল। তেওঁ দূতৰ মুখে সকলো কথা শুনি তৎক্ষণাৎ ৰজাক জনালে, 'মহাৰাজ, সভাই বামুণ বুলি আপুনি দণ্ড দিবৰ বুলিছে। কিন্তু তাৰ কথা শুনি এজন বামুণক মাৰিলে আমাৰ দেশত কিমান উৎপাত কৰিলে, তাক নিজে দেখিছেই, কোনোমতে জানিবা বামুণটো মৰাটো দেখি ৰক্ষা পালে; এই বাৰ আকৌ এই সভাইৰ কথা শুনি এই বামুণটো মাৰিলে সবংশে নষ্ট হব। বিশেষত বামুণক প্ৰাণদণ্ড কৰিব নাপায়; সৰ্ব্বদেশত তাকে লেখা আছে। তাতে আপুনি এই বামুণক সৰলো ভাবে; এওঁক মাৰিলে ব্ৰহ্মবধ হোৱাটো পাপ লাগিব, ৰজা প্ৰজা তেতিয়াই ভস্ম হৈ যাব।" মন্ত্ৰীৰ কথা শুনি ৰজাই নিৰঞ্জনক প্ৰাণদণ্ড নকৰি এই হুকুম দিলে,—"বাক এওঁক 'মাজুলী' হাবিত দেখি থওক, তাতে বৰ বাঘে খাই মাৰক।" ৰজাৰ এই ঘোৰতৰ আজ্ঞা শুনি ৮ টা চাউদাঙে নিৰঞ্জন বাপুক ৭ জন ভকতেৰে সৈতে নাৱত তুলি ব্ৰহ্মপুত্ৰ বলুকা মাজুলি হাবিত দেখি দে আহি ৰজাক সংবাদ দিলেহি। বুঢ়াগোহাঁইয়ে ভাণ্ডাৰীয়াই মনে

মনে ভাবিলে, এই সত্যাই বাপুৰেই মিশ্ৰদেৱক বধ কৰালে; নিৰঞ্জনকো ইয়েই হাবিত মেলালে; এই ভাবি তেওঁ সত্যাইৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিবলৈ ধৰিলে। এদিন তেওঁ ৰজাক জনালে "মহাৰাজ, সত্যাই সৰ্ব্বনাশৰ মূল; ই আপোনাক বধিবৰ কাৰণে অনেক ষড়যন্ত্ৰ কৰিছে। ই হাতে মাৰিব নোৱাৰি ভাতে মাৰিব খুজিছে। ই গুৰুদ্ৰোহী, ইয়াক চাব নেপায়।" মন্ত্ৰীৰ কথা শুনি ৰজাই বাজ সভাৰপৰা সত্যাইক খেদি দিলে। অৱশেষত সত্যাইক গুৰু দ্ৰোহী বুলি কোনেও তাৰ লগত নোখোৱা হল। শেহত সত্যায়ে একো উপায় নেপাই মিশ্ৰদেৱৰ পুত্ৰ ৰামচন্দ্ৰৰ চৰণত দীঘল দি পৰিল। সত্যায়ে অনেক কাকুতি মিনতি কৰাত ৰামচন্দ্ৰই তুষ্ট হৈ কলে "তুমি কৰিবৰ কি? সকলো আমাৰ দৈৱ; স্বকৰ্ম্মাৰ্জ্জিত ফল ভুগিবই লাগিব। তোমাৰ দোষ মই ক্ষমা কৰিলোঁ।" এই কথা শুনি সত্যায়ে আনন্দ লাভ কৰি তেওঁক গুৰু মানি শৰণ লৈ শিষ্য হল।

শ্ৰীৰাধিকা নাথ গোস্বামী
মধুমিশ্ৰ সত্ৰ।

# ৰবি ঠাকুৰৰ গীতাঞ্জলি।

(১)

সুন্দৰ আকৃতি হলেই যে তাৰ প্ৰাণো সুন্দৰ হব ইয়াৰ একো মানে নাই। তথাপি তাকো এটা সৌন্দৰ্য্যৰ অংশ বুলি ধৰা যায়—সিও মানৱৰ এটা স্পৃহনীয় বস্তু। গীতাঞ্জলিৰ যেই সেই গীতটোৱেই সাৰ্থক ভাবে যেতিয়া প্ৰাণত উচ্চাৰিত হব তেতিয়া প্ৰাণত যিটো সৌন্দৰ্য্য উঠে সেইটো বিশ্ব সৌন্দৰ্য্যৰ লগত একাকাৰ হৈ পৰে—তাত মানুহৰ কাৰিকৰিৰ মুচলুমে আধিপত্য নাই। প্ৰথম দৃষ্টিতে এই সৌন্দৰ্য্যটো গীতাঞ্জলিৰ পদে পদে পোৱা যায়। যাৰ হৃদয় গীতাঞ্জলিয়ে এবাৰ স্পৰ্শ কৰিছে তাৰ হৃদয়তে সি অমৰভাবে অৱস্থান কৰিছে। পাছবেলৰ ডাকনিত তাৰ চিন-চাব নাইকিয়া হৈ গলেও বিশ্বৰ সংঘাতত পুনৰ সি প্ৰাণত মূৰ্ত্তি ধৰি উঠাৰ প্ৰমাণ পোৱা যায়, তাৰ প্ৰমাণ এই ক্ষুদ্ৰ লেখকৰ হৃদয়তে মাজে মাজে পাই বাহিৰৰ আগত স্বীকাৰ কৰিবলৈ লাজ কৰা নাই।

এদিন পৰিষ্কাৰ ৰাতি অকলে অকলে ফুলনীৰ মাজত বহি প্ৰকৃতিৰ শান্ত মূৰ্ত্তা চাই বিভোল হৈ আছোঁ। নিৰ্নিমেষ দৃষ্টিৰে গ্ৰহ তাৰা নক্ষত্ৰলৈ চাই



মনত এটা পুলক লাগিছে—ভৌগলিক হিচাপে সিহঁতৰ বৃহত্তম অৱয়ব, অবিৰাম গতি, অনন্ত সংযোগ আদিৰ ধাৰণা আহি এই ক্ষুদ্ৰ প্ৰাণতো মহা গৌৰব উপস্থিত কৰি দিছে। এই মহা শক্তিপুঞ্জৰ মহান বাধ্যতা দেখি নিজে যেন সৰু গুচি আকৌ সৰু হলোঁ।—কবিয়ে বোধ হয় এই খিনিতে গাইছিল:—

"আমাৰ মাথা, নত করে' দাও হে তোমাৰ
চৰণ ধূলাৰ তলে
সকল অহঙ্কাৰ হে আমাৰ
ডুবাও চোখের জলে।

* * *

৩৬৮২/অ:

আমাৰে না যেন কৰি প্ৰচাৰ
আমাৰ আপন কাজে
তোমাৰি ইচ্ছা কৰ হে পূৰ্ণ
আমাৰ জীবন মাঝে।"

ইয়াতে কবিয়ে নিজৰ বিসৰ্জ্জন কৰি বিশ্বসুৰত প্ৰাণৰ তন্ত্ৰী মিলাই লৈছে। এই বিসৰ্জ্জনে শক্তিৰ ওচৰত শৃঙ্খল শিক্ষা নাই—কেৱল ভক্তিৰ ওচৰতহে নীৰৱ হৈছে। এইটো যেন ভোগৰ ক্ষুদ্ৰ অধিকাৰৰ ওপৰত প্ৰতিষ্ঠিত ত্যাগৰ মহৎ অধিকাৰ। ভোগৰ লালসাত কিমান ভ্ৰান্তি আছে কবিয়ে পৰীক্ষা কৰি ব্যক্ত কৰিছে:—

"আমি বহু বাসনায় প্ৰাণপণে চাই
বঞ্চিত করে বাঁচালে মোৰে
এ কৃপা কঠোৰ সঞ্চিত মোৰ
জীবন ভৰে।"

* * *

এই বাসনাৰ অসমাপ্তিটোক প্ৰাণেৰে কেনেকৈ পূৰ্ণ কৰি লৈছে চাওক:—

* * *

"তুমি নিষ্ঠুৰ সম্মুখ হ'তে
যাও যে সৰে!

এ যে তব দয়া জানি জানি হায়,
নিতে চাও বলে' ফিরাও আমায়,
পূর্ণ করিয়া লবে এ জীবন
তব মিলনেরই যোগ্য করে,
আধা ইচ্ছার সঙ্কট হ'তে
বাঁচায়ে মোরে।"

ভাল বাঁহনিৰ হাতত তিতাৰ আৱাজো স্ফূৰ্ত্তিত উঠে—সেইদৰে মহান প্ৰাণৰ সুৰত মিলি চলিব পাৰিলে তিক্ত অৱস্থাতো শান্তিৰ স্পৰ্শ পোৱা যায়।

সূৰ্য্যৰ ৰশ্মিয়ে যেনেকৈ পৃথিৱীৰ প্ৰত্যেক সচেতন বস্তুৰ আগতেই এটা আশাৰ বাৰ্ত্তা বৈ লৈ আহে—কলিটিক কয় তুমি ফুলিবা, ফুলক কয় তুমি ফল প্ৰসৱ কৰিবা তেনেকৈ অঞ্জলিৰ কবিতাবোৰে প্ৰাণত এটা আশাৰ কথা সঞ্চাৰ কৰি দিয়ে। অতীত, বৰ্ত্তমান আৰু ভবিষ্যতক অনন্ত আশাৰে লগলগাই এই কবিতাটোৱে কি এটা কোমল স্পৰ্শ দিয়ে চাওকচোন :—

" কত অজানারে জানাইলে তুমি
কত ঘরে দিলে ঠাঁই,
দূরকে করিলে নিকট বন্ধু,
পরকে করিলে ভাই।"

অতীতৰ অদৃশ্যগৰ্ভৰ পৰা মুক্তি ধৰি অহা এই শঙ্কাখিনিটোৱে বৰ্ত্তমানত কি ভৰসা দিছে শুনক :—

"পুরানো আবাস ছেড়ে যাই যবে
মনে ভেবে মরি কি জানি কি হবে
নূতনের মাঝে তুমি পুরাতন
সে কথা যে ভুলে যাই,
দূরকে করিলে নিকট বন্ধু,
পরকে করিলে ভাই।"

আৰো কবিতাৰ সান্ত্বনা—বাণী :—

"জীবনে মরণে নিখিল ভুবনে



যখনি যেখানে লবে
চির জনমের পরিচিত ওহে
তুমিই চিনাবে সবে।
তোমারে জানিলে নাহি কেহ পর
নাহি কোনো মানা নাহি কোনো ডর,
সবারে মিলায়ে তুমি জাগিতেছ
দেখা যেন সদা পাই
দূরকে করিলে নিকট বন্ধু
পরকে করিলে ভাই।"

ঠাকুৰৰ প্ৰাৰ্থনাবিলাক কৰ্ম্মহীনৰ ক্ৰন্দন নহয় বৰং বীৰৰ সবিনয় উক্তি—শুনক :—

"বিপদে মোরে রক্ষা কর
এ নহে মোর প্রার্থনা,
বিপদে আমি না যেন করি ভয়,
দুঃখ তাপে ব্যথিত চিত্তে
নাই বা দিলে সান্ত্বনা
দুঃখে যেন করিতে পারি জয়।"

* * *

এই গীতবোৰৰ মাজত নাস্তিকতা মুঠেই নাই, কেৱল ত্যাগ প্ৰেম আৰু স্বাধীনতা।

কবিক এই কথাটো কোনে শিকালে? কেৱল নিৰ্ম্মল প্ৰীতিয়ে। যি অন্তৰে এই কথা কব পাৰিছে সেই অন্তৰত সংসাৰ এটা খানৰ মানো বোজা হব নোৱাৰে।

সংসাৰৰ ঘাত-প্ৰতিঘাতৰ ফলত যেতিয়া প্ৰাণ ত্যক্ত-বিৰক্ত হয় তেতিয়া দুৰ্ব্বল প্ৰাণত সকলো বিশৃঙ্খল ঘটে, প্ৰেম-প্ৰীতি নিষ্ঠা বিশ্বাস আদিয়ে নিজ নিজ ঠাই এৰি প্ৰলয়ৰ সূচনা কৰে গীতাঞ্জলিত সেই সময়ত কি সুৰ বাজিছে শুনক :—

" এই করেছ ভালো নিঠুর ...
এই করেছ ভালো

এমনি করে হৃদয়ে মোর
তীব্র দহন জ্বালো।
আমার এ ধূপ না পোড়ালে
গন্ধ কিছুই নাহি ঢালে
আমার এ দীপ না জ্বালালে
দেয়না কিছুই আলো।"

* * * *

ইয়াত " নিঠুৰ " শব্দে অন্তৰৰ লগত গভীৰ সংযোগৰ সূচনা কৰি অচ্ছেদ্য সম্বন্ধকেহে নির্দ্দেশ কৰিছে। যাতনাভোগীয়ে নিজেই দুখদাতাৰ আসনত বহি প্রেমৰ যি চিত্র আঁকিলে তাক লিখি প্রকাশ কৰিব নোৱাৰি কিন্তু ভাবি ধাৰণা কৰিব পাৰি।

সাধনা কৰি কেতিয়াও প্রেমক পোৱা নাযায় কেৱল প্রেমেহে মানুহক সাধনাত ব্যস্ত ৰাখে। এই সত্যটোক কবিয়ে কি সৌন্দর্য্যৰে বিভূষিত কৰিছে চাব।

" আমি যা গড়ে তুলে
আরামে থাকি ভুলে
সুখের উপাসনা, করিগো ফলে ফুলে
সে ধুলা খেলা ঘরে
রেখোনা ঘৃণা ভরে
জাগায়ো দয়া করে, বহ্নি শেল হানি।"

সংসাৰত ভুল কৰি কৰিহে নির্ভুল বাটত উপনীত হোৱা যায়। ভ্রান্তিমূলক কার্য্যৰ পতনৰ লগে লগে অন্তৰতো বিষম আঘাত পোৱা যায়। শক্তিমন্ত প্রাণে তাক আগেয়েই প্রার্থনা কৰি থৈছে। এই প্রার্থনাকাৰীয়ে বহ্নি শেলৰ বিশল্য-কৰণি পোৱাত আটক নাথাকে। এটাইত কৈছে :—

" যুক্ত করহে সবার সঙ্গে
মুক্ত করহে বন্ধ,
সঞ্চার কর সকল কর্ম্মে
শান্ত তোমার ছন্দ।"



শান্ত ভাৱত চলিব জনাসকলক বিভ্রম হোৱা অতি কমেই দেখা যায়। বিশ্বত যিটো নৃত্য চলিছে সেইটো অতি শান্ত ভাৱত হোৱা দেখা যায়—নানা ৰকম অৱস্থাৰ মাজনিত জুই উঠা প্রাণে এই শান্ত সাগৰৰ ফুৰণি লবলৈ যোৱাটো স্বাভাৱিক। গীতাঞ্জলিৰ কথা খিনিত এনে এটা ৰহণ আছে যাৰ মোহত উগ্র উক্তিতো হৃদয় উৎফুল্ল হয়। যেনে :—

" কে ডাকেরে পিছন হ'তে
কে করেরে মানা
ভয়ের কথা কে বলে আজ,
ভয় আছে সব জানা।
কোন শাপে কোন গ্রহের দোষে,
সুখের ডাঙায় থাকব বসে
পালে রশি ধরব কষি
চলব গেয়ে গান,"

* * *

কি তীব্রতা, কি সৰলতা! নিজৰ জীৱনত মিলাই চালে ইয়াৰ আৰু বঢ়িয়া সোৱাদ পোৱা যায়।

প্রেমৰ ক্ষেত্রত সবিনয় ত্যাগে কি মনোহৰ মূর্ত্তি ধৰে চাওঁ নে? শুনক তেওঁ :—

" ধন থাক তোমারি ধন
কি করবে তা কও!
দিতে চাওত দিয়ো আমায়
নিতে চাওত লও।"

সাগৰে যেনেকৈ এফালেদি নদী বোৰৰ জল ৰাশি গ্রহণ কৰিছে আন ফালে তেনেকৈ সূর্য্যৰ উত্তাপত বাষ্পাকাৰে জলৰাশি বৰ্জ্জন কৰিছে। কবিৰ হৃদয়ো যেন ঠিক এই অনুৰূপ ধৰ্ম্মত দীক্ষিত হৈছে।—

" পিছনে ঝরিছে ঝর ঝর জল
গুরু গুরু দেয়া ডাকে
মুখে এসে পড়ে অরুণ কিরণ

ছিন্ন মেঘেৰ ফাঁকে।

এই ভাবযুক্ত ধাৰ দি দি বন্ধু অন্য সময়টোত কবিৰ দৃষ্টি কোন ফালে গৈছে চাওক :—

" ওগো কাঙালী কে গো তুমি
কার হাসি কান্নার ধন
ভেবে মরে মোর মন "

* * *

ইয়াতে আপোনা-আপুনি সংশয়ৰ মাজত সোমাই কি এটি প্ৰীতি অনুভৱ কৰিছে ভাবিলে পাঠকৰ মনতো সুখ লাগে। প্ৰেমৰ দাবি কিমান চাব থোকে নে? প্ৰেমে আকাঙ্ক্ষা ক'ৰছে :—

" বাতাস জল আকাশ আলো
সবারে কবে বাসিব ভালো
হৃদয় সভা জুড়িয়া তারা
বসিবে নানা সাজে "

* * *

ৰাৱণৰ প্ৰতিজ্ঞা আছিল পৃথিৱীত হয় ৰাম থাকিব নহয় ৰাৱণ থাকিব। গীতাঞ্জলিয়ে কৈছে বোলে নহয় পৃথিৱীত সকলো থাকিব লাগে —সকলোৱে মিলিজুলি ঠাই হব লাগে। তেতিয়া মাটি মই জীয়াই থাকিম এনে একটো সকচকুৱাবলৈ হব পাৰে— বস্তুজগতিকতা ধৰ্মত দীক্ষিত হৃদয়ৰ হব নোৱাৰে। এই সুৰ কাৰণৰ প্ৰেৰণাত বোধ কৰো গাইছিল :—

" বাজাও মত বোলে তুমি সজাও যে শিশুরে
পরাও যাবে মণি রতন হার
খেলা ধূলা আনন্দ তার সকলি যায় দূরে
বসন ভূষণ হয় যে বিষম ভার।"

এই মিচিমাটৈকে কবলৈ গলে গীতাঞ্জলিৰ বিষয়ে কোৱা কথাখিনি কম হৈ এখন সৰু-সুৰা কিতাপ হৈ পৰিব। বেচি কথা কবলৈ ইয়াত ঠাই নাই যেহেতু আগেয়ে কোৱাৰ এই দুই চাৰিটা কথা কোৱা হল। আৰু দুইতে দুই পদিয়েমান কৈ সামৰণি কৰা হব।

প্ৰেমৰ প্ৰবাহত হৃদয়ে কি মোহনীয় ধাৰণ কৰে এবাৰ চাই চাওক :



" জানি আমার কঠিন হৃদয়
চরণ রাখার যোগ্য সে নয়
সখা তোমার হাওয়া লাগলে হিয়ায়
তবু কি প্রাণ গলবে না
নাহয় আমার নাই সাধনা
ঝড়লে তোমার কৃপার কণা
তখন নিমিষে কি ফুটবেনা ফুল
চকিতে ফল ফলবেনা।"

* * *

অহো! কি সমাদৰ! এনে সুধম প্ৰাৰ্থনা যদি অমৃতৰ প্ৰবাহ নহয় তেন্তেনো মানুহে অমৃত শব্দটো ক'ত পালে? গীতাঞ্জলিৰ সিদ্ধ কবিতাৰ প্ৰশংসা কৰিবলৈ আমাৰ অধিকাৰো নাই ক্ষমতাও নাই। তথাপি আৰু একাষাৰ শুনক :—

" শালের বনে থেকে থেকে
ঝড় দোলা দেয় হেঁকে হেঁকে
জল ছুটে যায় এঁকে বেঁকে
মাঠের পরে
আজ মেঘের জটা উড়িয়ে দিয়ে
নৃত্য কে করে।"

" জল ছুটে যায় এঁকে বেঁকে, মাঠের পরে " এই কথাষাৰে পাঠকৰ মনটো পানীৰ সোঁতৰ লগে লগে ঘোৰাই নি পথাৰৰ পানীৰ সোঁতাবিলাকৰ লীলা খেলা চোৱাত ব্যস্ত ৰাখে। এই মাটিৰে সৈতে মিলি থকা মনটোক একেটা শব্দৰ আঘাততে অন্তৰীক্ষ পোৱালে—" মেঘের জটা উড়িয়ে দিয়ে—" এই " উড়িয়ে " শব্দটোৱে মাটিত থকা মনটোক উড়াই আকাশলৈ নিলে, নি আকৌ সেই আকাশত কি ৰকমে স্থিতি কৰালে চাওক :—"উড়িয়ে দিয়ে নৃত্য কে করে"। এই "নৃত্য" শব্দৰ উচ্চাৰণত বাগোচ্চাৰণৰ শক্তিটোৰ সোঁত যেনেকৈ থমক খাই ৰল সেই অনুৰূপে অন্তৰীক্ষবিহাৰী মনো যেন অন্তৰীক্ষতে ৰৈ নিজক নিজে সুধিলে " আজ মেঘের জটা উড়িয়ে দিয়ে নৃত্য কে করে? "

সৰু সৰু চৰাইটিহঁতে ধূলাত গা ধোওঁতে যি ৰকম সম্পূৰ্ণ বিশ্বাসেৰে দৈতে সেই কাৰ্য্য কৰে দেখিলে মৰম জন্মে। গীতাঞ্জলিৰো এঠাইত তেনে ৰকমৰ এটা অবগাহন আছে। চাওক :—

"এই যে তোমাৰ প্ৰেম, ওগো হৃদয় হৰণ,
এই যে পাতায় আলো নাচে সোণাৰ বৰণ।
এই যে মধুৰ আলস ভৰে মেঘ ভেসে যায় আকাশ পৰে
এই যে বাতাস দেহে কৰে অমৃত ক্ষৰণ
এইত তোমাৰ প্ৰেম ওগো হৃদয় হৰণ।"

এনে ধাৰণা এনে বিশ্বাস কেৱল ৺মাধৱ দেৱৰ নাম ঘোষাত পাব, হাফেজৰ কবিতাত পাব আৰু বিষ্ণু-প্ৰাণ ভক্ত ৰামকৃষ্ণ পৰমহংসৰ কথাত পাব।

(ক্ৰমশঃ)

শ্ৰীভৈৰৱচন্দ্ৰ খাটনিয়াৰ।

---

## নাম মহিমা।

ৰিও সময়ে নাম!

"পিতৃ পিতামহ আছিল মহান"
সেই গৰ্ব্বতে ওফন্দা দেখিলে
নেইাহি নেথাকা তুমি?

মহান্ কামৰ নাম!

শক্তিৰ মন্ত্ৰেৰে আৰাধি দেশ
মন প্ৰাণ সঁপি কামত নিৰ্ভয়ে
মৰিলে নত্তজানে তুমি?

কামতে থাকে যে নাম!

অন্তৰ শূন্য বাহিৰ চমক
কথাত যদি নেথাকে প্ৰাণ
নিৰ্ব্বিণাই নেথাকা তুমি।

সেৱাৰ ধৰম নাম!

নামৰ মহিমা সাৰ কৰি লৈ
ভক্তিৰ সোঁতত দৰিদ্ৰ নাৰায়ণৰ
জবিত নপৰা নে তুমি?

---

## শূন্য হুমুনীয়া।

১। সন্ধিয়াৰ বাট দেখুৱাই
শুকসৰ শেষৰ কিৰণে
কেপাহবে ধৰণীক চুমি
যায় যায় পচিমৰ পিনে;

২। বাজি উঠে কৰুণ সুৰেৰে
বিদায়ৰ পূৰবী ৰাগিণী
শেষ হল মিলনৰ মেলা
মলয়াই দিছেহি জাননী।—

৩। কোন সোঁ বাটকৰাটিৰে
বিদায়ৰ শেষ মুহূৰ্ত্তত
সজল নয়নে বাট চাই
আছে সেহি তটিনী তীৰত।

৪। ধীৰে ধীৰে নামিছে আন্ধাৰ
নাওখনি কঁপে ৰতাহত—
সাজু হল নবীন পথিক
যাবলৈ নতুন বাটত।

৫। বুকু পাতি লোৱা সুখ দুঃখ;
কতশত চেনেহ বান্ধনি
অনাদৰ অৱহেলা কত
আৰু কত অতীত কাহিনী—

৬। আজি এই বিদায়ৰ দিনা
সকলোটি পৰিছে মনত;
সকলোকে কৰিলো প্ৰণাম
—নাও মোৰ চলিছে সোঁতত!

৭। মিলিছিলোঁ যত সংগৰীয়া
জীৱনৰ ওমলা ঘৰত

সকলোটি জাগিচিগি গ'ল
নাই চিন সন্ধিয়া পৰত।
৮। শেষ হ'ল অভিনয় ৰাতি
আনন্দ উৎসৱ মাৰ গ'ল
ফুলকলি সেৰেলি শুকাল
স্মৃতিৰ সৌৰভ পৰি ৰ'ল।
৯। গীতবিলো নীৰৱে নিমাতে
একে ঘৰে থাকিল সংসাৰ
প্ৰতি পুৱা দিনকৰ কিৰণে
উজলায় সেইটি ঘৰাৰ ;
১০। নিতে নিতে ৰাতি আকাশত
লক্ষ লক্ষ সহস্ৰ তৰাই
কত যুগ চিক্ মিক্ কৰি
মানুহক পোহৰ বিলায় ;
১১। বসন্তৰ ফুলৰ হাঁহিটি
সুমধুৰ বিহগৰ গীতি
শৰতৰ শুভ্ৰ মেঘ মালা
পূৰ্ণিমাৰ জোনাক জেউতি ;—
১২। প্ৰকৃতিৰ শত লীলা খেলা
জগতত একে দৰে ৰ'ল
মাথোঁ এটি শূন্য হৃদয়ীয়া
অনন্তত নীৰৱে মাৰ গ'ল।

শ্ৰীযতীন্দ্ৰনাথ দুৱৰা।

---

# সাক্ষী।

গোবৰ্দ্ধনপুৰৰ নতুন উকীল শ্ৰীযুত সত্যব্ৰত আগী বি-এল ডাঙৰীয়া জিতা-বাৰান্দাত বহি খবৰৰ কাগজ পঢ়ি আছিল। এনেতে লঙ্গুৱা লৰাটোৱে



আহি খবৰ দিলেহি—"বাহিৰত মানুহ এজন আহিছে।" মক্কেলৰ শুভাগমন অনুমান কৰি, আনন্দত উৎফুল্ল হৈ উকীল ডাঙৰীয়া খৰধৰকৈ বাহিৰলৈ ওলাই আহিল।

পৰস্পৰৰ মাজত অভিবাদন প্ৰত্যভিবাদনৰ পাচত আসন গ্ৰহণ কৰি উকীলে মক্কেলে কলত দিয়া মতে কথা বতৰা হল।

মক্কেল।—মোক ধূম্ৰাক্ষ বাবুৱে আপোনাৰ ওচৰলৈ পঠিয়াইছিলে। আপুনি তেখেতৰ মকৰ্দ্দমাটো হাতত লব লাগে। টকা পয়চা কি দিব লাগিব, সেই বিষয়ে আপুনি কলেই দিয়া হব। ওকালত নামা আজি কাছাৰিত দিয়া হব।

উকীল।—ধূম্ৰাক্ষ বাবুৰ কি মকৰ্দ্দমানো তেখেতে মোক হাতত লবলৈ কৈছে ?

এই প্ৰশ্নৰ উত্তৰত মক্কেলে উকীলৰ আগত মকৰ্দ্দমাৰ আঁতি-গুৰি ফাড়ি পাতি কলে, "আপুনি এই মকৰ্দ্দমাটো ভালকৈ চলাবৰ নিমিত্তে, যিমান টকা লাগে বুলি কব, ধূম্ৰাক্ষ বাবুৱে সিমান টকা দিবলৈ ৰাজি আছে। আন উকীলো ধৰা হব। আপুনি বেছি পৰিশ্ৰম কৰিব লাগিব বুলি সমূলি ভয় নকৰিব। পৰিশ্ৰম অলপ অথচ লাভ বহুত।" ইত্যাদি—

উকীল।—আৰু কাক কাকনো তেখেতে উকীল ধৰিছে ?

এই প্ৰশ্নৰ উত্তৰত মক্কেলে স্থানীয় কেইজনমান বিশিষ্ট উকীলৰ নাম কলে।

উকীল।—এনেবিলাক ডাঙৰ উকীল ধৰা সত্বেও মোৰ লেখীয়া নতুন আৰু মোহোৰা উকীল এজনকো ধূম্ৰাক্ষ বাবুৱে কেলৈ ধৰিবলৈ ইমান হেঁপাহ কৰিছে ?

মক্কেল।—আপুনি তেখেতৰ স্বজাতি,—বিচাৰিলে আপোনাৰ লগত তেখেতৰ কিবা জ্ঞাতি সম্বন্ধ এটাও ওলাই পৰিব পাৰে। তাৰ উপৰি তেখেতে আপোনাক এজন বিশেষ বন্ধু বুলি ভাবে। আপুনি নাজানিব পাৰে তেখেতে কিন্তু আপোনাৰ বৰ শুভাকাঙ্ক্ষী। আপুনি নতুন উকীল। মানুহে এতিয়াও আপোনাৰ মোল বুজিব পৰা নাই। এনেবোৰ মকৰ্দ্দমাত উকীলৰ পক্ষে নাম উলিয়াবৰ বৰ সুবিধা। ইয়াৰ উপৰি ধূম্ৰাক্ষ বাবুৰ আপোনাৰ ওপৰত বৰ বিশ্বাস। স্থানীয় বৰ নাম-

ভাল উকীল এজনকে যদি এৰিব পাৰে, তেও আপোনাক এৰিব নোৱাৰে। তেখেতে মানুহ চিনি পায়। এই বাবেই আপোনাক এই মকদ্দমাত উকীল দিবৰ নিমিত্তে তেখেতৰ ইমান হেঁপাহ। আপুনি যিমান ফী বিচাৰে দিয়া যাব।

উকীল।—মোৰ অসংখ্য ধন্যবাদ ধূম্রাক্ষ বাবুক জনাব। এই মকৰ্দ্দমাত মই কিন্তু তেখেতৰ উকীল হব নোৱাৰিম। কিয়নো তেখেতৰ এই মকৰ্দ্দমাত মই তেখেতৰ বিৰুদ্ধে সাক্ষীৰূপে উপস্থিত হব লাগিব। ধূম্রাক্ষ বাবুৱে সেইটো জানে। সেইটো কথা জানি শুনিও তেখেতে যে মোক উকীল ধৰিব খুজিছে সেইটোত হে অলপ আচৰিত মানিছোঁ।

এই কথা শুনি ধূম্রাক্ষ বাবুৰ প্ৰতিনিধি গৰাকীয়ে উকীল জনক তেওঁৰ প্ৰস্তাৱত সন্মত হবলৈ নানা প্ৰকাৰে বুজাবলৈ ধৰিলে। সাক্ষী হৈ একো লাভ নাই; কিন্তু ধূম্রাক্ষ বাবুৰ উকীল হলে বহুত লাভৰ সম্ভাৱনা। ধূম্রাক্ষ বাবুৰ হাত দীঘল। তেখেতে সহায় কৰিলে তেওঁ বহুত মকৰ্দ্দমা পাব পাৰিব। তেওঁৰ অৱস্থা এতিয়া নিচেই বেয়া কিন্তু ধূম্রাক্ষ বাবুৰ সহায়ত তেওঁৰ সৌভাগ্যসূৰ্য্যৰ উদয় হব। স্বজাতি আৰু নিজ জাতিৰ বিৰুদ্ধাচৰণ কৰা ভাল নহয়। যি সব মানুহৰ ফলীয়া হৈ তেওঁ ধূম্রাক্ষ বাবুৰ বিৰুদ্ধে সাক্ষী দিবলৈ ওলাইছে, সি অতি সামান্য মানুহ। সামান্য মানুহৰ সঙ্গ ললে নিজৰ গৌৰৱ নাশ হে পায়। বিশেষতঃ উকীলৰ কাম ওকালতি কৰা। এই দৰে সাক্ষী হৈ ফুৰিলে উকীল ব্যৱসায়ত ক্ষতি হে হয়। ইত্যাদি ইত্যাদি।

কিন্তু সকলো বুজনি বৃথা হল। উকীলে ধূম্রাক্ষ বাবুৰ প্ৰতিনিধিৰ প্ৰস্তাৱত সন্মত নহল। ইয়াৰ পাছত ধূম্রাক্ষ বাবুৰ ফলীয়া আন আন ভালেমান মানুহে উকীল গৰাকীক ধূম্রাক্ষ বাবুৰ বিৰুদ্ধে সাক্ষী নিদিয়াকৈ ৰাখিবলৈ বহুত চেষ্টা কৰিছিল কিন্তু সেই আটাইবোৰ চেষ্টা নিষ্ফল হল। উকীল গৰাকীয়ে মাথোন কলে "মই আপোন পৰ নেজানো। ডাঙৰ মানুহ সৰু মানুহ চিনি নেপাওঁ। মই সত্যৰ ফলীয়া, ধৰ্ম্মৰ ফলীয়া। মই সদায় অন্যায়, অধৰ্ম্ম আৰু অসত্যৰ বিৰুদ্ধে। এনে কৰা বাবে মোৰ যদি সাংসাৰিক উন্নতি নহয়, নহওক। ইয়াৰ বাবে মই যদি কিবা বিপদত পৰোঁ, মই তাৰ নিমিত্তে এফেৰিকে বেজাৰ নকৰোঁ।"



## দ্বিতীয় পৰিচ্ছেদ।

যথাসময়ত কাছাৰীঘৰত মকৰ্দ্দমা উঠিল। ফৰিয়াদীয়ে আচামীৰ ওপৰত মকৰ্দ্দমা কৰিছে, আচামীয়েও ফৰিয়াদীৰ ওপৰত কৰিছে। দেখা গল ধূম্রাক্ষ বাবুৱে আমাৰ উকীল গৰাকীৰ নামও আচামীৰ শ্ৰেণীত সুমুৱাই দিছে।

ধূম্রাক্ষ বাবুৰ প্ৰতিপক্ষই আদালতত যি জবানবন্দী দিছিল তাৰ পৰা মকৰ্দ্দমাৰ সংক্ষিপ্ত বিৱৰণ তলত দিয়া গ'ল।

টাউনৰ বাহিৰে এচোৱৰ নিজান ঠাইত এঘৰ অসহায় মানুহ বাস কৰিছিল। মানুহ ঘৰত মানুহৰ সংখ্যা তিনটি মাথোন—বাৰী মাক, এটি ১৫।১৬ বছৰীয়া পুতেক আৰু এজনী গাভৰু জীয়েক। লৰাটিয়ে স্থানীয় হাই স্কুলত পঢ়ে। অতিসুন্দৰ স্বভাৱৰ লৰা, পঢ়াশুনাতো ভাল। ছোৱালীজনীয়ে স্থানীয় বালিকা স্কুলত মাষ্টৰণী কাম কৰে। অতি সৎ স্বভাৱৰ ছোৱালী। দেখিবলৈকো অতি শুৱনী। মনৰ প্ৰকৃতি অনুসাৰি চেহেৰা ভাল হোৱা হোৱা কথাষাৰ যদি সঁচা হয়, তেনেহলে বুলিব লাগিব ছোৱালীটিৰ মনটি স্বৰ্গীয়। বাস্তৱিকতে ছোৱালীটি দেৱকন্যাৰ দৰেই। মাষ্টৰণী কাম কৰি ছোৱালীটিয়ে যি দৰমহা পায় তাৰেই ঘৰখন চলে, ভায়েকৰ স্কুলৰ ফী ইত্যাদিও তাৰ পৰাই দিয়া হয়। ভাগ্যে ছোৱালীটিক বাপেকে লেখাপঢ়া শিকাই থৈ গৈছিল, নহলে আজি এই তিনটি প্ৰাণীৰ যে কি অৱস্থা হ'লহেঁতেন ঈশ্বৰেহে জানে।

ঘৰখনৰ একমাত্ৰ অৱলম্বন এই ছোৱালীটিৰ কিন্তু সৌন্দৰ্য্যটোৱেই এটা আপদ হল। হৰিণাৰ মাংসই বৈৰী। শিক্ষিতা আৰু স্বভাৱতে বুদ্ধিমতী "আইদেৱে" সেইটো যে বুজিছিল, তেনে নহয়। সেইবাবে তেওঁ ভাল কাপোৰকানি নিপিন্ধে। বহল কলা বা ৰঙা পাৰীৰ শাৰী বা ৰমক-জমক জ্যাকেট তেওঁ কেতিয়াও ব্যৱহাৰ নকৰে। 'চুলিৰ ফেশ্যন ছুলি' বা অইন প্ৰকাৰে স্বাভাৱিক সৌন্দৰ্য্যৰ ওপৰত 'কলাবিদ্যাৰ' প্ৰভাৱ ঘটাই, সেই সৌন্দৰ্য্যক বঢ়াবলৈ তেওঁ কেতিয়াও চেষ্টা নকৰে। স্বাস্থ্যৰক্ষাৰ নিমিত্তে যেনেভাৱে চাফ চিকন থাকিবৰ দৰকাৰ, মাত্ৰ তেনেভাৱে থাকে। 'আইদেৱে' বহুত সময়ত ভাবে 'হায়, বিপদৰ সময়ত নল ৰজাই যেনেকৈ নিজৰ সুন্দৰ ৰূপৰ ঠাইত কুৎসিত ৰূপ পাইছিল, মইও যদি সেইদৰে কুৰূপা হব পাৰিলোহেঁতেন'! কিন্তু 'আইদেৱে' যিমান কি চেষ্টা নকৰক তেওঁৰ স্বাভাৱিক সৌন্দৰ্য্য লুকুৱাবৰ উপায়

নাছিল। তেওঁ যেনেকৈ বেয়া সাজ পিন্ধিছিল, তাতেই তেওঁৰ সৌন্দৰ্য্য উপচি পৰে। এইবোৰ কাৰণতে তেওঁ পৰাপিনি পক্ষত মানুহৰ চকুৰ আগলৈ নোলায়। তেওঁ কাচিৎহে স্কুললৈ অহা-যোৱা কৰে। তেতিয়াহে তেওঁক মানুহে যি দেখা পায়, নহলে আন সময়ত তেওঁ একপ্ৰকাৰ 'অসূৰ্য্যম্পশ্যা'। বাহিৰলৈ ওলালেও তেওঁ এনে সাৱধানে চলা ফুৰা কৰে যে কোনটো তলকত তেওঁ বাহিৰলৈ ওলায় আৰু কোনটো তলকত ভিতৰ সোমায়, মানুহে তাৰ তত্তকে ধৰিব নোৱাৰে। এনে সাৱধান, এনে নিৰুপদ্ৰৱী হৈও তেওঁ কিন্তু সম্পূৰ্ণৰূপে কু মানুহৰ অপমান আৰু অত্যাচাৰৰ হাত সাৰিব নোৱাৰে।

কু মানুহৰ ভিতৰত ধূম্ৰাক্ষ বাবুৰ চকু 'আইদেওৰ' ওপৰত আটাইতকৈ বেছি। নানা কৌশলেৰে এই অসহায় নিৰ্দ্দোষী ছোৱালীটিক অবাটলৈ নিবলৈ চেষ্টা কৰিও, যেতিয়া তেওঁ কৃতকাৰ্য্য নহল, তেতিয়া তেওঁ কাপুৰুষোচিত ভাবে দেখাদেখিকৈ আইদেওক অপমান কৰিবলৈ আগ বাঢ়িল। এদিন আবেলি আইদেও স্কুলৰ পৰা উভতি যাওঁতে তেওঁবিলাকৰ ঘৰৰ ওচৰৰ নিজান ঠাই এডোখৰত ধূম্ৰাক্ষ বাবু বাপ লৈ আছিল। আইদেওক সেই ফালেদি বাটত পাই তেওঁ আইদেওৰ আগত কুৎসিত প্ৰস্তাৱ কৰি কিবা কিবি কবলৈ ধৰিলে। দুৰ্ভাগ্য, অসহায় হলেও আইদেওতো নীচ মানুহ নাছিল। সাধাৰণতঃ ঠাণ্ডা প্ৰকৃতিৰ ছোৱালী হলেও উপাৰ্জ্জিত পুৰুষৰ গৰম তেজ আইদেওৰ গাতো বিদ্যমান আছিল। বিপদাপন্ন হোৱাতে মুহূৰ্ত্তৰ ভিতৰতে সেই তেজ গৰম হৈ উঠিল। তেওঁৰ উগ্ৰমূৰ্ত্তি দেখি ধূম্ৰাক্ষ বাবু আচৰিত হল। কিন্তু লম্পটৰ হিতাহিত জ্ঞান নাই। লম্পট ধূম্ৰাক্ষৰো নাছিল। সি আৰু এখোজ আগ বাঢ়ি আইদেওৰ হাতত ধৰিব খুজিলে। চকুৰ পচাৰতে আইদেৱে চকমকীয়া চোকা খুৰ এখন মেলি দিলে। ধূম্ৰাক্ষ থমক খাই ৰল। ঠিক এই সময়তে পাছফালৰ পৰা এগৰাকী মানুহ ঘটনা-স্থলত ওলালহি। এওঁৱেই আমি ওপৰত কৈ অহা উকীল বাবু—নাম সত্যব্ৰত ত্যাগী। ঘটনাস্থলৰ পৰা আইদেওহঁতৰ ঘৰ বহুত দূৰৈত নাছিল। গোলমাল শুনি আইদেওৰ ভায়েকো ঘৰৰ পৰা ওলাই আহিল। গা বেয়া বাবে সি আজি স্কুললৈ যোৱা নাছিল। বায়েকক ধূম্ৰাক্ষই অপমান কৰিবলৈ চেষ্টা কৰা দেখি, লৰাটিয়ে খঙত বলীয়া হৈ ধূম্ৰাক্ষক উদাই মুখত উভনিয়াবলৈ ধৰিলে। ধূম্ৰাক্ষৰ মুখ ফাটি তেজ বৈ গল।



ধূম্ৰাক্ষই লৰাটিক আক্ৰমণ কৰিবলৈ আগ বাঢ়িছিল। কিন্তু ধূম্ৰাক্ষৰ কাপুৰুষতা আৰু অসদাচৰণ দেখি উকীল সত্যব্ৰত বাবুৰো নথৈ খং উঠিছিল। তেওঁ খঙেৰে ধূম্ৰাক্ষক নিবৃত্ত হবলৈ কোৱাত ধূম্ৰাক্ষ কোঁচ খালে। তেওঁ ধূম্ৰাক্ষৰ আগতে আইদেও আৰু তেওঁৰ ভায়েকক তেওঁৰ নিজৰ নাম আৰু ঠিকনা কাগজ এডোখৰত লেখি দি ক'লে, "আপোনালোকে যদি মকৰ্দ্দমা কৰে, মোক সাক্ষী দিব পাৰে। মই সকলো কথা দেখিছোঁ।" এই বুলি কৈ তেওঁ, আইদেও আৰু তেওঁৰ ভায়েকৰ সাহস নথৈ প্ৰশংসা কৰিলে। আৰু তেওঁবিলাকক ঘৰলৈকে আগ বঢ়াই থলে। আচল ঘটনা এইটোৱেই, এতিয়া অৱশ্যে ধূম্ৰাক্ষ বাবুৱে তেওঁক "অনাহকতে বাটত ধৰি মৰা" বুলি মকৰ্দ্দমা কৰিছে আৰু সেই বিষয়ে কেবাজন সাক্ষীৰো যোগাৰ কৰিছে!! সত্যব্ৰত বাবুৱেও হেনো তেওঁক মাৰিছিল!!

সি যি কি নহক আদালতত উকীলৰ জেৰাত ধূম্ৰাক্ষ বাবুৰ মকৰ্দ্দমা নিটিকিল। আচল ঘটনাৰ কথা প্ৰমাণ হল। আৰু মাইকীমানুহৰ ওপৰত অত্যাচাৰৰ চেষ্টা কৰা বাবে ধূম্ৰাক্ষ বাবুৰ এবছৰ ফাটেক আৰু তিনি শ টকা জৰিমনা হল। ইমান চহকী সদ্বংশজাত ধূম্ৰাক্ষ বাবু আজি নিজৰ দোষত ফাটেকৰ কয়দী!! তেওঁৰ আত্মীয় কুটুম্ব আৰু কু-কৰ্ম্মৰ সহায় বন্ধুবিলাকে তেওঁক ৰক্ষা কৰিব নোৱাৰিলে!!

এই ঘটনাতে আমাৰ নাম-নোহোৱা নতুন উকীল শ্ৰীযুত সত্যব্ৰত ত্যাগী বি-এল, ডাঙৰীয়াৰো নাম ওলাই পৰিল। তেওঁ যে এজন সত্যানুৰাগী পুৰুষ, সেইটো সকলোৱে বেছকৈ বুজিব পাৰিলে। তেওঁ সকলোৰে প্ৰিয়পাত্ৰ হল, আৰু লগে লগে তেওঁৰ ওকালতি ব্যৱসায়ৰো নথৈ উন্নতি হল।

ইয়াৰ পাছত কি হল কব লাগেনে? আইদেওৰ ৰূপ আৰু গুণত মুগ্ধ হৈ সত্যব্ৰত বাবুৱে তেওঁৰ পাণি গ্ৰহণ কৰিলে।

শ্ৰীজ্ঞানানন্দ জগতী।

## মৰম ফুলনি।

বৰ সুন্দৰ ৰাতি। মুকলি আকাশৰ পৰা ৰূপহী জোনৰ ৰূপালী কিৰণে ধৰণীক সাদৰেৰে আলিঙ্গন কৰিছে। নিস্তব্ধ জগত ……… কাৰো কতো

সাৰ সুৰ নাই ……… সকলো আজি টোপনিৰ কোলাত অচেতন। এনে সময়তে মই মোৰ পজাৰ পৰা ওলাই, কাষৰ পৰ্ব্বতীয়া জুৰিটিৰ দাঁতিতে বহিলোগৈ। জুৰিটিয়ে কুলু কুলু সুৰে অস্ফুট ভাষাৰে জগতৰ কোন অতীত যাত্ৰাৰ সোপোন কাহিনী বৰ্ণাইছে, আজি এই সুন্দৰ ৰাতিত মুকলি মনেৰে মুকলি পৰাণ লৈ লুকলি আকাশ-তলত বহি, মই তাক কি বুজিব পাৰিম ……… মাথোঁ নিজৰ ভাবতে নিজে ভোলগৈ এই অসীম সৌন্দৰ্য্যৰ ফালে ৰ লাগি একে থৰে চাই ইয়াৰ অধীশ্বৰ সেই মহান্ পুৰুষলৈ ভক্তিভাৱে মুৰ দোঁৱালো ……… নিজৰ জীৱন ধন্য কৰিলোঁ।

কত পৰ যে এনেদৰে আছিলো ক'ব নোৱাৰোঁ। হঠাতে যেন কোনোবাই আহি মোৰ গাত হাত দিলেহি ……… দেখিলো চকুৰ আগতে এটী মোহিনী মূৰ্ত্তী যেন সৰগৰ পৰা নামি আহিছে ……… দেৱী নে মানহী ক'ব নোৱাৰোঁ, তেওঁ হাতৰ ঠাৰেৰে মোক পিছে পিছে যাবলৈ কলে, মই যাবলৈ ধৰিলো ……… অলপ দূৰ গৈয়ে দেখিলো ………এখনি সুন্দৰ ফুলনি; নানা তৰহৰ সুগন্ধি ফুলে ৰমক্ জমক্ কৈ ফুলনিৰ শোভা চৰাইছে ……… বতাহ গোন্ধেৰে ভৰপুৰ, তাৰ চাৰিও কাষে পকা সুৰুনি ফলেৰে ভৰা গছৰ শাৰী, ফলৰ ভৰতে গছ দোঁ খাই আছে ……… এনে ধুনীয়া ঠাই! এয়ে নেকি স্বৰ্গৰাজ্য?

আহি আহি এখনি দুৱাৰৰ ওচৰ পালোহি। আমি ঠিয় হলতে দুৱাৰ খন মুকলি হৈ গ'ল ……… দুয়ো ভিতৰলৈ সোমাই গলো, অলপ পৰ আহিয়েই আমি ধুনীয়া ধুনীয়া বস্তুৰে সজোৱা এখন দোকানৰ ওচৰ পালোহি। এটি আপোনাই সেই দোকানতে বহি বস্তু বেচিছে। দোকানৰ বস্তুবোৰ একো খনি ধপ্ ধপীয়া বগা কাপোৰেৰে বান্ধি একো একোটি টোপোলা কৰি তাৰ ওপৰত নাম লেখি সজাই থৈছে। বস্তুবোৰৰ নাম—চেনেহ, মৰম, দয়া, প্ৰীতি, ধৰ্ম্ম ইত্যাদি। দোকানৰ ওপৰত বৰ ডাঙৰ ডাঙৰ আখৰেৰে লেখা আছে—"ইয়াৰ পৰা নিয়া বস্তু খিনিৰ সদ্ব্যৱহাৰ নকৰিলে, তাৰ পৰা আকৌ ওভটাই অনা হয়।" দোকানত মানুহৰ বৰ ভিৰ নাই, বোধ হয় কেতিয়াবাহে এটি বা দুটি আহে। বস্তুবোৰৰ দাম নাই, মাথোন নিজ ইচ্ছা মতে বাছি নি সদ্ব্যৱহাৰ কৰিব পাৰিলেই হ'ল। আমি তাত থাকোঁতেই এজন মানুহ আহি তাৰ পৰা বাছি বাছি এটি "মৰমৰ" টোপোলা লৈ গ'ল। আমিও তেওঁৰ পিছে পিছে গলো।



অলপ পৰ গৈয়ে দেখিলো আৰু এখনি দোকান আৰু কিনোতা অলেখ। দোকানত এটা ডেকা মানুহ বহি অনৰ্গল চিঞৰি চিঞৰি তাৰ নিজৰ বস্তুবোৰৰ গুণ বখানি মানুহৰ মন ভুলাইছে। মানুহবোৰেও যেয়ে যিহকে পাইছে তাকে লৈ লৰালৰিকৈ নোপোৱাই পোৱা দৰে পাই দিহা-দিহি লৰ মাৰিছে। কোনো মতে মানুহৰ মাজেদি সোমাই দোকান পালোঁ গৈ। ইয়াৰ বস্তুবোৰৰ নাম—ধন, বল, কাম, ক্ৰোধ, লোভ, মোহ ইত্যাদি। বস্তুবোৰ ধুনীয়া ধুনীয়া ৰঙিন কাপোৰেৰে বান্ধি সজাই থোৱা হৈছে। আমাৰ আগৰ চিনাকি মানুহটিকো ইয়াতে দেখিলোঁ। তেওঁৰ হাতৰ টোপোলাটো দেখি এই দোকানিটোৱে সেইবোৰ যে বেয়া অসাৰ বস্তু ঠাৰে-চিয়াঁৰে তেওঁক বুজাবলৈ ধৰিলে আৰু তেওঁক ইয়াৰ বস্তুবোৰ যাচি দিবলৈ ধৰিলে। তেহেঁ। আগৰ টোপোলাটি এৰি ইয়াৰ বস্তুখিনি ল'ব খোজোঁতেই, কোনোবাই যেন গহীন সুৰেৰে মাত লগালে 'বাটৰুৱা সাৱধান, মানিকৰ সলনি কাচ নেবেহাবা' তেতিয়া মানুহ-টোৱে চক্ খাই আগৰ টোপোলাটিকে হাতত লৈ লৰালৰিকৈ দোকানৰ পৰা ওচি আহিল। বাটত আহোঁতে ফুলনিৰ ফুলবোৰ বতাহত হালি জালি তেওঁৰ আগত দেমালি কৰিবলৈ ধৰিলে। তেওঁ বৰ হেঁপাহেৰে এপাহী গোলাপ ফুলত হাত দিলে। ততালিকে ফুলপাহী এটী সুন্দৰ দিপ্-লিপ্ কন্যা হৈ তেওঁৰ আগত ঠিয় দিলে, তেওঁ সুধিলে 'তোমাক কি লাগে'? ছোৱালীটীয়ে উত্তৰ দিলে 'তোমাৰ টোপোলাটিৰ বস্তুৰ বাহিৰে মোক একোকে নেলাগে।' তেওঁ তেতিয়া ছোৱালীটীক লগত লৈ ঘৰ পালেহি। দুয়ো বং মনে একে লগে থাকিল।

মানুহটিয়ে টোপোলাৰ পৰা দুনীমান বস্তু উলিয়াই ঘৰৰ চাৰিও কাষে ছটিয়াই দিলে। চকুৰ আগতে ধুনীয়া সুগন্ধি ফুলেৰে ভৰা এখনি ফুলনি তেওঁৰ ঘৰৰ চাৰিও ফালে হৈ পৰিল। ফুলনি খনিৰ নাম হল—'মৰম ফুলনি।' সেই ফুলনি খনিলৈ আহিলেই কোনো মানুহেই বেজাৰ মনেৰে বিমুখ হৈ যাবলৈ নেপায়। যেতিয়াই তেওঁ তাৰ পৰা এটি ফুল চিঙি আনক দিয়ে তেতিয়াই এপাহীৰ ঠাইত তিনি চাৰি পাহী ফুল তাত ফুলি পৰে। মৰম ফুলনিৰ ফুল কেতিয়াও অন্ত নপৰে।

চকুৰ আগতে যেন কেবা বছৰো পাৰ হৈ গল। এদিন মানুহজনে টোপোলাটি অসাৱধানভাৱে এঠাইত এনিবে থ'বলে গৈছিল। এনেতে

চেগ চাই কৰবাৰ এজনী ছুটুলী বুঢ়ী আহি তাৰ পৰা কিছুমান বস্তু উলিয়াই লৈ, তাৰ ঠাইত অইন বস্তু ভৰাই দি গ'ল ............... তেওঁবিলাকৰ সুখৰ সংসাৰত ক'লা ডাৱৰৰ বেথাই, দেখা দিলে ............ সুখৰ ঘৰত অশান্তিয়ে বাহ ললে। ফুলনিৰ ফুলবোৰ লেলেলিবলৈ ধৰিলে। চল পাই আন এটা চোৰে গোটেই টোপোলাটো লৈ আন কিবা কিছুমান তাৰ ঠাইত পেলাই থৈ গ'ল। ...............অশান্তি পূৰ্ণ-মাত্ৰাই তেওঁৰ ঘৰত ৰাজত্ব কৰিবলৈ ধৰিলে। ফুল লেবেলি মৰহি শুকাই গ'ল। ফুলনিলৈ অহা মানুহবিলাকে পৰাকীৰ কেটেলা মাত শুনি বেজাৰ মনেৰে উভতিব লগা হ'ল। তেওঁ এতিয়া নিজৰ বাহিৰে কাকো চিনি নোপোৱা হল। বেজাৰত তেওঁৰ লগৰীটি শুকাই শীণাই যাবলৈ ধৰিলে। তেওঁৰ মুখৰ মাত-নাইকিয়া হল। তেওঁ উঠিব নোৱাৰা হ'ল। মানুহটি এতিয়া বিমোৰ। কি কৰিব, কেনি যাব, উপায় নেপাই বেজাৰত তলমুৰ কৰি থাকিবলৈ ধৰিলে। শোকে তেওঁৰ হিয়া দহি নিছে। এনেতে যেন কোনোবাই এদিন তেওঁৰ কাণে কাণে কলে—তোমাৰ টোপোলাত থকা বস্তুৰ বাহিৰে আন একোৱেই ভাল কৰিব নোৱাৰে। কিন্তু হায়! তেওঁৰ টোপোলা ক'ত। ইফালে তেওঁৰ লগৰী মৃত্যু ... ... ... শয্যাত।

তেওঁ টোপোলা বিচাৰি বাটে বাটে বলিয়াৰ দৰে ঘূৰি যাবলৈ ধৰিলে। বাটত যাকে পায় তাকে সুধিবলৈ ধৰিলে; কিন্তু কোনোৱে তেওঁক সঠিক বাতৰি দিব নোৱাৰিলে। মাথোন বলিয়া বুলি ওচৰৰ পৰা দূৰ কৰি দিলে। হায়! হায়!! তেওঁ এতিয়া ক'লৈ যাব কি কৰিব!

আহি আহি আকৌ সেই আগৰ ছুৱাৰৰ ওচৰ পালেহি; কিন্তু ছুৱাৰ বন্ধ ... ... ... সোমাব নোৱাৰিলে ... ... ... বেজাৰত তাতে বহি কান্দিবলৈ ধৰিলে। বতাহে তেওঁৰ কাণে কাণে কবলৈ ধৰিলে—"ইয়াৰ পৰা নিয়া বস্তুবিলাকৰ যি সজবাৰহাৰ নকৰে সেইবোৰ তেওঁৰ পৰা আকৌ ওভোতাই অনা হয়।" অলপ পৰৰ পাছতে কৰবাৰ পৰা এটি কেচুৱা লৰা আহি কান্দি কান্দি তেওঁক থাবলৈ কিবা খুজিলে ... ... ... তেওঁৰ কি আছে কি দিব? তেওঁৰ শোক চগুণে উথলি উঠিল। লৰাটি বুকুত লৈ তেওঁ উচুপি উচুপি কান্দিবলৈ ধৰিলে। বহুত পৰৰ মূৰত তেওঁ মূৰ তুলিলে কিন্তু



লৰাটি তেওঁৰ বুকুত নাই, মাথোন বুকুৰ মাজত তেওঁৰ সেই হেৰোৱা টোপোলাটি! তেওঁ হেৰোৱা ৰতন পুনৰ পাই নিমিষতে লাৰি ঘৰ পালেহি। তেওঁৰ ঘৰৰ মুখত আকৌ শুনিলে—"সাৱধান, এইবাৰ নেহেৰুৱাবা।" তেওঁৰ ঘৰৰ ফুলনি আকৌ আগৰ দৰে ফুলি পৰিল ... ... আকৌ আগৰ দৰে জেউতি ছৰালে ... ... ... মানুহৰ মন ভুলালে। তেওঁৰ লগৰীৰ ওঠত আগৰ দৰে আনন্দৰ হাঁহি জিলিকি উঠিল। শান্তিৰ পবিত্ৰ কিৰণেৰে ছুনাই তেওঁৰ ঘৰ উজ্জল হ'ল। চাৰিও কালে সুখ ... ... শান্তি ... ... আনন্দৰ কিৰণেৰে জগৎ উদ্ভাসিত।

মই উভতি চাওঁ ... ... ... মোৰ লগৰীটি নাই, কেনি গল কব নোৱাৰোঁ। বিচাৰিবলৈ যওঁতে চক্ খাই সাৰ পাই উঠিলোঁ। দেখিলোঁ মই আগৰ দৰেই... ... সেই মোৰ পজাৰ কাষৰ জুৰিটিৰ দাঁতিতেই বহি আছোঁ। ওপৰত অসীম অনন্ত জোনালী আকাশ, তলত বহল মুকলি সুন্দৰ জগতখনি। সুবিমল জোনৰ জেউতিয়ে জগতত এটি আনন্দৰ সোঁত বোৱাই দিছে ... ... সমুখৰ জুৰিটিয়ে অবিৰাম গতি ধৰি কুলু কুলু সুৰে বৈ যাব লাগিছে।

—০—

শ্ৰীযতীন্দ্ৰনাথ দুৱৰা।

# গীত।

কাৰ ৰাগিণী বাজে হিয়াত হে
অৱশ পৰাণ জিলিকে মোৰ
শান্তি কিৰণ মাজে।

আজিৰ দিনৰ মিলন মেলা
হয়ে প্ৰভু তোমাৰ খেলা—
তোমাৰ মধুৰ আশীষ বাণী
হিয়াৰ মাজত বাজে।

তোমাক এৰি সুখত থাকে
মগ্ন ই জীৱন,
সুখৰ মাজত দুখ যে প্ৰভু
তোমাৰ সুমৰণ।

জীৱনৰ এই আন্ধাৰ বাটত
ধৰি আমাক নিয়া হাতত
যাত্ৰা শেষত চৰণ তলত
মিলো মোহন সাজে।
—"যদু"।

---

# ভকতৰ দেশ।

সংস্কৃত শ্লোক এটা আছে, তাৰ একাংশৰ অৰ্থ এই যে, পুৰুষৰ ভাগ্যত কেতিয়া কি ঘটিব, মানুহে সেইটো যে ক'ব নোৱাৰেই দেৱতাসকলেও কব নোৱাৰে।

আশা ভঙ্গৰ বজ্ৰাঘাত সহি সহি, সন্মাৰ্গতো অচিন্ত্যপূৰ্ব্ব বিঘিনিৰ আবিৰ্ভাৱ দেখি দেখি, মই ক্ৰমে দৈববিশ্বাসবহে পক্ষপাতী হৈ পৰিছোঁ। মোৰ ক্ৰমে ক্ৰমে বিশ্বাস হবলৈ ধৰিছে যে, মানুহে কোনো এটা কাম কৰোঁ বুলিও কৰিব নোৱাৰে, আৰু নকৰোঁ বুলিও নকৰি থাকিব নোৱাৰে। ঈশ্বৰহে প্ৰকৃত নিয়ন্তা। ঈশ্বৰে কল টিপে, আমি নাচোঁ মাথোন। সেইবাবে মই কোনো এটা কাম কৰিলে "মই কৰিছোঁ" বুলি ক'বৰ অধিকাৰ মোৰ আছে নে নাই সেইবিষয়ে মোৰ ঘোৰ সন্দেহ হয়।

সি যি কি নহক, আমি নিজেই ঘটাওঁ বা ঈশ্বৰেই ঘটাওক, দিনে দিনে আমাৰ ভাগ্যত কত কি ঘটনা ঘটে। ১৯১৬ চনৰ ১২ এপ্ৰিল তাৰিখে মোৰ ভাগ্যতো তেনে এটি ঘটনা ঘটিছিল। এই ঘটনাকে অৱলম্বন কৰি আজি এই প্ৰবন্ধটি লেখিবলৈ আগ বাঢ়িলোঁ।

১৯১৬ চনৰ ১২ এপ্ৰিল তাৰিখে আবেলি মই দেখিলো যে, মই কোনো এজন বন্ধুৰ বিবাহৰ বৰযাত্ৰীৰূপে ডিব্ৰুগড়ৰ পৰা জাহাজেদি উত্তৰ লক্ষীমপুৰলৈ ৰাওনা হৈছোঁ। সকলো ঘটনা অৱশ্যে ঈশ্বৰে ঘটায়; কিন্তু এই ঘটনাটোক সম্পুৰ্ণ আকস্মিক ঘটনা বুলিলে মিছা মতা হব। কিয়নো ইয়াৰ বাবে মই সমূলি সাজু হোৱা নাছিলো বুলি কব নোৱাৰো। বন্ধুৰ লগত উক্ত তাৰিখে



ৰাওনা হবৰ নিমিত্তে মই আগৰে পৰা ছুটী লৈ সাজু হৈ আছিলো। কিন্তু তথাপি যোৱাৰ কোনো নিশ্চয়তা নাছিল। মই জানিছিলো, শেষ মুহূৰ্ত্তত হব পাৰে। ভালেই বোলক বা বেয়াই বোলক মোৰ সকলো কামতে এনে। বিশেষতঃ ৰাওনা হবৰ দিনা ইমান বৰষুণ দিছিল যে মনটো বাস্তৱিকতে বৰ কোঁচ খাইছিল। কিন্তু বন্ধুজনে কেনেবাকৈ বেয়া পায় বুলি মোৰ মনটো ইমান চঞ্চল হৈ উঠিল যে মোৰ পক্ষে স্থিৰ হৈ থকা অসম্ভৱ হল। ওপৰৰ বৰষুণ আৰু তলৰ বোকালৈ ভ্ৰূক্ষেপ নকৰি কলিৰ পক্ষীৰাজ ঘোৰা বাইচাইকলত উঠি ততালিকে জাহাজ ধৰিলোঁ গৈ। মোৰ বন্ধুৱে পৰিবাৰবৰ্গে সৈতে ইতিপূৰ্ব্বেই জাহাজত উঠিছিল গৈ। মই ওলোৱাটো দেখি মোৰ ও চাইকলৰ নিমিত্তেও টিকট লোৱা হল।

এনিশা জাহাজতে থাকি পাচ দিনাহে কমলাবাৰী ঘাট পোৱা হব। কোনোমতে নিশাটো জাহাজত থকা সময় খিনি মোৰ সমূলি ভাল লগা নাছিল। আৰামেৰে শুবিব নোৱাৰিলে শুবিবলৈ যোৱাই বিড়ম্বনা। পাছদিনা দিনৰ এক কি দেড় বজাৰ সময়ত আমাক কমলাবাৰী ঘাটত নমাই দিলে। কিন্তু এইটো ঘাট বোলে নামতহে কমলাবাৰী ঘাট। এইটো হেনো নক্মিনপাট সত্ৰৰ হে ঘাট। আচল কমলাবাৰী ঘাটত হেনো আজিকালি জাহাজ নাৰাখে। পানী কম বাবে তালৈ জাহাজ নিব নোৱাৰে। সেই দেখি কমলাবাৰী ঘাট হেনো ইয়ালৈ হোঁইকাই আনিছে। ইয়াৰ পৰা ১১।১২ মাইল বাট উজাই গলেহে কমলাবাৰী ঘাট পোৱা যাব।

ঘাটৰ মাটিখিনি দেখি ভাল লাগিল। ওখ, বাম মাটি। মাটিখিনি দেখিলে মন সাজি থাকি যাবৰ মন যায়। ঠায়ে ঠায়ে কোমোৰা গছ ইত্যাদি এনেই হৈছে। ব্ৰহ্মপুত্ৰৰ সুন্দৰ বতাহে মন মুহি পেলায়। বন্ধুৰ নিমিত্তে ঘাটত গৰুৰ গাড়ী হাজিৰ হৈ আছিল। কোনো এটা ঘটনা বশতঃ নাও এখন পাবৰো সুবিধা হ'ল। বন্ধুৰ ভাগিন্ এজনো গৰুৰ গাড়ীৰ লগতে কমলাবাৰীৰ পৰা আহি ঘাটত উপস্থিত আছিল। দলৰ মানুহ কিছুমান গাড়ীত উঠিলে, দুজনমান নাৱত উঠিলে। মই বন্ধুৰ ভাগিনীয়েক শ্ৰীমানৰে সৈতে চাইকলত এইডোখৰ বাট যোৱাটোৱেই পছন্দ কৰিলো। শ্ৰীমানে বি—য়ে এইডোখৰ বাট হেনো বেছ চিনি পায়। অলপ দূৰ বাট চাইকল দৌৰাই বৰ ভাল লাগিল।

তাৰ পাছতে এখন গাওঁ পোৱা গ'ল। সেই গাওঁখনৰ মাজেদি পিছল, ঠেক, ওখ আৰু ঠায়ে ঠায়ে নৰ্দ্দমাৰ অনুৰূপ বাটবোৰেদি ছাইকল চলাই যোৱাত বৰ অসুবিধা ভুগিলোঁ। কিন্তু সৰহ ভাগ বাটেই যে ছাইকল চলাই যাব পাৰিলোঁ, সেইটোৱেই পৰম সৌভাগ্য। এইখন কি গাওঁ কব নোৱাৰোঁ। কিন্তু গাওঁখন গছ-গছনিৰে ইমান যোপমৰা যে, আঁতৰৰ পৰা বোধকৰোঁ কোনেও এখন গাওঁ বুলি চিনিব নোৱাৰিব। অথচ গাওঁখন এখন ডাঙৰ গাওঁ বুলিয়েই অনুমান হ'ল।

শ্ৰীমান বি-য়ে অতি বেগাই ছাইকল দৌৰাই আগবাঢ়ি যোৱাত মইয়ো বাধ্য হৈ তেওঁৰ অনুসৰণ কৰিব লগীয়াত পৰিলোঁ, গাওঁৰ নাম ইত্যাদিৰ বিষয়ে অনুসন্ধান লবৰ মোৰ একেবাৰে আহৰি নহ'ল। গাওঁখন পাৰ হবৰ অলপ পাছতে আমি গৈ আছল দক্ষিণপাট-সত্ৰৰ বাট পালোঁগৈ। ঘাটৰ ওচৰতে সত্ৰৰ আহল বহল পথাৰ দেখা গ'ল।

সত্ৰৰ ঘাটত গা-পা ধুই ভালকৈ জিৰণি লোৱা হ'ল। শ্ৰীমান বি-য়ে ওচৰৰে বুঢ়া ভকত এজনৰ ঘৰত জলযোগৰো বন্দবস্ত কৰিলে। বুঢ়া ভকত জনৰ লগত তেওঁৰ আগৰে চিনাকী আছিল। ৰাতিপুৱাৰে পৰা একোকে খোৱা নাছিলোঁ, কাজেই জলপানৰ সদ্ব্যৱহাৰেই কৰা হ'ল। 'ৰামকৃষ্ণ' নামাঙ্কিত এই ভকতজনে আমাক বাস্তৱিকতে বৰ আদৰ সাদৰ কৰিলে। মাছুলীৰ দীঘল চুলীয়া এই বুঢ়া ভকতজনে যিদৰে আলহী সুধিলে, টাউনৰ কোনো মানুহে সেইদৰে আলহী সুধিবলৈ বোধকৰোঁ অলপ টান পালে হেতেন।

আমি জিৰাই শঁতাই, গন্তব্য ঠাইলৈ খোজ লবৰ মনেৰে আকৌ ঘাটলৈ আহিলোঁ। বুঢ়া ভকতজনে আমাক ঘাটতো পকা অমিতা কাটি দি পৈ গ'লহি। আমি বৰ কৃতজ্ঞ অনুভৱ কৰিলোঁ। কিন্তু মোৰ সকলো ধন্যবাদ শ্ৰীমান বিৰহে প্ৰাপ্য, কিয়নো, তেওঁৰ অৰ্থাতেহে বুঢ়া ভকতৰ পৰা মইয়ো ইমান খিনি আদৰ সাদৰ পালোঁ—মই তেওঁৰ সম্পূৰ্ণ অপৰিচিত। চিনাকী অচিনাকী নিৰ্বিশেষে সকলো আলহীৰে প্ৰতি যদি এই বুঢ়া ভকতজনৰ আচৰণ এনে, তেনেহলে তেওঁ নিশ্চয় দেৱচৰিত্ৰ।

মই ওপৰত কোৱাদৰে মন্তব্য কৰিবৰ এটা কাৰণ আছে, মোৰ বন্ধুজনো কোনো এজন সত্ৰনিবাসীৰ ঘৰত কোনো এক ঘটনা বশতঃ সোমাব লগীয়াত পৰিছিল। তেওঁ তাত দেখি অহা ঘটনা এটাৰ কথা মোক পাছত কৈছিল। সেইটো কথা শুনিহে মই ওপৰত কোৱাদৰে মন্তব্য কৰিছোঁ। সত্ৰখন চাৰি চুক-কাৰি চাবৰ বৰ ইচ্ছা হৈছিল। কিন্তু সময়ৰ অভাৱত সেইটো কৰিব পৰা নগ'ল। এতিয়াও আমি বহুত বাট যাব লগীয়া আছে।



শ্ৰীমান বি-ৰ লগত আকৌ ছাইকলেৰে ৰাওনা হলোঁ। শ্ৰীমান বি আগে আগে, মই পাছে পাছে। এই ছোৱা বাট বাস্তৱিকতে অতি জঘন্য। অলপ গৈয়েই হাবি পালোঁ। হাবিখনৰ মাজেদি ওখ বাট নাই। হাবি কাটি সমতল বাট এটা উলিয়াই থৈছে মাথোন। দুইফালে তৰানী ইকৰানী হাবি। হাতীৰ নতুন খোজো দেখা গল। মই হাবিৰ আকৃতি প্ৰকৃতি চাই বেছ বুজিব পাৰিলোঁ, হাবিখন এলাপচা বিধৰ হাবি নহয়। এই হাবিত নিশ্চয়ে বন্য জন্তুৰ উপদ্ৰৱ আছে। শ্ৰীমান বি নতুনকৈ উঠি অহা ডেকা লৰা। চাইকেল চলোৱাতো তেওঁক মই বৰ পাকৈত দেখিলোঁ। বাটটোত ঠায়ে ঠায়ে পানী, ঠায়ে ঠায়ে বোকা। চাইকেল অকাই পকাই নিলেহে কোনো মতে যাব পাৰি। শ্ৰীমান বি-য়ে কিন্তু সেই বাটেৰেই অতি বেগাই চাইকেল চলাই যাবলৈ ধৰিলে। কাজেই অকলসৰে অচিনাকী হাবি বাটত এৰা পৰিবৰ ভয়ত মইয়ো যথাসাধ্য বেগেৰে যাবলৈ ধৰিলোঁ। কিন্তু মোৰ চাইকেল খন ভাল নাছিল, কাজেই মই বহুত পিছ পৰি যাবলৈ ধৰিলোঁ। বোকা ঠাইত ঠায়ে ঠায়ে শ্ৰীমান যেতিয়া নামিব লগীয়াত পৰে তেতিয়া মই তেওঁৰ লগ ধৰোঁ গৈ। মাজ বাটত ২।৩ ঘৰ হাবিতলীয়া মিৰি দেখি বৰ ভাল লাগিছিল।

আমি এইদৰে গৈ শেহত অলপ মুকলীমূৰা ঠাই পালোঁ গৈ। ইয়াত বাটো শুকান। ইয়াতে অলপ জিৰোৱা গল। আৰু কিমান বাট যাব লাগিব নালাগিব সেই সম্বন্ধে মোৰ কোনো আন্দাজেই নাছিল। কিন্তু মই এইটো বেছ জানিছিলোঁ। যে বাকী বাট ছোৱাত যদি অতিক্ৰম কৰি অহা ছোৱা বাটৰ দৰেই হয়, আৰু যদি বাটত ৰাতি হয় তেন্তে আজি বন্যজন্তুৰ লগত সাক্ষাৎ ঘটিবৰ পূৰা সম্ভাৱনা।

(ক্ৰমশঃ)

# মহাত্মা আনন্দৰাম বৰুৱা আৰু দু আষাৰ কথা।

(ছাত্ৰৰচনা।)

যাৰ নাম শুনিলে আজি অসমীয়া মাত্ৰেৰেই মূৰ দোঁ-খায়, যালৈ কেনেবাকৈ আৱেগেৰে মনত পাৰলেই আমি অসমীয়াই গৌৰৱ অনুভৱ কৰোঁ, কিন্তু পিছ

মুহূৰ্ত্তে তল মূৰ কৰো, যাৰ নাম উচ্চাৰণ কৰিবলৈ অসমীয়াৰ জিভাত বল নাই, যাৰ গৌৰবত অসমীয়া জাতি গৌৰবান্বিত হব খোজে আৰু তৎক্ষণাৎ লাজত মুখ শেঁতা পৰে, তেৱেঁই আমাৰ সদৌ অসমীয়াৰ চিৰস্মৰণীয়, অসম মাতৃৰ আঁচলৰ একমাত্ৰ ধন, শঙ্কৰ-মাধৱ-গোপাল-দামোদৰদেৱৰ শাৰিৰে এজন—আনন্দ ৰাম বৰুৱা। আনন্দ অসমীয়া, আসামতে উপজিছিল, ডাঙৰ দীঘল হৈছিল আৰু অসমীয়াই যি শিকে তাকে শিকিছিল অৰ্থাৎ অসমীয়াৰ বিশেষ ভাবে প্ৰতি-পত্তি থকা সংস্কৃত অধ্যয়ন কৰিছিল। শেহত তেওঁ এই সংস্কৃত ভাষাতে পাণ্ডিত্য লাভ কৰিছিল।

পদুম ফুলে প্ৰকৃতিৰ সৌন্দৰ্য্য বঢ়ায়, সৌৰভ বিলায়, মন মোহে, সূৰ্য্যৰ ফালে চাই থাকে আৰু কয় "বান্ধৱ? তুমি মহাপ্ৰাণ! তুমি পোহৰ বিতৰণ কৰি জগতৰ এন্ধাৰ দূৰ কৰিছা। তুমি বিশ্বপ্ৰেমিক; হে কৰ্ত্তব্যপৰায়ণ বন্ধু তোমাৰ শক্তিৰ এক ৰেণু মোক দিয়া, মযো জগতত মোৰ ক্ষুদ্ৰ জীৱনৰ কৰ্ত্তব্য সাধন কৰো।" ঠিক তেনেকৈয়ে প্ৰকৃতিৰ কামা বন আসামত আনন্দ ফুল ফুলিছিল। আসাম ভূমি জক্‌মক্ কৰিছিল। আনন্দ সৌৰভ দিশবিদিশ ব্যাপি মন প্ৰাণ মুগ্ধ কৰিছিল। সুদূৰ য়ুৰোপ মহাদেশতো সেই মহাসৌৰভ বিতৰিত হৈছিল। তাতে প্ৰতীচ্য ভোমোৰা মতলীয়া হৈছিল। তেতিয়া জগতে কৈছিল "ইমান সুগন্ধি ফুল পাহি ক'ত ফুলিছে?" কিন্তু জগৎ কেৱল মুগ্ধ হৈয়েই ক্ষান্ত নহল, গোন্ধে গোন্ধে আহি আনন্দ মধু লৈ গলহি। তেতিয়া আসামে চকু মেলা নাছিল। কিহবাৰ ৰাগীত চকু মুদ খাই আছিল। সেই দেৱদত্ত মহাধন আহোতে অসমীয়াই "কণাই কেনেকৈ যায়" বুলি চকু জপাই ধৰিছিল।

আনন্দ বৰুৱাৰ জীৱন এটি কৰ্ম্মৰ সোঁত। কৰ্ম্মী জীৱনৰ ওপৰত পিশাচৰ শক্তি নেখাটে। অসৎ প্ৰবৃত্তবোৰ তেওঁৰ পৰা বহুত দূৰৈত আছিল। সৎ প্ৰবৃত্তিয়ে কৰ্ম্মী বিচাৰি ফুৰে। তেওঁ নিত্য সৎপথগামী হৈ জ্যোতিৰ্ম্ময় হৈ উঠিছিল। সৎ বুলিলেই সুন্দৰ জ্যোতিও সুন্দৰ।

বিশ্ব থন সুন্দৰ, তুমিও সুন্দৰ, তোমাৰ কৰ্ম্মবৃত্তও সুন্দৰ—কিন্তু সুন্দৰলৈ হে অকল। ই নিছেই অলপ কথাতেই ঘোৰ মূৰ্ত্তি ধৰি ঠিয় হয়। ইয়াত যাৰ যি কাম সি সেই কামকেই কৰিবলাগে। আনৰ কৰ্ত্তব্যত হাত দিলেই বিশ্ব বেয়া। ইপিনে আকৌ তোমাৰ কৰ্ত্তব্য এৰি যাবলৈ অন্য কৰ্ম্মীৰ আৰু কৰ্ম্মবৃত্তৰ ছলনা বহুত। এই ছলনাবোৰ কাণসাৰ নকৰি নিজ কৰ্ত্তব্যত লাগি



থাকিব লাগে। এই ছলনালৈ কাণসাৰ নকৰাতেই কৰ্ম্মীৰ মহত্ব লুকাই থাকে, এই ৰকমেই চলোতা আকৌ এহেজাৰৰ ভিতৰত এজনো বিৰল।

আসাম প্ৰকৃতিৰ কামাবন। গছ লতা, ৰমক-জমক ফুলপাত, কুলি, কেতেকি, সখিয়তী আদিৰ মন মোহা গান; উষাসন্ধ্যাৰ ফালে চালে চকু রৈ যোৱা দৃশ্য আৰু নৈ দাতিৰ মোহিনী ছবি। এইবোৰ আমি কামৰ পিছত জিৰণিৰ সময়ত উপভোগ কৰিবলৈ আৰু নিজ নিজ কৰ্ত্তব্যত ৰত থাকিবৰ নিমিত্তে আহি লবলৈহে। তাতে মতলীয়া হৈ নিজ কৰ্ত্তব্য ৰাজ্যত বিদ্ৰোহ ঘটাবলৈ নহয়। এইবোৰে বাস্তৱতে আমাৰ জীৱনত বিদ্ৰোহী হৈ উঠি মন প্ৰাণ বিশৃঙ্খল নকৰে নে? কুলিয়ে গান গাই আত্মপ্ৰকাশ কৰিছে মানে কুলি কৰ্ত্তব্যপৰায়ণ আৰু তাতে জগত মুগ্ধ হৈছে। মযো সেই দেখি মোৰ কৰ্ত্তব্য ভালকৈ কৰো —এয়েই হোৱা উচিত মোৰ লক্ষ্য।

আনন্দৰাম বৰুৱাও জগতৰ এই জাক-জমকবোৰত ভোল নগৈছিল, তেওঁ নিজ কৰ্ত্তব্যকে সদায় কৰি আছিল। আকাশৰ এটি তৰাই নিজৰ আকাশ বৃত্তত ঘূৰি পোহৰ বিতৰিছিল, তাৰ দৰেই আনন্দৰাম বৰুৱাও নিজৰ কৰ্ম্ম-বৃত্তত ঘূৰি আছিল আৰু জ্যোতিৰ্ম্ময় হৈছিল। বাহ্যিক সৌন্দৰ্য্যত ভোল নহব পাৰে বুলি সকলোৱেই কব পাৰে কিন্তু মেজৰ ওপৰত ঠেকেচা মাৰি কনিটো ঠিয় কৰা কলম্বছ অকল আনন্দহে। সঁচাকৈয়ে প্ৰকৃতিৰ কৰ্ত্তব্যত ব্যাঘাত জন্মোৱা শক্তি ইমান প্ৰবলা যে—এজনে যদি পুত্ৰ শোকত বলীয়া হৈ ব্ৰহ্মপুত্ৰত জাপ দিওঁ বুলিও যায়—তেওঁ আদ বাটতে তেওঁ কি কৰিবলৈ গৈছিল তাক পাহৰিব।

জগতত আজিলৈকে যিমানবিলাক নীতি শাস্ত্ৰ হৈছে তাৰ প্ৰত্যেক বচনেই এজন প্ৰকৃত কৰ্ম্মীৰ গাত আপোনা আপুনি খাটি যায়। তেওঁ চাণক্য শ্লোকৰ কথা নেজানিব পাৰে, ফ্ৰেঙ্কলিন, ষ্টুৱাৰ্ট মিল আদিয়ে কি কৈছিল সেইবোৰ তেওঁৰ অজ্ঞাত হব পাৰে কিন্তু যদি সেইবিলাক শাস্ত্ৰত পটু কোনোবাই তেওঁৰ (কৰ্ম্মীৰ) দৈনিক কাৰ্য্য কলাপৰ ফালে এবাৰ চকু দিয়ে তেন্তে দেখিব যে নীতি শাস্ত্ৰৰ প্ৰত্যেক বচনেই তেওঁৰ প্ৰত্যেক কাৰ্য্যত আখৰে আখৰে খাটি গৈছে।

বৰুৱা ডাঙৰীয়াই বন্ধু বান্ধৱ গোটাই লৈ ভাত খোৱা শাক খোৱা কথা পাতি অমূল্য সময় নষ্ট কৰাৰ সম্পূৰ্ণ বিৰোধী আছিল। তেওঁ ইাহি খিকিন্দালি জান নেপাই ছিল।

"মহা মহা পুৰুষৰ চানেকীৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত।"

কিন্তু আমি আৰ্হি লবলৈ গৈ আগধৰি তেওঁবিলাকৰ বেয়া গিনিৰ হে আৰ্হি লওঁ। ভীমৰ জীৱনৰ আৰ্হি লবলৈ গৈ আমি তেওঁৰ প্ৰকাণ্ড গদাৰ সলনি শুকান কল পটুৱাৰ ধোন্দোলা গদা এডাল লওঁ আৰু আঘাতৰ পৰা ডাঙৰ শব্দ উলিয়াওঁ। তেওঁৰ সদ্গুণবোৰৰ ভূকে নলৈ "সৰাহাৰ পকা ফল কাঢ়ি কাঢ়ি খায়; গালি পাৰিলেও গাল ভাঙ্গে চৰবাই"ৰাহে কথা নিজৰ কামত খটাবলৈ দিহা কৰো। ইপিনে আকৌ "অযুতেক হস্তীৰ বল ধৰে শৰীৰত" দেখিও নেদেখো।

যেই সেই বস্তু যেয়ে সেয়ে যেনেকৈ জীণ নিয়াব নোৱাৰে, তেনেকৈ আসামৰ জল বায়ুও যেয়ে সেয়ে জীণ নিয়াব নোৱাৰে। অতিকৈ সাৰ দিলে যেনেকৈ ধান মাহ আদি উৰে তেনেকৈ অসমীয়া মানুহবো সাৰুৱা আসামত থাকি সদ্গুণ বিলাক নষ্ট পাইছে আৰু কিছুমানৰ ধান উৰাৰ দৰে উৰি গৈছে। আসামৰ এই সাৰ যেয়ে জীণ নিয়াব পাৰিছে সেয়ে এটা নহয় এটা ভাল কাম জগতৰ নিমিত্তে কৰিছে । গোটেই য়ুৰোপক কপাই থকা আৰু সমগ্ৰ ভাৰত জয় কৰোঁতা মুছলমান জাতিয়ে এদিন আসামতে হাৰ মানিলে। তাৰ বাহিৰেও আসামৰ অতীত লুপ্ত কীৰ্ত্তি বিলাক বৰ্ত্তমান আসামৰ এই দুৰ্দ্দশাৰ বাহি কাৰণ। আনন্দৰাম বৰুৱাই আসামৰ জল বায়ু জীণ নিয়াব জানিছিল সেই দেখিয়েই তেওঁ জগতত অমৰ।

৫৩৬২/অ:

আনন্দৰামে তেওঁৰ মহৎ সাধনা আৰু একাগ্ৰতাৰে আসামলৈ নতুন যুগ আনিলে। কেৱল আসামলৈকে নহয় গোটেই জগতলৈকে। তেওঁ কাল্লেকক যুগ সাজিব পাৰি বুলি জগতক দেখুৱালে। তেৱেঁই আসাম যে অকল কানিয়া এলেহুৱাবেই দেশ নহয়, সংকল্প আৰু সাধনা হলেই আসাম যে সোণৰ হব তাৰ জলন্ত উদাহৰণ দি বুজাই দিলে। তেওঁ আজি ইয়াত নাই, তেওঁ দেৱলোকত। তেওঁ স্বৰ্গৰ পৰা আসামলৈ চাই আছে আৰু কৈছে " হে আসামসন্তান তোমা-লোকে জগতত কৰ্ম্মী বুলি চিনাকী দি আসামৰ আত্মসন্মান বজায় ৰাখাঁ আৰু শত শত আনন্দৰাম হৈ আকৌ আসামৰ সক্ষমতা জগতক দেখুৱাঁ।"

শ্ৰীজ্ঞানোদ চন্দ্ৰ বড়া।